www.asombarta.in

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

# অসম বাৰ্তা

PRGI REGD. NO. : ASASS/25/A2361

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

'ৰাজনীতিক' তেওঁকেই কয়, যি নিজকে এবাৰ আনৰ ওচৰত বিক্ৰী কৰাৰ পিছত দ্বিতীয় এজনৰ ওচৰত পুনৰ নিজকে বিক্ৰী নকৰে। – টাইৰণ কেমেৰণ

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বাৰ্তা' গোষ্ঠী -

প্ৰথম বছৰ | সংখ্যা- ১২৩ | বুধবাৰ | ১১ ফেব্ৰুৱাৰী, ২০২৬ চন | Volume/Year- I | Issue- 123 | Wednesday | 11th February, 2026 | Asom Barta, Majuli | PRGI Reg. No.- ASASS/25/A2361 | Price- Rs. 10 | Total Page- 8

■ SRৰ পাছত প্ৰকাশ পালে অসমৰ চূড়ান্ত ভোটাৰ তালিকা ■

# ২.৪ লক্ষাধিকৰ নাম কৰ্তনেৰে ভোটাৰ তালিকা

- ভোটাৰ তালিকাৰ পাৰ বাদ পৰিল ২ লাখ ৪৩ হাজাৰ ৪৮৫ গৰাকী
- চূড়ান্ত তালিকাত ২ কোটি ৪৯ লাখ ৫৮ হাজাৰ ১৩৯ গৰাকীৰ নাম

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১০ ফেব্ৰুৱাৰী ঃ** অসম নিৰ্বাচন আয়োগে আজি ১২৬টা বিধানসভা সমষ্টিৰ বাবে বিশেষ সংশোধনী (Special Revision - SR 2026)ৰ চূড়ান্ত ভোটাৰ তালিকা প্ৰকাশ কৰিছে। যুটীয়া মুখ্য নিৰ্বাচনী বিষয়াৰ (Joint Chief Electoral Officer) পক্ষৰ পৰা প্ৰকাশিত তথ্য অনুসৰি ৰাজ্যত মুঠ ভোটাৰৰ সংখ্যা এতিয়া ২, ৪৯, ৫৮, ১৩৯গৰাকী। খচৰা ভোটাৰ তালিকাত (Draft Roll) ভোটাৰৰ সংখ্যা আছিল ২, ৫২, ০১, ৬২৪ গৰাকী। অৰ্থাৎ চূড়ান্ত তালিকাত ২, ৪৩, ৪৮৫ গৰাকী ভোটাৰৰ নাম কৰ্তন কৰা হৈছে, যাৰ ফলত ভোটাৰৰ সংখ্যাত ০.৯৭ শতাংশ হ্ৰাস ঘটিছে। চূড়ান্ত তালিকাত: পুৰুষ ভোটাৰ ❑ ৬ পৃষ্ঠাত

## বিটিচি'ৰ কাজলগাঁৱত ২৪ তম বড়োলেণ্ড দিৱস উদ্‌যাপন

মুখ্য অতিথি হিচাপে উপস্থিত বিটিচি'ৰ কাৰ্যবাহী পাৰিষদ কৰ্মেশ্বৰ ৰায় আৰু পাৰিষদ জেমছ বসুমতাৰী

**অসম বাৰ্তা, বাসুগাঁও, ১০ ফেব্ৰুৱাৰী ঃ** বিটিচিৰ চিৰাং জিলাত ২৪ সংখ্যক বড়োলেণ্ড দিৱস উলহ-মালহেৰে উদ্‌যাপন কৰে। বি টি চিৰ ❑ ৬ পৃষ্ঠাত

মুখ্যমন্ত্ৰীৰ অভিযোগ

## অসম কংগ্ৰেছে গৌৰৱ গগৈৰ ওপৰত আক্ৰমণৰ ষড়যন্ত্ৰ ৰচিছিল

সহানুভূতি আদায়ৰ বাবে নিজৰ নেতাক আক্ৰমণৰ নাটক; এজন গ্ৰেপ্তাৰ, তদন্ত চলি আছে

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ১০ ফেব্ৰুৱাৰী ঃ** অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই দাবী কৰিছে যে অসম প্ৰদেশ কংগ্ৰেছে নিজৰ সভাপতি তথা ❑ ৬ পৃষ্ঠাত



অসম ৰাইফলছৰ সঞ্চালক প্ৰধানক শীঘ্ৰে মণিপুৰলৈ যোৱাৰ নিৰ্দেশ গৃহ মন্ত্ৰণালয়ৰ

## গোষ্ঠী সংঘৰ্ষত আকৌ অগ্নিগৰ্ভা মণিপুৰ; ৫ দিনৰ বাবে ইণ্টাৰনেট সেৱা স্থগিত



**নিউজ ডেস্ক, অসম বাৰ্তা, ১০ ফেব্ৰুৱাৰী ঃ** মণিপুৰৰ উখৰুল জিলাত নতুনকৈ সৃষ্টি হোৱা হিংসাত্মক পৰিস্থিতিৰ প্ৰেক্ষাপটত গৃহ মন্ত্ৰণালয়ে অসম ৰাইফলছৰ সঞ্চালক ❑ ৬ পৃষ্ঠাত

গৌৰৱ গগৈৰ সন্তানৰ নাগৰিকত্বক লৈ মন্ত্ৰী পীযূষ হাজৰিকাৰ আহ্বান



## ক'ৰ্টলৈ গ'লে নিজেই বিপদত পৰিব গৌৰৱ গগৈ

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১০ ফেব্ৰুৱাৰী ঃ** দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অসম ভ্ৰমণৰ প্ৰাকমুহূৰ্তত নগাঁও জিলাৰ বঢ়মপুৰত অনুষ্ঠিত বিজেপিৰ সাংগঠনিক সভাত উপস্থিত থাকি ❑ ৬ পৃষ্ঠাত

দ্বিপাক্ষিক সম্পৰ্ক শক্তিশালীৰ লক্ষ্য

## ৰচিতা ভাণ্ডাৰীক মাল্টাৰ ভাৰতৰ নতুন উচ্চায়ুক্ত নিযুক্তি



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১০ ফেব্ৰুৱাৰী ঃ** ভাৰতীয় বৈদেশিক সেৱাৰ (IFS) ২০০৫ বেচৰ বিষয়া ৰচিতা ভাণ্ডাৰীক মাল্টা গণৰাজ্যলৈ ভাৰতৰ পৰৱৰ্তী উচ্চায়ুক্ত হিচাপে নিযুক্ত কৰা হৈছে। ভাৰতৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে (MEA) এই তথ্য আজি সদৰি কৰিছে। ❑ ৬ পৃষ্ঠাত

## কংগ্ৰেছ নেতৃত্বৰ বিৰুদ্ধে হিমন্ত বিশ্ব শৰ্মাৰ ৫০০ কোটি টকাৰ মানহানিৰ গোচৰ ৰুজু

জিতেন্দ্ৰ সিং, ভূপেশ বাঘেল, গৌৰৱ গগৈৰ বিৰুদ্ধে ৰুজু গোচৰ

**অসম বাৰ্তা, দিছপুৰ, ১০ ফেব্ৰুৱাৰী ঃ** অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সোমবাৰে কংগ্ৰেছৰ তিনিজন জ্যেষ্ঠ নেতাৰ বিৰুদ্ধে ৫০০ কোটি টকাৰ ক্ষতিপূৰণ বিচাৰি মানহানিৰ (defamation) ❑ ৬ পৃষ্ঠাত

■ 'দেশতকৈ মামী ডাঙৰ নহয়' শ্ল'গানেৰে উত্তাল গুৱাহাটী ■


## ৰাজ্যজুৰি প্ৰদেশ কংগ্ৰেছৰ প্ৰতিবাদী কাৰ্যসূচী; মুখ্যমন্ত্ৰী আৰু পত্নীৰ বিৰুদ্ধে প্ৰতিবাদ

"গৌৰৱ গগৈৰ পাকিস্তানৰ সৈতে কোনো সম্পৰ্ক নাই। যিকোনো ব্যক্তিয়ে নিৰ্ধাৰিত প্ৰট'কল মানি যিকোনো দেশলৈ যাব পাৰে।"

**ষ্টাফ ৰিপ'ৰ্টাৰ, মহানগৰ, ১০ ফেব্ৰুৱাৰী ঃ** অসম প্ৰদেশ কংগ্ৰেছে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ বিৰুদ্ধে দুৰ্নীতি, পৰিয়ালৰ অগণিত সম্পত্তি আৰু পাকিস্তান ভ্ৰমণ বিতৰ্কক লৈ তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰিছে। ❑ ৬ পৃষ্ঠাত



মুখ্যমন্ত্ৰীৰ বিৰুদ্ধে সাম্প্ৰদায়িক বিষবাষ্প বিয়পোৱাৰ অভিযোগ



## বিজেপিৰ 'পইণ্ট-ব্লেংক শ্বট' ভিডিঅ' বিতৰ্ক; দিছপুৰ থানাত এজাহাৰ দাখিল

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ১০ ফেব্ৰুৱাৰী ঃ** অসমৰ ৰাজ্যিক বিজেপিৰ অফিচিয়েল এ' (পূৰ্বৰ টুইটাৰ) হেণ্ডেলত শেহতীয়াকৈ পোষ্ট কৰা এটা বিতৰ্কিত ভিডিঅ'ই ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। ভিডিঅ'টোত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক এ আই (আৰ্টিফিচিয়েল ❑ ৬ পৃষ্ঠাত

বিজেপিৰ মহিলা সাংসদৰ লোকসভাৰ অধ্যক্ষ ওম বিৰলাক লিখিত অভিযোগ দাখিল

## লোকসভাত প্ৰধানমন্ত্ৰীৰ সমুখত প্ৰতিবাদ কৰিবলৈ সাজু হৈছিল কংগ্ৰেছৰ মহিলা সাংসদ

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১০ ফেব্ৰুৱাৰী ঃ** চলি থকা সংসদৰ বাজেট অধিৱেশনৰ সময়ত চৰকাৰ আৰু বিৰোধী দলৰ মাজত তীব্ৰ ❑ ৬ পৃষ্ঠাত



## কথা কোৱাৰ আগতে সত্যতা নিশ্চিত কৰক মুখ্যমন্ত্ৰীয়ে !

হিমন্ত বিশ্ব শৰ্মাক সতৰ্কবাণী সাংসদ অজিত কুমাৰ ভূঞাৰ



**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ১০ ফেব্ৰুৱাৰী ঃ** অসমৰ ৰাজনীতিত এতিয়া উত্তপ্ত পৰিৱেশ বিৰাজমান। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই বিগত ❑ ৬ পৃষ্ঠাত


কেন্দ্ৰীয় চৰকাৰৰ শ্ৰমিক-বিৰোধী নীতিৰ বিৰুদ্ধে ধৰ্মঘট

## ১২ ফেব্ৰুৱাৰীত 'ভাৰত বন্ধ'ৰ আহ্বান শ্ৰমিক সংগঠনৰ

**নিউজ ডেস্ক, অসম বাৰ্তা, ১০ ফেব্ৰুৱাৰী ঃ** আগন্তুক বুধবাৰে অৰ্থাৎ ১২ ফেব্ৰুৱাৰীত সমগ্ৰ দেশজুৰি এক বৃহৎ ধৰ্মঘট আৰু ভাৰত বন্ধ পালন কৰাৰ ডাক দিছে দেশৰ প্ৰধান দহটা কেন্দ্ৰীয় শ্ৰমিক সংগঠনে। এই যৌথ ধৰ্মঘটত কোটি কোটি শ্ৰমিকে অংশগ্ৰহণ কৰিব বুলি আশা কৰা হৈছে। সংগঠনসমূহে ❑ ৬ পৃষ্ঠাত



ব্যৱসায়-বাণিজ্য, যান-বাহন আৰু অফিচ-কাছাৰী বন্ধ ৰখাৰ আহ্বান



### কেবিনেটৰ অনুমোদনক ধেমাজি ঐক্যমঞ্চৰ আদৰণী

# ধেমাজিত ৰাজহ আইন শিথিল

**অসম বাৰ্তা, ধেমাজি, ৯ ফেব্ৰুৱাৰী ঃ** খিলঞ্জীয়া চৰকাৰ বুলি দাবী কৰা অসম চৰকাৰে বিগত সময়ত জনবিৰোধী স্থিতি গ্ৰহণ কৰা পৰিলক্ষিত হোৱাৰ সময়ত ৰাজহ আইনৰ ক্ষেত্ৰত কিছু শিথিলতা আহিল অৱশেষত ধেমাজিলৈ। ধেমাজি সদৰ গাঁওসমূহ উন্নয়ন প্ৰাধিকৰণত অন্তভুৰ্ক্ত কৰাৰ পিছত খেতিপথাৰৰ মাটি ম্যাদী কৰিব নোৱাৰা এক হাহাকাৰ পৰিৱেশ সৃষ্টি হৈছিল ধেমাজিত। ইফালে ধেমাজি জিলাখনৰ অধিকাংশ লোকেই জীৱন জীবিকা কেৱল কৃষিকৰ্মৰ ওপৰত নিৰ্ভৰশীল। ধেমাজি জিলাত দুই এটা পৰিয়ালৰ বাহিৰে অধিকাংশই খিলঞ্জীয়া জনসাধাৰণৰ বসতিস্থল। ধেমাজি নগৰত পৌৰসভা গঠন হৈছে যদিও নগৰখনৰ চাৰিটা ৱাৰ্ডৰ বাহিৰে অন্যান্য ৱাড সমূহ পৌৰসভা চাৰিবেৰৰ মাজত থকাৰ পিছতো জনসাধৰণে পাব লগা সকলো সুবিধাৰ পৰা বঞ্চিত হৈ আহিছে আজিও। ধেমাজি পৌৰসভাৰ চাৰিসীমাৰ পৰা পাঁচ কিলোমিটাৰ নিলগৰ পৰ্যন্ত ধেমাজি উন্নয়ন প্ৰাধিকৰণৰ অন্তৰ্ভুক্ত কৰাৰ বাবে জনসাৰণে মাটি ম্যাদী কৰাৰ ক্ষেত্ৰত অনেক সমস্যাত পৰিব লগা হৈছে। ইফালে ধেমাজি উন্নয়ন প্ৰাধিকৰণৰ চাৰিসীমাৰ ভিতৰত অন্তভুৰ্ক্ত নোহোৱা গাঁওসমূহত প্ৰধানমন্ত্ৰী আঁচনি গৃহ নিৰ্মাণৰ অনুমতি দি নিজৰ মইমতালিৰে চাৰিসীমা বৃদ্ধি কৰাৰ অভিযোগ অসম জাতীয়তাবাদী যুৱ পৰিষদৰ। ধেমাজি উন্নয়ন প্ৰাধিকৰণৰ অন্তভুক্ত হোৱাৰ ফলত জনসাধাৰণে মাটিৰ খাজানা দিব নোৱাৰাৰ লগতে মাটিবাৰি সমূহ ম্যাদী কাৰ ক্ষেত্ৰত এক অভাৱনীয় পৰিৱেশ সূচনা হোৱা বুলি অভিযোগ উত্থাপন কৰে সংগঠনটোৱে। সংগঠনটোৱে উল্লেখ কৰে যে পূৰ্বে বাৰিমাটি নামত ডেৰ কঠা মাটি পট্টাত সাধাৰণ গৃহ থকা জনসাৰনে ৫৬ হাজাৰ টকা অসম আৰ্হি গৃহ থকা মাটিত ৭২ হাজাৰ আৰু আৰচিচি গৃহ থকা মাটিত ১ লাখ টকা প্ৰিমিয়াম দিব লগা হোৱাত ককা আজু ককাৰ মাটিবাৰীবোৰ ক্ৰয় কৰা দৰে এক পৰিৱেশ সূচনা হোৱা বুলি দাবী কৰে অসম জাতীয়বাদী যুৱ পৰিষদে। ইফালে বানে জুৰুলা কৰা জিলাখনত এনেকৈ বৃহৎ পৰিমাণৰ প্ৰিমিয়াম দিব নোৱাৰাৰ বাবে বহু লোকে মাটি-বাৰী ম্যাদী কৰাৰ পৰা বিৰত থাকিবলগীয়া হোৱাতো অতিকৈ দুৰ্ভাগ্যজনক আখ্যা। চৰকাৰৰ এনে কঠোৰ নিতি বাহাল থাকিলে আগন্তুক দিনত নিজৰ মাটিবাৰী সমুলঞ্চে হেৰুৱাব লগা হ'ব বুলি সংগঠনটোৱে দাবী কৰি আহিছিল বিভিন্ন সময়ত বিভিন্ন আন্দোলন ধৰ্না কাৰ্যসূচীৰ জৰিয়তে। বিভিন্ন সময়ত সংগঠনটোৱে ধাৰাবাহিক আন্দোলন অব্যাহত ৰাখিছিল যদিও পৰৱৰ্তী সময়ত ধেমাজি সদৰত বিভিন্ন দলসংগঠনৰ মাজত এখন ঐক্যমঞ্চ গঠন কৰি ৰাজহ আইনৰ বিৰুদ্ধে শক্তি প্ৰদৰ্শন কৰে। উল্লেখ্য যে ধেমাজি সদৰৰ গাঁওসমূহ উন্নয়ন প্ৰাধিকৰণৰ চাৰিসীমাৰ পৰা কৰ্তন কৰাৰ দাবী জনোৱাৰ লগতে গাওঁ মাটি সমূহৰ পৰা ৫০০ টকাকৈ প্ৰিমিয়াম জমা লৈ মাটি পট্টা প্ৰদান কৰিবলৈ বাৰম্বাৰ দাবী জনাই আহিছিল ঐক্যমঞ্চৰ তৰফৰ পৰা। উক্ত দাবীৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰি ৭ ফ্ৰেব্ৰুৱাৰীত ধেমাজি নগৰৰ পৰা পাচ কিলোমিটাৰ দূৰত্ব গাঁও সমূহক গাঁও হিচাপে ধৰি ৰাজহ আইন শিথিল কৰাটো কেবিনেটে অনোমোদন জনোৱাৰ বাবে ধেমাজিৰ সাধাৰণ জনতা যথেষ্ট উপকৃত হ'ব বুলি আশা কৰি অসম চৰকাৰ ধন্যবাদ জনাইছে জনাইছে ধেমাজি সন্মিলিত ঐক্যমঞ্চই।

# মাজুলীতো গৌৰৱ গগৈৰ বিৰুদ্ধে বিজেপিৰ উত্তাল প্ৰতিবাদ

**অসম বাৰ্তা, উজনী মাজুলী, ৯ ফেব্ৰুৱাৰী ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই যোৰহাটৰ সাংসদ গৌৰৱ গগৈৰ পাকিস্তানৰ সৈতে সম্পৰ্ক থকা বুলি গুৰুতৰ অভিযোগ উত্থাপন কৰাৰ পাছতে ৰাজ্যজুৰি ৰাজনৈতিক পৰিস্থিতি উত্তাল হৈ পৰিছে। মুখ্যমন্ত্ৰীৰ সংবাদমেলৰ পাছতেই প্ৰান্তে প্ৰান্তে বিজেপিয়ে প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰাৰ সমান্তৰালভাৱে আজি মাজুলী জিলাতো বিজেপি কৰ্মীসকলে তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। মাজুলীৰ জিলা সদৰ গড়মূৰত অনুষ্ঠিত এই প্ৰতিবাদী কাৰ্যসূচীত মাজুলীৰ বিধায়ক ভুৱন গামৰ নেতৃত্বত শতাধিক বিজেপি কৰ্মীয়ে অংশগ্ৰহণ কৰে। গড়মূৰস্থিত মাজুলী মিণি ষ্টেডিয়ামৰ পৰা আৰম্ভ হোৱা প্ৰতিবাদী সমদলটো জিলা সদৰ গড়মূৰত সমবেত হয়। প্ৰতিবাদকাৰীসকলে হাতে হাতে প্লে'কাৰ্ড লৈ "পাকিস্তানী এজেণ্ট গৌৰৱ গগৈ মুৰ্দাবাদ", "গৌৰৱ গগৈ হায় হায়", "গৌৰৱ গগৈ দেশদ্ৰোহী", "পাকিস্তানী এজেণ্ট গৌৰৱ গগৈ গ' বেক", আদি শ্লোগানেৰে পৰিৱেশ উত্তাল কৰি তোলে। প্ৰতিবাদস্থলীত পথৰ ওপৰতে বহি বিজেপি কৰ্মীসকলে উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। সংবাদ মাধ্যমৰ আগত বক্তব্য ৰাখি মাজুলীৰ বিধায়ক ভুৱন গামে গৌৰৱ গগৈক তীব্ৰ সমালোচনা কৰে। তেওঁ কয় যে গৌৰৱ গগৈ এগৰাকী দেশদ্ৰোহী সাংসদ আৰু এনে লোকৰ সংসদত থকাৰ কোনো নৈতিক অধিকাৰ নাই। লগতে তেওঁ গৌৰৱ গগৈয়ে শীঘ্ৰে নিজৰ পদৰ পৰা পদত্যাগ কৰিব লাগে বুলিও দাবী উত্থাপন কৰে। বিধায়ক ভুৱন গামে লগতে কয়- "ভাৰতৰ চাউল খাই ভাৰতকেই শত্ৰু জ্ঞান কৰা আৰু পাকিস্তানৰ এজেণ্ট হিচাপে কাম কৰা লোকক আমি এই দেশত থকাটো নিবিচাৰোঁ। গৌৰৱ গগৈ থকা দলটো এটা মিঞা-প্ৰেমী দল। তেওঁ অসমত থকাতকৈ পাকিস্তানত থকাই ভাল।" ইফালে প্ৰতিবাদী কাৰ্যসূচীত উপস্থিত থাকি জিলা বিজেপিৰ সভাপতি দীপক গোস্বামীয়েও গৌৰৱ গগৈক তীব্ৰ সমালোচনা কৰি সাংসদ পদৰ পৰা পদত্যাগৰ দাবী উত্থাপন কৰে। ইফালে জিলা বিজেপিৰ তৰফৰ পৰা গৌৰৱ গগৈৰ বিৰুদ্ধে মুখ্যমন্ত্ৰীয়ে সম্বোধন কৰা সংবাদমেলৰ পোনপটীয়া সম্প্ৰচাৰ গড়মূৰত মুকলিকৈ প্ৰদৰ্শন কৰে। উল্লেখযোগ্য যে মুখ্যমন্ত্ৰীৰ গুৰুতৰ অভিযোগৰ পাছতেই ৰাজ্যজুৰি এই বিষয়টোৱে ৰাজনীতিত ব্যাপক চৰ্চা লাভ কৰিছে।

## ছয়গাঁৱৰ নিৰ্মীয়মান উৰণীয়া সেতুত পুনৰ পথ দুৰ্ঘটনা; মৃত্যু এজন

**অসম বাৰ্তা, ছয়গাঁও, ৯ ফেব্ৰুৱাৰী ঃ** দক্ষিণ কামৰূপৰ ছয়গাঁৱৰ ৰাষ্ট্ৰীয় ঘাইপথত পুনৰ সংঘটিত হৈছে এক পথ দুৰ্ঘটনা। আজি সন্ধিয়া প্ৰায় ৬-৩০ বজাত নিৰ্মিয়মান উৰণীয়া সেতুৰ কাম চলি থকাৰ সময়তে সংঘটিত হয় এই শোকাৱহ পথ দুৰ্ঘটনাটো। ইতিমধ্যে ছয়গাঁৱৰ ৰাজপথত দৈনিক সংঘটিত হৈ আছে দুৰ্ঘটনা। যাৰ ফলত বহু লোকৰ প্ৰাণ গ'ল ছয়গাঁৱৰ ১৭নং ৰাষ্ট্ৰীয় ঘাইপথত। বকোৰ পৰা গুৱাহাটী অভিমুখে গৈ আছিল NL-01, L-5823নম্বৰৰ মালবাহীট্ৰাক এখন। তেনে সময়তে ছয়গাঁও বজাৰেৰে খোজকাঢ়ি গৈ থকা সোণাৰীপাৰাৰ শিৱ চৰণ বণিয়া(৫৫)ক মহতীয়াই নিয়ে ট্ৰাকখনে। ঘটনাৰ খবৰ পোৱা মাত্ৰকে ছয়গাঁও আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণ কৰে। সম্প্ৰতি ছয়গাঁও আৰক্ষীয়ে ট্ৰাকখন জব্দ কৰাৰ লগতে মৃতদেহটো ছয়গাঁও আৰক্ষী থানাৰ শৱ গৃহত ৰাখি থৈছে।

## ১৩ ফেব্ৰুৱাৰীত অসম বিজ্ঞান সমিতিৰ প্ৰতিষ্ঠা দিৱস পালনৰ আয়োজন

**অসম বাৰ্তা, যোৰহাট, ১০ ফেব্ৰুৱাৰী ঃ** অসম বিজ্ঞান সমিতিৰ প্ৰতিষ্ঠা দিৱস ১৩ ফেব্ৰুৱাৰীত যোৰহাট শাখাই পালনৰ আয়োজন কৰিছে। যোৰহাট মহানগৰীৰ চোলাধৰাত অৱস্থিত চল্ট ব্ৰক ছিনিয়ৰ ছেকেণ্ডেৰী স্কুলৰ সহযোগত আয়োজিত প্ৰতিষ্ঠা দিৱসত ৭৫ বছৰৰ উৰ্ধৰ তিনিজন বিজ্ঞানকৰ্মী ড° চৌধুৰী নাথ শইকীয়া, ড° বীৰেন্দ্ৰ নাথ গোস্বামী আৰু সূৰ্য্য গগৈক সম্বৰ্ধনা জনাব। প্ৰতিষ্ঠা দিৱসৰ অনুষ্ঠানত নেইষ্টৰ অৱসৰপ্ৰাপ্ত বিজ্ঞানী ড° প্ৰদীপ তামোলীয়ে ভাষণ প্ৰদান কৰিব। পুৱা ১০-৩০ বজাৰ পৰা আৰম্ভ হ'ব লগীয়া প্ৰতিষ্ঠা দিৱসত সকলোৰে উপস্থিতি অসম বিজ্ঞান সমিতি, যোৰহাট শাখাৰ ভাৰপ্ৰাপ্ত সম্পাদক ড° দণ্ডেশ্বৰ দত্তই কামনা কৰিছে।

### সদৌ অসম ভিত্তিত ভাওনাৰ একক সংলাপ প্ৰক্ষেপণ প্ৰতিযোগিতাৰ আয়োজন

# দেৰগাঁৱৰ জনাৰ্দন নাট্যগোষ্ঠীৰ প্ৰতিষ্ঠা দিৱসৰ ব্যাপক প্ৰস্তুতি

**অসম বাৰ্তা, দেৰগাঁও, ৯ ফেব্ৰুৱাৰী ঃ** দেৰগাঁৱৰ মধ্য বঙালগাঁও বিষ্ণুপুৰ নামঘৰত জনাৰ্দন নাট্যগোষ্ঠী উদ্যোগত আৰু স্থানীয়া ৰাইজৰ সহযোগত গুৰুজনাৰ অনুপম সৃষ্টি ভাওনা সংস্কৃতি ধৰি ৰখাৰ উদ্দেশ্যে প্ৰতিষ্ঠা হোৱা জনাৰ্দন নাট্যগোষ্ঠীৰ প্ৰথম বাৰ্ষিক প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি প্ৰথমবাৰৰ বাবে বৰ্ণাঢ্য কাৰ্যসূচীৰে সদৌ অসম ভিত্তিত ভাওনাৰ একক সংলাপ প্ৰক্ষেপণ প্ৰতিযোগিতা অনুষ্ঠিত কৰাৰ বাবে ব্যাপক প্ৰস্তুতি চলাইছে। জনাৰ্দন নাট্যগোষ্ঠীৰ উদ্যোগত অহা ১৪ ফেব্ৰুৱাৰীত অনুষ্ঠিত হ'ব লগা প্ৰতিযোগিতাখনৰ বাবে ইতিমধ্যে এখন পূৰ্ণাংগ উদ্‌যাপন সমিতি আৰু কেইবাখনো শাখা সমিতি গঠন কৰি প্ৰাৰম্ভিক কাম-কাজসমূহ দ্ৰুত গতিত আগবঢ়াইছে। সেই উপলক্ষে নাট্যগোষ্ঠীটোৰ বিষয়ববীয়া সকলে ৮ ফেব্ৰুৱাৰীত এখন সংবাদমেল সম্বোধন কৰি অনুষ্ঠানটোৰ পাৰম্ভিক প্ৰস্তুতি সম্পৰ্কে বিষদ ভাৱে সংবাদত মাধ্যমৰ আগত অৱগত কৰে। উদ্‌যাপন সমিতিৰ বাবে সভাপতি অজিত বৰা, উপ সভাপতি যোগেন হাজৰিকা, কাৰ্যকৰী সভাপতি সোণাৰাম হাজৰিকা, সম্পাদক দিব্য জ্যোতি হাজৰিকা, সহ: সম্পাদক দিগন্ত কলিতাক দায়িত্ব অৰ্পণ কৰাৰ লগতে জনাৰ্দন নাট্যগোষ্ঠী দেৰগাঁও সমিতিৰ হৈ সভাপতি দ্বীজেন গন্ধীয়া, উপ সভাপতি গোলোক দাস, মৌচুম মহন্ত, নিতুল বৰা, কাৰ্যকৰী সভাপতি মৃদুল হাজৰিকা, সম্পাদকপাপু নেওগ, কোষাধ্যক্ষ প্ৰণৱ বৰাৰ লগতে অঞ্চলটোৰ ৰাইজকলৈ এখন পূৰ্ণাঙ্গ সমিটি গঠন কৰে। অনুষ্ঠানৰ লগত সংগতি ৰাখি পুৱা ৭.০০ বজাত পৰিবেশ নিকাকৰণ, ৮.০০ বজাত পতাকা উত্তোলন, ৯.০০ বজাত ভকত আদৰণি, ১০.০০ বজাত নাম প্ৰাসঙ্গ, দুপৰীয়া ১২.০০ বজাত প্ৰসাদ বিতৰণ ও ভকত বিদায়, দিনৰ ১.০০ বজাত ভাওনা একক সংলাপ প্ৰক্ষেপণ প্ৰতিযোগিতা আৰম্ভ, সন্ধ্যা ৮.০০ বজাত পুৰস্কাৰ ফলাফল ঘোষণা আৰু পুৰস্কাৰ বিতৰণ, সন্ধ্যা ৯.০০ বজাত জনাৰ্দন নাট্যগোষ্ঠীৰ দ্বাৰা "বিপ্ৰ দামোদৰ আখ্যান দন্তৱত্ৰৰ মুক্তি লাভ" ভাওনা প্ৰদৰ্শন আদি অনুষ্ঠান অনুষ্ঠিত হ'ব। নাট্যগোষ্ঠীটোৰ সম্পাদক পাপু নেওগে জানিবলৈ দিয়া মতে বৰ্তমান ৰাজ্যৰ বিভিন্ন জিলাৰ পৰা প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিবৰ বাবে প্ৰতিযোগী সকলে ইতিমধ্যে যোগাযোগ অব্যাহত ৰাখিছে। নিম্ন আৰু উচ্ছ শাখাত অনুষ্ঠিত হ'ব লগীয়া প্ৰতিযোগিতাৰ বাবে নিম্ন শাখাৰ বাবে বয়সৰ সীমা ১৪ বছৰ আৰু উচ্ছ শাখাৰ বাবে ১৪ বছৰৰ ওপৰত নিৰ্ধাৰণ কৰাৰ লগতে মহিলা সকলৰ বাবেও দুটাকৈ শাখা নিৰ্ধাৰণ কৰিছে উদযাপন সমতিয়ে। দুয়োটা শাখাতে প্ৰথমৰ পৰা তৃতীয় স্থান লাভকৰা দলক নগদ ধন আৰু মানপত্ৰ প্ৰদান কৰিব লগতে জনাৰ্দন নাট্যগোষ্ঠীৰ এক বিশেষ বঁটাও ৰাখিছে উদযাপন সমিতিয়ে। প্ৰতিযোগী সকলক উদযাপন সমিতিৰ ৯৬৭৮০৭৪৯৯৬, ৬০০২২৪২৫৭৫, ৭৮৯৬০৫১৪৭৫ নম্বৰত যোগাযোগ কৰিবলৈ অনুৰোধ জনাইছে।

### শংকৰদেৱ বিদ্যালয়ৰ ১১ বছৰীয়া ছাত্ৰী কঙ্কিতা দাসে

# সাগৰত ১৭ কিলোমিটাৰ ৫ ঘণ্টা ৪৪ মিনিটত অতিক্ৰমী সাঁতোৰত ইতিহাস ৰচিলে গুৱাহাটী বিষ্ণুপথ



**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ৯ ফেব্ৰুৱাৰী ঃ** অসম সাঁতোৰ সংস্থাৰ খেলুৱৈৰ তিনি দিনত তিনিটা ঐতিহাসিক সফলতা। বিষ্ণুপথ শংকৰদেৱ বিদ্যালয়ৰ ষষ্ঠ শ্ৰেণীৰ ছাত্ৰী, ১১ বছৰীয়া কঙ্কিতা দাসে অপেন ৱাটাৰ সাঁতোৰত এক অভূতপূৰ্ব সাফল্য অৰ্জন কৰি অসম তথা সমগ্ৰ উত্তৰ-পূব ভাৰতক গৌৰৱান্বিত কৰিলে। মহাৰাষ্ট্ৰৰ ৰেভাছ জেটীৰ পৰা গেটৱে অৱ ইণ্ডিয়ালৈ আৰব সাগৰত অনুষ্ঠিত এই কঠিন সাঁতোৰ অভিযান সফলভাৱে সম্পন্ন কৰি কঙ্কিতা দাসে প্ৰথম অসমীয়া কন্যা আৰু উত্তৰ-পূব ভাৰতৰ প্ৰথম সাঁতোৰবিদা হিচাপে ইতিহাসত নিজৰ নাম লিপিবদ্ধ কৰে। ইয়াৰ লগতে চৰকাৰী তথ্য অনুসৰি, এই পথত এতিয়ালৈকে সৰ্বাধিক দ্ৰুত গতিত সাঁতোৰা সাঁতোৰবিদ হিচাপেও নতুন অভিলেখ স্থাপন কৰিবলৈ সক্ষম হয়। কঙ্কিতাই পুৱা ৫ বজাত সম্পূৰ্ণ অন্ধকাৰত ৰেভাছ জেটীৰ পৰা সাঁতোৰ আৰম্ভ কৰি পুৱা ১০ বাজি ৪৪ মিনিটত গেটৱে অৱ ইণ্ডিয়াত গন্তব্যত উপস্থিত হয়। প্ৰথম দুটা ঘণ্টা ধৰি অন্ধকাৰ, প্ৰবল ঢৌ আৰু আৰব সাগৰৰ শক্তিশালী সোঁতৰ সৈতে প্ৰবল সংগ্ৰাম চলাই তেওঁ ১৭ কিলোমিটাৰ দূৰত্ব মাথোঁ ৫ ঘণ্টা ৪৪ মিনিটত অতিক্ৰম কৰি এক অনন্য দৃষ্টান্ত স্থাপন কৰে। গুৱাহাটীস্থিত সৰুসজাই ক্ৰীড়া কমপ্লেক্সৰ ড° জাকিৰ হুছেইন একুৱাটিক কমপ্লেক্সত প্ৰশিক্ষক বাবুল গুৰুঙৰ দক্ষ তত্ত্বাৱধানত নিয়মিত প্ৰশিক্ষণ লৈ অহা এই প্ৰতিভাৱান সাঁতোৰবিদ গৰাকীক অসম সাঁতোৰ সংস্থাৰ সকলো বিষয়ববীয়া, প্ৰশিক্ষকৰ হৈ সম্পাদক ভাস্কৰ ৰঞ্জন দাসক আৰু প্ৰচাৰ সচিব মুকুটেশ্বৰ গোস্বামীয়ে অভিনন্দন জ্ঞাপন কৰিছে। অসম সাঁতোৰ সংস্থাৰ সম্পাদক ভাস্কৰ ৰঞ্জন দাসে একেৰাহে সাগৰত তিনি দিনত তিনিটা অনন্য ৰেকৰ্ড বাবে সকলো উৎফুল্ল হৈছে। লগতে কঙ্কিতা দাসৰ সাহস, শৃঙ্খলা আৰু অদম্য সংকল্পৰ ভূয়সী প্ৰশংসা কৰি এই কৃতিত্বই অসম আৰু উত্তৰ-পূব ভাৰতৰ ক্ৰীড়া ইতিহাসত এক নতুন অধ্যায় সংযোজন কৰা বুলি মন্তব্য কৰে। অসম সাঁতোৰ সংস্থাৰ কাৰ্যনিৰ্বাহী সদস্যসকলৰ তৰফৰ পৰা এই ঐতিহাসিক সাফল্যক শ্ৰদ্ধাৰে সন্মান জনাই ভৱিষ্যতে কঙ্কিতা দাসে সুস্বাস্থ্যসহ অধিক সফলতা আৰু নতুন নতুন মাইলষ্টোন অৰ্জন কৰক বুলি আন্তৰিক কামনা জনাইছে।

# সদৌ অসম ক্ষুদ্ৰ চাহ খেতিয়ক সন্থাৰ মধ্য যোৰহাট আঞ্চলিক সমিতিৰ বাৰ্ষিক সাধাৰণ সভা সম্পন্ন

**অসম বাৰ্তা, নকছাৰি, ১০ ফেব্ৰুৱাৰী ঃ** অসমৰ অৰ্থ সামাজিক উন্নয়নত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰা ক্ষুদ্ৰ চাহ খেতিয়ে আজি গ্ৰাম্য অঞ্চলত বহুজনৰ কৰ্ম সংস্থাপনৰ পথ দি আহিছে। নিজৰ সীমিত মূলধনেৰে পতিত মাটিত সংগ্ৰাম কৰি নিয়োজিত হোৱাৰ লগতে নিবনুৱা সমস্যা সমাধানত সহায় কৰি আহিছে। এই ক্ষুদ্ৰ চাহ খেতিয়ক সকলৰ সুৰক্ষাৰ বাবে সদৌ অসম ক্ষুদ্ৰ চাহ খেতিয়ক সন্থাই কাম কৰি আহিছে। সদৌ অসম ক্ষুদ্ৰ চাহ খেতিয়ক সন্থাৰ যোৰহাট জিলা সমিতিৰ অন্তৰ্গত মধ্য যোৰহাট আঞ্চলিক সমিতিৰ ত্ৰয়োদশ কাৰ্য্যালয়ৰ প্ৰথম বাৰ্ষিক সাধাৰণ সভা খনি আজি লাহদৈগড় দিহাজানস্থিত আঞ্চলিক সমিতিৰ স্থায়ী কাৰ্য্যালয়ত অনুষ্ঠিত কৰে। সন্থাৰ বৰ্তমান কৰ্ম খতিয়ান দাঙি ধৰাৰ লগতে অসমৰ সেউজ বিপ্লৱক আৰু অধিক বলিষ্ঠ ভাবে আগবঢ়াই নিয়াৰ ভৱিষ্যত কৰ্মপন্থা গ্ৰহণ কৰাৰ উদ্দেশ্যে প্ৰত্যেক আঞ্চলিক সমিতিয়ে বাৰ্ষিক সাধাৰণ সভা অনুষ্ঠিত কৰে। কাৰ্য্যসূচী অনুসৰি পুৱা ৭বজাত সমূহীয়া চাফাই, ৭.৩০বজাত গছপুলি ৰোপণ কাৰ্য্যসূচী আঞ্চলিক সমিতিৰ কাৰ্য্যালয় সম্পাদক প্ৰবীন গগৈয়ে শুভাৰম্ভ কৰে। ৮.৩০ বজাত সন্থাৰ পতাকা উত্তোলন কৰে আঞ্চলিক সমিতিৰ সভাপতি বিপ্লৱ চেতিয়ায়। ৯বজাত স্মৃতি তৰ্পণ অনুষ্ঠানটিৰ শুভাৰম্ভ কৰে যোৰহাট জিলা সমিতিৰ সাংগঠনিক সম্পাদক ভোদ্ৰেশ্বৰ বুঢ়াগোহাঁইয়ে। ১০ বজাত প্ৰতিচ্ছবি আৰু ফলক উন্মোচন অনুষ্ঠানটিৰ শুভাৰম্ভ কৰে ৰাজ্যিক সমিতিৰ কাৰ্য্যালয় সমম্পাদক দুৰ্লভ বৰায়। অনুষ্ঠানত ক্ষুদ্ৰ চাহ খেতিয়কৰ বাটকটীয়া, প্ৰাক্তন কৃষি মন্ত্ৰী প্ৰয়াত সোণেশ্বৰ বৰা, সন্থাৰ প্ৰতিষ্ঠাপক সভাপতি তুলসী কুৰ্মী আৰু সম্পাদক গংগাধৰ শইকীয়াৰ প্ৰতিচ্ছবি আঞ্চলিক সমিতিৰ কাৰ্য্যালয়ত স্থাপন কৰাৰ লগতে আঞ্চলিক সমিতিৰ প্ৰতিষ্ঠাকালৰ পৰা বৰ্তমানলৈকে থকা সভাপতি, সম্পাদকৰ তালিকা এখনও কাৰ্য্যালয়ত স্থাপন কৰে। ১০বজাৰ পৰা আঞ্চলিক সমিতিৰ সভাপতি বিপ্লৱ চেতিয়াৰ সভাপতিত্বত সাধাৰণ সভাখনত শুভাৰম্ভ হয়। সম্পাদক প্ৰাচুৰ্য ফুকনে উদ্দেশ্য ব্যাখ্যাত বৰ্ষটিত সমিতিখনৰ কৰ্ম খতিয়ান দাঙি ধৰা, ভৱিষ্যত কৰ্মপন্থা গ্ৰহণ কৰা আৰু খেতিয়ক সকলৰ বৰ্তমান হৈ থকা সমস্যা সমূহ আলোচনা কৰি পৰৱৰ্তী সময়ত সমাধান কৰিবলৈ আজি এই সভাখন অনুষ্ঠিত কৰা হৈছে বুলি মন্তব্য কৰে। সভাৰ উদ্বোধন কৰে জিলা সমিতিৰ সদস্য জ্যেষ্ঠ ব্যক্তি অজিত দোলাকাষৰীয়াই। সভাত নিৰ্দিষ্ট বক্তা হিচাবে উপস্থিত থাকে জ্যেষ্ঠ সাংবাদিক দৈনিক অগ্ৰদূত তথা সদৌ অসম ক্ষুদ্ৰ চাহ খেতিয়ক সন্থাৰ মুখপত্ৰ "সেউজ সোণ"ৰ মুখ্য সম্পাদক। তেখেতে সদৌ অসম ক্ষুদ্ৰ চাহ খেতিয়ক সন্থাৰ মুখপত্ৰ খনৰ সভাপতি হিচাবে কাম কৰি থকাৰ বাবে নিজকে গৌৰৱ অনুভৱ কৰি নিজেও এজন ক্ষুদ্ৰ চাহ খেতিয়কৰ সন্তান বুলি সভাত মন্তব্য কৰে। এই তিনিমহীয়া আলোচনী খনত সকলোকে লিখনি দিবলৈ অনুৰোধ জনায়। সভাত যোৰহাট বিধানসভা সমষ্টিৰ বিধায়ক হিতেন্দ্ৰ নাথ গোস্বামী উপস্থিত সকলোৰে আগত শুভেচ্ছা মূলক বক্তব্য প্ৰদান কৰে। কাৰ্যসূচীৰ অনুসৰি সমিতিৰ সম্পাদকে সম্পাদকীয় প্ৰতিবেদন পাঠ কৰে আৰু বিত্তীয় সম্পাদকে বিত্ত প্ৰতিবেদন পাঠ কৰে আৰু সভাৰ আলোচনা পাছত সৰ্বসন্মতি মৰ্মে গৃহীত হয়। সভাত বিশিষ্ট অতিথি হিচাপে যোৰহাট জিলা সমিতিৰ সভাপতি জীৱন শইকীয়াই উপস্থিত সকলোৰে মঙ্গল কামনা কৰি শুভেচ্ছা জ্ঞাপন কৰে আৰু বহু পৰামৰ্শ আগবঢ়াই অনাগত দিনত উন্নত মানৰ কেঁচা চাহপাত উৎপাদন কৰি উচিত মূল্য গ্ৰহণ কৰিবলৈ অনুৰোধ জনায়। যোৰহাট জিলা সমিতিৰ সম্পাদক কৃষ্ণপ্ৰসাদ শৰ্মাই জিলা সমিতিয়ে জিলাখনৰ প্ৰত্যেকজন ক্ষুদ্ৰ চাহ খেতিয়কক সুৰক্ষিত কৰি ৰাখিবৰ বাবে কেনেধৰণৰ কাম কৰি আছে আৰুঅনাগত দিনত কেনে ধৰণৰ কৰ্ম আঁচনি হাতত লোৱা হৈছে সভাত অৱগত কৰে আৰু আপোনালোৰ সমস্যা সমূহ আজি আপোনালোকে অৱগত কৰিব আৰু আমিও সমাধানৰ চেষ্টা কৰিম বুলি কথা দিয়ে। সভাত উপস্থিত সকলোকে সঠিক দৰৰ, সঠিক সময়ত, সঠিক পৰিমাণৰ আৰু সঠিক পদ্ধতিৰে প্ৰয়োগ কৰি গুণগত মানৰ কেঁচা চাহপাত উৎপাদন কৰিব লাগিব তেতিয়া আমি নিজৰ উচিত মূল্য দাবী কৰি ল'ব পাৰিম বুলি মন্তব্য আগবঢ়ায়। প্ৰায় দুই শতাধিক ক্ষুদ্ৰ চাহ খেতিয়ক উপস্থিত থকা সভাত যোৰহাট জিলাৰ প্ৰতিষ্ঠা কালৰ সভাপতি পূৰ্ণ চন্দ্ৰ বৰা, প্ৰতিষ্ঠা কালৰ সম্পাদক অপূৰ্ব বৰগোহাঁই, অৱসৰ প্ৰাপ্ত শিক্ষক তথা বনৌষধি বিশেষজ্ঞ জীৱেশ্বৰ বৰপাত্ৰ, অৱসৰপ্ৰাপ্ত শিক্ষক তথা জ্যেষ্ঠ সমাজক সেৱক প্ৰফুল্ল হাজৰিকা, সমাজ সেৱিকা বীণা ফুকন, অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক অতুল ফুকন আটাইকেইজনক এখনি ফুলাম গামোছা, এখনি চেলেং চাদৰ আৰু এটিকৈ স্মাৰকেৰে সম্বৰ্ধনা জনোৱা। সভাৰ পৰ্যবেক্ষণৰ দায়িত্ব লৈ যোৰহাট জিলাৰ সাংগঠনিক সম্পাদক ভূপেন গগৈ উপস্থিত থাকে। সভাত কেন্দ্ৰীয় সমিতিৰ কাৰ্য্যালয় সম্পাদক দুৰ্লভ বৰা, আঞ্চলিক সমিতিৰ উপদেষ্টা শশী ৰাজখোৱা, প্ৰাক্তন সভাপতি পৰিতাম্বৰ বৰা, প্ৰাক্তন সম্পাদক শৈল্যাণ দোলাকাষৰীয়া, জিলা সহ সম্পাদক উজ্জ্বল শইকীয়া, সদস্য অজিত দোলাকাষৰীয়া, প্ৰাক্তন কেন্দ্ৰীয় সদস্য নিৰঞ্জন ভূএগ উপস্থিত থাকে।

**AFFIDAVIT**

Swarn before the Notary Public at Nagaon on 28th January 2026 that my actual and correct name is Amdadul Hoque, which is recorded in all my official and non official documents. But in my Jamabandi copy vide PP no. 38 and Dag no. 646 2no. Baralimari Kissam under Alitangoni Mouza, Nagaon district, Assam, my name has been wrongly recorded as Amdadul Hussain instead of Amdadul Hoque. I do hereby declare that Amdadul Hoque and Amdadul Hussain are the same and one person i.e. myself.

AB-15/2026

### মুখ্যমন্ত্ৰীৰ সংবাদমেলৰ পাছতে সৰৱ বঙাইগাঁও জিলা বিজেপি; পাগলাস্থানত সাংসদ গগৈৰ বিৰুদ্ধে প্ৰতিবাদ

# বঙাইগাঁৱত বিজেপিৰ উত্তাল প্ৰতিবাদ; গৌৰৱ গগৈক 'পাকিস্তানৰ এজেণ্ট' আখ্যা জিলা সভাপতিৰ



**অসম বাৰ্তা, বৈতামাৰী, ৯ ফেব্ৰুৱাৰী ঃ** বঙাইগাঁও চহৰৰ পাগলাস্থানত আজি বঙাইগাঁও জিলা বিজেপিৰ উদ্যোগত এক তীব্ৰ প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰা হয়। ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই শেহতীয়াকৈ কৰা এক ৰাজহুৱা সংবাদমেলৰ পাছতে উৎসাহিত হৈ পৰা বিজেপিৰ কেইবাশতাধিক কৰ্মীয়ে আজি ৰাজপথলৈ ওলাই আহি সাংসদ গৌৰৱ গগৈৰ বিৰুদ্ধে তীব্ৰ বিষোদগাৰ প্ৰকাশ কৰে। প্ৰতিবাদকাৰীসকলে গৌৰৱ গগৈৰ বিৰুদ্ধে বিভিন্ন শ্ল'গানেৰে পাগলাস্থানৰ আকাশ-বতাহ উত্তাল কৰি তোলে। বিজেপিৰ অভিযোগ অনুসৰি, সাংসদ গৌৰৱ গগৈৰ পাকিস্তানৰ সৈতে গোপন সম্পৰ্ক আছে। এই প্ৰসংগ টানি আনি বঙাইগাঁও জিলা বিজেপিৰ সভাপতি উজ্জ্বল কান্তি ৰায়ে গৌৰৱ গগৈক পোনপটীয়াভাৱে 'পাকিস্তানৰ এজেণ্ট' আখ্যা দিয়ে। ৰায়ে কয় যে যি সময়ত মুখ্যমন্ত্ৰীয়ে গৌৰৱ গগৈৰ ৰহস্যজনক স্থিতি ফাদিল কৰিছে, তেনে সময়ত এনে দেশবিৰোধী শক্তিক অসমৰ ৰাইজে কেতিয়াও ক্ষমা নকৰে। আজিৰ এই প্ৰতিবাদী কাৰ্যসূচীত জিলা সভাপতি উজ্জ্বল কান্তি ৰায়ৰ লগতে বিজেপিৰ জিলা প্ৰভাৰী ডাঃ মৃণাংকৰ তালুকদাৰ, বিজেপিৰ ৰাজ্যিক কাৰ্যনিৰ্বাহক সদস্য ডাঃ ইতেশ বৰদলৈ সহ জিলাখনৰ বহুকেইগৰাকী শীৰ্ষ নেতা আৰু শতাধিক কৰ্মী উপস্থিত থাকে। প্ৰতিবাদকাৰীসকলে স্পষ্ট কৰি দিয়ে যে দেশৰ স্বাৰ্থৰ বিৰুদ্ধে কাম কৰা কোনো ব্যক্তিকে তেওঁলোকে ৰাজনৈতিকভাৱে ৰেহাই নিদিয়ে।

### তিনি শতাধিক মহিলাৰ দিহা-নাম পৰিৱেশন

# একশৰণ মহাপুৰুষীয়া ভাগৱতী সমাজৰ ৩৬ সংখ্যক প্ৰতিষ্ঠা দিৱস পালন

**অসম বাৰ্তা, আমগুৰি, ১০ ফেব্ৰুৱাৰী ঃ** সাম্প্ৰতিক সময়ত ধৰ্মীয়, আধ্যাত্মিক আৰু আৰ্থিক সমগ্ৰ দিশত সমাজখনক আগুৱাই নিয়া এক ধৰ্মীয় অনুষ্ঠান হ'ল একশৰণ মহাপুৰুষীয়া ভাগৱতী সমাজ। এই ধৰ্মীয় অনুষ্ঠানটোৰ ৩৬ বছৰ উপলক্ষে যোৰহাট জিলাৰ মৰিয়নী সমষ্টিৰ গাভৰু গড়চুক গাঁৱৰ সেৱাশ্ৰম প্ৰাথমিক শাখাৰ গুৰুগৃহত যোৱা শনিবাৰে দিনজোৰা কাৰ্যসূচীৰে পালন কৰে। পুৱা পৰিৱেশ নিকাকৰণ, বন্তি প্ৰজ্বলনৰ পাছত মুকুট ফুকনে তোৰন উদ্বোধন কৰে। জীতেন গগৈ আৰু নিপেন গগৈয়ে গছপুলি ৰোপণ কাৰ্যসূচী ৰূপায়ণ কৰে। ইয়াৰ পিছতেই কেন্দ্ৰীয় সভাপতি ইন্দ্ৰেশ্বৰ গগৈ আৰু পুব যোৰহাট আঞ্চলিকৰ উপ সভাপতি ভুৱন গগৈয়ে ধৰ্মধ্বজা উত্তোলন কৰে। কাৰ্যসূচী অনুসৰি পুৰ্ণানন্দ গগৈয়ে সমাজৰ প্ৰতিষ্ঠাপক সভাপতি প্ৰয়াত সুৰেন গগৈ সোঁৱৰণী ক্ষেত্ৰ আনুষ্ঠানিকভাৱে উদ্বোধন কৰে।



নামাচাৰ্য ৰঞ্জিত গগৈৰ পৰিচালনাত অনুষ্ঠিত নাম প্ৰসংগৰ অন্তত বকুল গগৈৰ সঞ্চালনাত এখনি ধৰ্মালোচনী অনুষ্ঠিত হয়। সভাৰ উদ্বোধন কৰে অৱন বুঢ়াগোহাঁইয়ে। সভাৰ আৰম্ভণিতে অনুপমা গগৈয়ে এটি বৰগীত পৰিবেশন কৰে। সভাত চেলেংহাট প্ৰেছ ক্লাবৰ সভাপতি মদন মোহন পাগবন্ধাই "বাতৰিৰ শিৰোনাম" উন্মোচন কৰে। সভাত বিশিষ্ট অতিথি ৰূপে বিশিষ্ট সমাজকৰ্মী যদুনাথ বুঢ়াগোহাঁই উপস্থিত থাকে। ইয়াৰ পিছতেই অনুষ্ঠানৰ মুখ্য আকৰ্ষণ বিশিষ্ট অনাতাঁৰ শিল্পী ৰুণু বৰগোহাঁই বড়াৰ পৰিচালনাত তিনি শতাধিক মহিলাৰ এক দিহা নাম পৰিবেশন কৰা হয়। সভাতেই চেলেংহাট প্ৰেছ ক্লাবৰ সাংবাদিক সকলক সম্বৰ্ধনা জনায়। সন্ধিয়ালৈ অনুষ্ঠান স্থলীত ৩৬গছি বন্তি প্ৰজ্বলন কৰা হয়। বন্তিপ্ৰজ্বলন আৰম্ভণি কৰে টংকেশ্বৰ গগৈয়ে।

# লখিমপুৰ চহৰত ৰাজ্যিক ভিত্তিত বহুভাষিক কবি সন্মিলন, সম্প্ৰীতিৰ এসাঁজৰ বিবিধানুষ্ঠান

## পদ্মশ্ৰী ড° উদ্ধৱ কুমাৰ ভড়ালীলৈ 'যন্ত্ৰ মানৱ বঁটা' প্ৰদান

## ১৯ বৰেণ্যক বঁটা প্ৰদান, ৫খন গ্ৰন্থ উন্মোচন

**অসম বাৰ্তা, লীলাবাৰী, ১০ ফেব্ৰুৱাৰী ঃ** অসমৰ শক্তিশালী কাব্য, সাহিত্য, সংস্কৃতিৰ অনুষ্ঠান লখিমপুৰ জিলা বহুভাষিক কবি সন্মিলন, অসম বহুভাষিক কাব্য কাননৰ সৌজন্যত বিগত বছৰ সমূহৰ দৰেই এই বেলিও ৮ ফেব্ৰুৱাৰীত প্ৰীতি সন্মিলন, অন্তৰঙ্গ আলাপ, গ্ৰন্থ উন্মোচন, বঁটা প্ৰদান, বৰেণ্যক বৰণ, গীতে মাতে 'ৰাজ্যিক ভিত্তিক বহুভাষিক কবি সন্মিলন আৰু সম্প্ৰীতিৰ এসাঁজ'ৰ ব্যতিক্ৰমী অনুষ্ঠানটি লখিমপুৰ চহৰৰ টাউন মডেল স্কুল প্ৰাংগণত বৰ্ণাঢ্য কাৰ্যসূচীৰে দিনজোৰাকৈ অনুষ্ঠিত হৈ যায়। পুৱা ১০ বজাত বন্তি প্ৰজ্বলন, স্মৃতি তৰ্পণৰ মাংগলিক কাৰ্যসূচী দুটি ২২ গৰাকী কবি, গীতিকাৰ, সাহিত্যিক, শিক্ষাবিদ, ক্ৰীড়াবিদ মণ্ডলীয়ে শুভাৰম্ভ কৰে। ইয়াৰ পাছতে প্ৰীতি সন্মিলন, অন্তৰংগ আলাপ, বঁটা প্ৰদান, গ্ৰন্থ উন্মোচন, বৰেণ্যক বৰণ, গীতে-মাতে ৰাজ্যিক ভিত্তিক বহুভাষিক কবি সন্মিলন আৰু সম্প্ৰীতিৰ এসাঁজ বিবিধানুষ্ঠানৰ কাৰ্যসূচী সফল ৰূপায়ণ হয়। অসম বহুভাষিক কাব্য কানন, লখিমপুৰ জিলা বহুভাষিক কবি সন্মিলনৰ সভানেত্ৰী মায়া সন্দিকৈৰ পৌৰোহিত্যত, উপদেষ্টা কুশল শইকীয়াৰ পৰিচালনাত অনুষ্ঠিত অনুষ্ঠানটি সুধাকণ্ঠ ভূপেন হাজৰিকাৰ 'মানুহে মানুহৰ বাবে যদিহে অকণো নাভাবে' কালজয়ী সংগীতেৰে শুভাৰম্ভ কৰে ইণ্ডিৰা ভৰালী দাসৰ নেতৃত্বাধীন দলটি-সভাসদসকলে। সন্মিলনখনি অনুপম কবিতাৰ চিত্ৰকল্প, কথা কবিতাৰে উদ্বোধন কৰি পদ্মশ্ৰী ড° উদ্ধৱ কুমাৰ ভড়ালীয়ে মন্ত্ৰমুগ্ধ কৰে। অসম বহুভাষিক কবি সন্মিলনৰ কেন্দ্ৰীয় সমিতিৰ কাৰ্যকৰী সভাপতি, অসম বহুভাষিক কাব্য কানন, লখিমপুৰ জিলা বহুভাষিক কবি সন্মিলনৰ সাধাৰণ সম্পাদক, যুৱ সাহিত্যিক কাব্যপ্ৰাণ ৰূপজ্যোতি দত্ত কোচে আদৰণী অভিভাষণ আগবঢ়াই কবিতাৰ পংক্তিৰে আৰম্ভণিৰ পৰা সামৰণিলৈকে আঁতধৰি সমগ্ৰ অনুষ্ঠানটিক কাব্যময় ৰূপ দিয়ে। সভাত বঁটাদাতা ৰূপে অংশ লৈ প্ৰেমধৰ বৰাই বিভিন্ন ক্ষেত্ৰত অনবদ্য অৱদান আগবঢ়োৱা ১৯ গৰাকী বৰেণ্য ব্যক্তিক ক্ৰমে যন্ত্ৰ মানৱ বঁটা, মহীৰূহ, কাব্য-ৰত্ন উপাধি, সুন্দৰৰ সাধনা বঁটা, সমাজ-হিতৈষী বঁটা, লখিমপুৰ গৌৰৱ বঁটা, লখিমপুৰ সৌৰভ বঁটা, বহুভাষিক প্ৰেৰণা বঁটা, কাব্য সুৰভি বঁটা, সমাজ সৌৰভ বঁটা, কাব্য কুঞ্জ বঁটা প্ৰদান কৰে। নৃত্য-গীত, কবিতাৰ ফাঁকে ফাঁকে ড° উদ্ধৱ কুমাৰ ভড়ালীক যন্ত্ৰ মানৱ বঁটা, প্ৰেমধৰ বৰাক মহীৰূহ উপাধি, শশীধৰ দেউৰীক সুন্দৰৰ সাধনা বঁটা, ৰূপজ্যোতি দত্ত কোচক কাব্য-ৰত্ন উপাধি, প্ৰশান্ত কুমাৰ বৰা, দণ্ডী তামোলী ফুকনক লখিমপুৰ গৌৰৱ বঁটা, পোৱাল চন্দ্ৰ দেউৰী, বাণেশ্বৰী গগৈ, ৰ'জমণি দাসক লখিমপুৰ সৌৰভ বঁটা, বীৰেণ নেওগ, আলহাজিন ৰেহানা বানুক সমাজ-হিতৈষী বঁটা, গোলাপী বৰা, ফণীধৰ দেউৰী, কল্পনা দত্তক প্ৰেৰণা বঁটা, অৰুণ বৰা, অজয়া দত্তক কাব্য সুৰভি বঁটা, উমা দেউৰীক সমাজ সৌৰভ বঁটা, প্ৰতিমা মহন্ত, সুন্তি মিত্ৰক কাব্য কুঞ্জ বঁটা প্ৰদান কৰে। উক্ত বঁটাত শৰাই, স্মাৰক, প্ৰশস্তি পত্ৰ, জাপি, কলম, চেলেং, গামোচা, অমৰ লতাৰ ডাল, ফুলৰ গুটি, কাব্যগ্ৰন্থ আদিৰে পূৰ্ণ ১৯টা বঁটাৰ ভিতৰত প্ৰয়াত যুগল কিশোৰ মালপানী, ৰাম দুলাৰী মালপানী, ৰাজেশ মালপানীৰ সোঁৱৰণীত ৩টা বঁটা উৎসৰ্গিত আছিল। অনুষ্ঠানত বঁটা প্ৰদাতাৰূপে অংশ লৈ সাৰগৰ্ভ বক্তব্যৰে সভাসদক আপ্লুত কৰি উদঙণি যোগায় প্ৰেমধৰ বৰা, ড° পুষ্প নাথ বৰাই। ভাৰতবৰ্ষৰ যশস্বী সাহিত্যিক বিশ্বজিৎ মিশ্ৰ, টাই টাণ্ড, মৰজুম লঙ্গ, বুদ্ধিজীৱী শৈলেন্দ্ৰ প্ৰসাদ শৰ্মাই প্ৰত্যয়পূৰ্ণ কথা-কবিতা, ভাস্কৰজ্যোতি শৰ্মা, নিত্যানন্দ্ৰ উপাধ্যায়ে কবিতা, ড° দিলীপ কুমাৰ ঝাই কবিতা, গুৱাহাটীৰ ড° আৰমেদা আহমেদ, দিপিকা দেৱী, যোৰহাটৰ অৰুণ বৰা, মমিনা খাতুন, তিনিচুকীয়াৰ পুণ্যলতা কোচ, ডুমডুমাৰ গীতা মিশ্ৰ, তিলক কলিতা, ডিব্ৰুগড়ৰ ৰেহাণা বানু, গহপুৰৰ গিৰধাৰী উপাধ্যায়, ধেমাজীৰ লক্ষিপ্ৰভা কাতনী, ৰেণুমাই সন্দিকৈ, জিলা সাহিত্য সভাৰ সভাপতি সঞ্জীৱ কুমাৰ উপাধ্যায় আদিয়ে অতিথিৰূপে অংশ লৈ অসমীয়া, হিন্দী কবিতা আবৃত্তিৰে আপ্লুত কৰে। কবি-সাহিত্যিক, ক্ৰীড়া সংগঠক, সু-শিক্ষক, জ্যেষ্ঠ সাংবাদিক, সমাজ সাংস্কৃতিক সেৱক ধৰ্মেশ্বৰ গগৈ, দণ্ডী তামোলী ফুকন, দেৱিকা শৰ্মা, মইদুল লেতিফ বৰুৱা, চন্দ্ৰনাথ দাস, আব্দুছ ছাত্তাৰ, লটিফুল আহমেদ হুছেইন, মুফতি আব্দুল হাছিৰ, সুদিপ্ত দাস, মিন্টু মিঞ্জুৰ, জিয়াউল আলী, বাবু মুখাৰ্জী, ইছমাইল হুছেইন, অসম বহুভাষিক কবি সন্মিলনৰ কেন্দ্ৰীয় সাংগঠনিক সম্পাদক বিকাশ দত্ত আদি উপস্থিত থাকে। কবিতা, গীতৰ শৰাই, ঐনিতম আগবঢ়ায় গীত গগৈ, জয়প্ৰকাশ দত্ত, ৰঞ্জুমণি গগৈ, অজয়া দত্ত, কুশল শইকীয়া, ভোলানাথ দাস, ৰহানুদ্দিন আহমেদ, প্ৰত্যুষপ্ৰাণ দত্ত আদিয়ে গীত, উন্নাভ কাশ্যপে বাহী বাদন পৰিৱেশ কৰে। কবিতা, গীত, ঐনিতমেৰে মুখৰিত কবিতাৰ সভাত 'কবিতাৰ দলিচাত কবিৰ দুভৰি' অসমীয়া, সংস্কৃত, কোচ, ইংৰাজী, হিন্দী, দেউৰী, নেপালী, ছাদ্ৰী, মিচিং, বড়ো এই ১২ টি ভাষাত শদিয়াৰ পৰা ধুবুৰীৰ উপৰি সাতভনীৰ অন্তৰ্গত চুবুৰীয়া ৰাজ্য অৰুণাচল প্ৰদেশ, মেঘালয়, মিজোৰাম, মনিপুৰৰ ২৭জন কবি, অবিভক্ত লখিমপুৰৰ ৯৪ গৰকী কবিৰ কবিতাৰে সমৃদ্ধ কাব্য সংকলখন উন্মোচন কৰি যশস্বী কবি মৰজুম লঙ্গ, টাই টাণ্ডে 'কবিতাৰ দলিচাত কবিৰ দুভৰি'ৰ মুখ্য সম্পাদক প্ৰমুখ্যে সম্পাদনা সমিতি, লখিমপুৰ জিলা বহুভাষিক কবি সন্মিলন, বহুভাষিক কাব্য কাননৰ প্ৰয়াসক ভূয়সী প্ৰশংসা কৰে। গীত, কবিতা, নৃত্যৰে মুখৰিত অনুষ্ঠানটিত অসমীয়া, ইংৰাজী, হিন্দী, ছাদ্ৰী, উড়িয়া, দেউৰী, নেপালী, কোচ, মিচিং, টাই-আহোম, বড়ো, ভোজপুৰী, বাংলাকে ধৰি ১৩ টাৰো অধিক ভাষাত কবিতা পাঠ, আবৃত্তি কৰা ব্যতিক্ৰমধৰ্মী সন্মিলন খনিত ক্ৰমে ৭ বছৰীয়া শিশু কবি, আবৃত্তিকাৰ প্ৰত্যুষপ্ৰাণ দত্ত, নবীন-প্ৰবীণ কবি ড° দেৱিনা পামেগাম, ভাগ্যৱতী দেৱী, অধ্যাপক ৰাজজ্যোতি শইকীয়া, নৱনীতা দত্ত, ডাঃ সৌৰভ বৰুৱা, সীতা দেৱী, প্ৰতিমা বুঢ়াগোহাঁই, পদ্মা দেৱী, প্ৰশান্ত কুমাৰ বৰা, দেৱিকা শৰ্মা, অৰুণ বৰা, ইছমাইল হুছেইন, চন্দ্ৰনাথ দাস, শেৱালি বুঢ়াগোহাঁই, দলী মুদৈ, ঘনকান্ত বড়ী, জোনমণি বৰগোহাঁই, তাহেৰা খাতুন, লুকুমণি গগৈ, বুলি চুতীয়া, বাবুদেৱ পাণ্ডে, বিভূতি গগৈ, মাধৱ দেউৰী, ৰেখা শৰ্মা হাজৰিকা, বিপুল দত্ত, ৰিতা দেউৰী, উষা বুঢ়াগোহাঁই, মামনি গগৈ, মানস প্ৰতিম দত্ত, ৰেখামণি দত্ত প্ৰমুখ্যে ৰাজ্যখনৰ তিনি শতাধিক কবি-সাহিত্যিক, শিক্ষাবিদে অংশ লৈ জীপাল কৰে। সভাত নিত্যানন্দ্ৰ উপাধ্যৰ দুখন কাব্যগ্ৰন্থ 'কোঠেবাৰী' আৰু 'নিৰ্জৰিণী'' উন্মোচন কৰে বিশ্বজিৎ মিশ্ৰ, টাই টাণ্ডে, লক্ষিপ্ৰভা কাতনীৰ গল্প পুথি ''বিয়লীৰ বৃন্দাৱন'' উন্মোচন কৰে প্ৰেমধৰ বৰা, শৈলেন্দ্ৰ প্ৰসাদ শৰ্মাই, সুন্তি মিত্ৰৰ কবিতা পুথি ''মা কিহেৰে পুঁজিম তোমাক'' উন্মোচন কৰে কুমুদ ৰঞ্জন হাজৰিকাই। সন্মিলনত বৰেণ্যক বৰণ শিতানত কাব্য-সাহিত্য, উদ্ভাৱনী ক্ষেত্ৰ, শিক্ষা, সংবাদ সেৱা, সংস্কৃতি, সমাজসেৱা, শিল্পকলা, চিকিৎসা সেৱা, গীতিকাৰ, কৃষি ক্ষেত্ৰ আদি ক্ষেত্ৰত অবদান আগবঢ়োৱা ডেৰশতাধিক বিশিষ্ট ব্যক্তি, কবিক গামোচা, প্ৰশংসা পত্ৰ, ৩ টাকৈ অমৰ লতাৰ ডাল, ফুলৰ গুটিৰে বৰণ কৰাৰ উপৰি সভাত উপস্থিত সকলোকে ঔষধি গুণসম্পন্ন অমৰ লতাৰ ডাল প্ৰদান কৰে। বিয়লি সঞ্চালক, জিলা সভানেত্ৰী মায়া সন্দিকৈয়ে ধন্যবাদসূচক মন্তব্য, গ্ৰন্থ উন্মোচক কুমুদ ৰঞ্জন হাজৰিকাই বিহুগীত, বিকাশ দত্তই চমু বক্তব্য, বহুভাষিকৰ কেন্দ্ৰীয় কাৰ্যকৰী সভাপতি কাব্যপ্ৰাণ ৰূপজ্যোতি দত্ত কোচে শলাগৰ শৰাই আগবঢ়াই সকলোকে ধন্যবাদ, কৃতজ্ঞতা জ্ঞাপন, আয়-ব্যয়ৰ বিৱৰণ দাঙি ধৰাৰ অন্তত সভাসদসকলে 'অ' মোৰ আপোনাৰ দেশ' গীতটিৰে অনুষ্ঠানটিৰ সামৰণি পৰে।

# আছুৰ ফুটবল প্ৰতিযোগিতাত বিজয় খিতাপ দখল যোৰহাট টাউন ক্লাৱৰ



**অসম বাৰ্তা, মাকুম, ১০ ফেব্ৰুৱাৰী ঃ** অসমৰ সৰ্ববৃহৎ ছাত্ৰ সংগঠন সদৌ অসম ছাত্ৰ সন্থাই জাতীয় জীৱনলৈ অহা প্ৰত্যাহ্বান সমূহৰ বিৰুদ্ধে যুঁজ দি অহাৰ উপৰিও অসমৰ শৈক্ষিক, অৰ্থনৈতিক, ক্ৰীড়া, সাহিত্য সংস্কৃতি ইত্যাদি বিভিন্ন দিশত আগবাঢ়ি যোৱাৰ ক্ষেত্ৰত সামগ্ৰিকভাৱে কাৰ্যসূচী গ্ৰহণ কৰি আহিছে। এশ বছৰীয়া ইতিহাস গৰকা সদৌ অসম ছাত্ৰ সন্থাৰ অন্তৰ্গত অন্যতম শক্তিশালী জিলা তিনিচুকীয়া জিলা ছাত্ৰ সন্থাইও কেতবোৰ গুৰুত্বপূৰ্ণ কাৰ্যসূচী গ্ৰহণ কৰি আহিছে। তাৰ সমান্তৰাল ভাৱে উঠি অহা নৱ প্ৰজন্মক ক্ৰীড়া দিশটো আগুৱাই নিয়াৰ লক্ষ্যৰে সদৌ তিনিচুকীয়া জিলা ছাত্ৰ সন্থাৰ উদ্যোগত মাকুম আঞ্চলিক ছাত্ৰ সন্থাৰ সহযোগত আৰু মাকুমবাসী ৰাইজৰ আতিথ্যত ক্ৰীড়াৰ এটা সুস্থ বাতাবৰণ থকা মাকুম জ্যোতিনগৰ খেলপথাৰত যোৱা ইংৰাজী ১ ফেব্ৰুৱাৰী পৰা ৮ ফেব্ৰুৱাৰীলৈকে পোন প্ৰথমবাৰৰ বাবে এখনি ৰাজ্যিক পৰ্যায়ৰ আমন্ত্ৰণ মূলক প্ৰথম বাৰ্ষিক দিবা নৈশ ফুটবল প্ৰতিযোগিতা অনুষ্ঠিত কৰা হৈছিল। অসমৰ বিভিন্ন জিলাৰ যেনে পলো এফ চি ধেমাজি, মাকুম এফ চি, কাৰ্ছাং ক্লাৱ মাজুলি, বাৰেকুৰি এফ চি, যোৰহাট টাউন ক্লাৱ, ইউথেছ স্পৰ্টছ একাডেমী, গ্লোবেল এফ চি গোসাঁইগাঁও, আৰু নামৰূপ টাউন ক্লাৱ মুঠ ৮টা দলৰ মাজত ফুটবল প্ৰতিযোগিতাখনি অনুষ্ঠিত কৰা হৈছিল। এই ৮টা দলৰ খেলুৱৈ সকলে সুন্দৰভাৱে খেল প্ৰদৰ্শন কৰি অৱশেষত যোৰহাট টাউন ক্লাৱ বনাম কাৰ্ছাং ক্লাৱ মাজুলিৰ মাজত অনুষ্ঠিত হোৱা চূড়ান্ত প্ৰতিযোগিতাখনিত যোৰহাট টাউন ক্লাৱে ট্ৰাইব্ৰেকাৰৰ জৰিয়তে জয়লাভ কৰে। চূড়ান্ত প্ৰতিযোগিতাত প্ৰথম বিজয়ী খিতাপ দখল কৰা দলটোক ট্ৰফী সহ ১, ০০, ০০০ টকা আৰু দ্বিতীয় বিজয়ী দলটোক ট্ৰফীসহ ৬০, ০০০ টকা প্ৰদান কৰা হয়। আজিৰ চূড়ান্ত প্ৰতিযোগিতাখনিত মুখ্য অতিথি হিচাপে উপস্থিত থকা সদৌ অসম ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক সমীৰণ ফুকনে খেলুৱৈ সকলক উদ্দেশ্যি প্ৰেৰণামূলক ভাষণ প্ৰদান কৰাৰ লগতে নৱগঠিত মাকুম সমষ্টিটোত বিশেষকৈ মাকুমত এখন ভাল ষ্টেডিয়াম সহ খেলপথাৰ তৈয়াৰ কৰিবলৈ অসম চৰকাৰলৈ আহ্বান জনায়। লগতে মাকুমৰ আন্তঃগাঁথনি সমস্যা সমূহ অনতিপলমে দূৰ কৰিবলৈ আহ্বান জনায়। ৰাজ্যিক পৰ্যায়ৰ আমন্ত্ৰণ মূলক প্ৰথম বাৰ্ষিক দিবা নৈশ ফুটবল প্ৰতিযোগিতাৰ লগত সংগতি ৰাখি প্ৰকাশ কৰা 'কিক অফ' নামৰ স্মৃতি গ্ৰন্থ খনি উন্মোচন কৰে ডিগবৈৰ বিশিষ্ট সাহিত্যিক পুণ্য শইকীয়াই। চূড়ান্ত প্ৰতিযোগিতা খনি উপভোগ কৰিবলৈ হাজাৰ হাজাৰ দৰ্শক, বিভিন্ন জনগোষ্ঠীয় দল সংগঠনৰ বিষয়ববীয়া সকলৰ লগতে গণ্য-মান্য ব্যক্তি সকল উপস্থিত থাকে। বিগত আঠটা দিন ধৰি মাকুমত এখন ৰোমাঞ্চকৰময় খেল অনুষ্ঠিত হোৱাত সকলোৰে সহায় সহযোগিতা আগবঢ়োৱাৰ বাবে সকলোকে ধন্যবাদ আৰু কৃতজ্ঞতা জনায় তিনিচুকীয়া জিলা ছাত্ৰ সন্থাৰ সভাপতি প্ৰতিম নেওগ, সম্পাদক কনচেং গগৈ আৰু অভ্যৰ্থনা সমিতিৰ হৈ সভাপতি অনন্ত ফুকন, সম্পাদক প্ৰবেন ফুকনৰ লগতে মাকুম আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি শিৱা দাস, সম্পাদক মনোৰম চুতীয়াই।

# মাকুমত নিশা দুটাকৈ স্থানত পথ দুৰ্ঘটনা

**অসম বাৰ্তা মাকুম, ১০ ফেব্ৰুৱাৰী ঃ** মাকুমত নিশা দুটাকৈ স্থানত পথ দুৰ্ঘটনা সংঘটিত হয়। মাকুম চহৰৰ মাজমজিয়াত আৰু আনটো আনন্দবাগ বাইপাছ তিনি আলিত দুৰ্ঘটনাটো সংঘটিত হয়। মাকুম চহৰৰ মাজমজিয়াত হোৱা পথ দুৰ্ঘটনাটো এ এচ জিৰ'আৰ ৫৩৩২ নম্বৰৰ এখন গ্লেমাৰ বাইকত অহা। দুজন বাইক আৰোহীয়ে ৰে'লৰে ৰেলিঙত খুন্দা মৰাৰ ফলত সংঘটিত হয়। দুৰ্ঘটনাটোৰ ফলত বাইক আৰোহী দুজন আঘাতপ্ৰাপ্ত হয়। ঘটনাস্থলীত মাকুম থানাৰ আৰক্ষী উপস্থিত হৈ ততাতৈয়াকৈ আঘাতপ্ৰাপ্ত দুয়োকে মাকুমস্থিত তিনিচুকীয়া চিকিৎসা মহাবিদ্যালয়লৈ নিয়া হয় যদিও এজনৰ অৱস্থা গুৰুতৰ হোৱাত ডিব্ৰুগড় অসম চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰা হয়। উক্ত দুৰ্ঘটনাটোত পতিত হোৱা দুজন ক্ৰমে মাকুম জ্যোতিনগৰ খেৰবাৰীৰ প্ৰহ্লাদ পাহাৰীয়া (১৭)আৰু প্ৰণৱ পাহাৰীয়া (২৫)। ইপিনে আনন্দবাগ বাইপাছ তিনি আলিত সংঘটিত পথ দুৰ্ঘটনাত এ এচ ২৩ এ জে ৯৭৭৮ নম্বৰৰ বাইকত অহা এজন বাইক আৰোহী গুৰুতৰ ভাৱে আঘাতপ্ৰাপ্ত হয়। ঘটনাস্থলীত মাকুম থানাৰ আৰক্ষী উপস্থিত হৈ সংকটজনক অৱস্থাত থকা বাইক আৰোহী জনক চিকিৎসালয়লৈ প্ৰেৰণ কৰা হয় যদিও চিকিৎসালয়ত নিহত হয়। নিহত যুৱকজন তিনিচুকীয়া জিলাৰ ঔগুৰি গাঁৱৰ জহন ওৰাং (৩৩) বুলি জানিবলৈ পৰা যায়।

# নিকাছি জ্ঞানপীঠ কলেজত বহুভাষিক কবি সমাৰোহ সম্পন্ন

**অসম বাৰ্তা, বাগানপাৰা, ১০ ফেব্ৰুৱাৰী ঃ** বাক্সা জিলাৰ নিকাছি জ্ঞানপীঠ কলেজৰ অসমীয়া, বড়ো, নেপালী বিভাগৰ উদ্যোগত আৰু নিকাছি কবি সমাজৰ সহযোগত ৮ ফেব্ৰুৱাৰীত নিকাছি জ্ঞানপীঠ কলেজত অসম কবি সমাজ, কবি বিপুল কুমাৰ দত্ত সোঁৱৰণী বহুভাষিক কবি সমাৰোহ অনুষ্ঠিত হয়। আৰম্ভণিতে নিকাছি অঞ্চলৰ বিশিষ্ট সমাজকৰ্মী তথা বয়োজ্যেষ্ঠ নাগৰিক দয়ানন্দ ভাণ্ডাৰীয়ে বন্তি প্ৰজ্বলন কৰি কবি সমাৰোহৰ শুভাৰম্ভ কৰে। নিকাছি কবি সমাজৰ সহযোগত আয়োজিত বহুভাষিক কবি সমাৰোহ খনি সঞ্চালনা কৰে ড° হিমানী হালৈৱে। অঞ্চলৰ প্ৰায় এশৰো অধিক নবীন-প্ৰবীন কবিয়ে স্ব-ৰচিত কবিতা পাঠ কৰি অনুষ্ঠানটি জীপাল কৰি তোলে। কবিতাৰ কাব্যিক ছন্দত প্ৰাণময়ী হৈ উঠে বহুভাষিক কবি সমাৰোহ। নবীন-প্ৰবীন কবিৰ স্ব- ৰচিত কবিতা পাঠেই অঞ্চললৈ নৱ-প্ৰজন্মলৈ আশাৰ বতৰা কঢ়িয়াই আনিছে।

সৰুপথাৰত সদৌ অসম আদিবাসী ছাত্ৰ সন্থাৰ উত্তাল প্ৰতিবাদ

# জনজাতিকৰণ দিয়াৰ নামত আমাক চৰকাৰে কেৱল প্ৰতাৰণা কৰি আহিছে



**ষ্টাফ ৰিপ'ৰ্টাৰ, সৰুপথাৰ, ১০ ফেব্ৰুৱাৰী ঃ** সদৌ অসম আদিবাসী ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সমিতিৰ নিৰ্দেশ মৰ্মে সোমবাৰে সদৌ অসম আদিবাসী ছাত্ৰ সন্থা গোলাঘাট জিলা সমিতি আৰু সৰুপথাৰ সমজিলা সমিতিৰ উদ্যোগত জনজাতিকৰণৰ দাবীৰে সৰুপথাৰ নগৰৰ মাজমজিয়াত এক উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। প্ৰতিবাদী কাৰ্যসূচীত সংগঠনটোৱে দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী আৰু ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ জুমুঠি দাহ কৰে। ছাত্ৰ সংগঠনটোৰ বিষয়ববীয়া সকলে কয় কেন্দ্ৰীয় চৰকাৰ আৰু অসম চৰকাৰে আমাক জনজাতিকৰণ দিয়াৰ নামত কেৱল প্ৰতাৰণা কৰি আহিছে। সদনৰ মজিয়াত আমি কোনোদিনেই জনজাতিকৰণৰ বিষয়টো উত্থাপন কৰা দেখা নাই। তেওঁলোকে সৰুপথাৰ সমষ্টিৰ বিধায়ক বিশ্বজিৎ ফুকনকো সকিয়নি প্ৰদান কৰি আদিবাসী জনজাতিক লৈ ৰাজনীতি কৰা বন্ধ কৰিবলৈ কঠোৰ আহ্বান জনাই। আন আন সমষ্টিৰ বিধায়কে যদি সদনত জনজাতিকৰণৰ লগতে দৈনিক মজুৰি আৰু ভূমি পট্টাৰ কথা উলিয়াব পাৰে তেন্তে আমাৰ সমষ্টিৰ বিধায়কজনে সেই বিষয়ত কিয় নিমাত হৈ থাকে বুলিও প্ৰশ্ন কৰে। ২৬ৰ নিৰ্বাচনৰ পূৰ্বে যদি আদিবাসী সকলক জনজাতিকৰণৰ মৰ্যাদা প্ৰদান নকৰে তেন্তে অনাগত সময়ত আদিবাসী ছাত্ৰ সন্থাই তেওঁলোকৰ জনগোষ্ঠীয় প্ৰতিজন লোকৰ ঘৰে-ঘৰে গৈ বিজেপি চৰকাৰক পালি পোষাৰে উৎখাত কৰিবলৈ অনুৰোধ জনাব, অন্যথা আদিবাসী জাতি সংকটত পৰিব বুলি মন্তব্য কৰে। প্ৰতিবাদথলীত তেওঁলোক বিজেপি গ' বেক, বিজেপি চৰকাৰ কাম নাই, আমাক জনজাতিকৰণ লাগিবই, অসম চৰকাৰ হায় হায়, বিশ্বজিৎ ফুকন হায় হায়, হিমন্ত বিশ্ব শৰ্মা হায় হায় ইত্যাদি শ্ল'গানেৰে সমগ্ৰ পৰিৱেশ উত্তাল কৰি তোলে।

# চাহ জনগোষ্ঠীয় লোকৰ বৈষ্ণৱ ধৰ্ম গ্ৰহণ

**ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ১০ ফেব্ৰুৱাৰী ঃ** তিনিচুকীয়া জিলাৰ ফিল'বাৰী ৰবৰগুৰি সোণোৱাল গাঁৱৰ নামঘৰত আউনীআটী সত্ৰৰ সত্ৰাধিকাৰ শ্ৰীশ্ৰীপীতাম্বৰ দেৱগোস্বামীৰ পদাৰ্পন উপলক্ষে আয়োজিত শৰণ-ভজন দিয়া কাৰ্যসূচীত অন্যান্য ভকতৰ লগতে বৰডুবি আৰু দাইচাজান চাহ বাগিচাৰ কেইগৰাকীও চাহ জনগোষ্ঠীয় লোকে যুগ পুৰুষ শ্ৰীমন্ত শংকৰদেৱ গুৰুজনাৰ দ্বাৰা প্ৰৱৰ্তিত একশৰণ নাম ধৰ্মৰ প্ৰতি আস্থা প্ৰকাশ কৰি বৈষ্ণৱ ধৰ্মত দিক্ষিত হয়। দেওবাৰে ৭ গৰাকী মহিলা আৰু ৮ গৰাকী পুৰুষে শৰণ লয় সত্ৰাধিকাৰগৰাকীৰ ওচৰত শৰণ লয়। চাহ জনগোষ্ঠীয় সত্ৰীয়া ন্যাসৰ উদ্যোগত এইসকল লোকে শৰণ গ্ৰহণ কৰে। ইয়াৰ পূৰ্বে যোৱা ৭ ফেব্ৰুৱাৰীৰ সন্ধিয়া চামডাং চাহ বাগিচাৰ মেচাইজান বৰ নামঘৰৰ চাহ জনগোষ্ঠীয় ভকত বৈষ্ণৱসকলে ৰবৰগুৰি সোণোৱাল গাঁৱৰ নামঘৰত নাম-প্ৰসঙ্গ কৰে বুলি ন্যাসৰ সভাপতি প্ৰকাশ দত্ত, সম্পাদক অজিত কৰ্মকাৰ আৰু সহকাৰী সম্পাদক পদ্মন মহানন্দই জনাইছে।

# ৰাজহুৱা খেলপথাৰ বেদখলৰ প্ৰতিবাদত বিশাল ৰাজহুৱা সভা

**অসম বাৰ্তা, নিমাতীঘাট, ১০ ফেব্ৰুৱাৰী ঃ** বিগত ১০০ বছৰে ৰাইজৰ দখলত থকা চাৰিগাঁও ভৰালীচুকৰ ২ নং পানী যোগান আঁচনিৰ কাষৰ ৰাজহুৱা খেলপথাৰ বেদখলৰ প্ৰতিবাদত আজি এখন বিশাল ৰাজহুৱা সভা অনুষ্ঠিত হয়। যোৰহাটৰ প্ৰাক্তন চীফ কাউন্সিলৰ তথা সমাজকৰ্মী ডিম্বেশ্বৰ বৰাৰ সভাপতিত্বত বৃহত্তৰ চাৰিগাঁও অঞ্চলৰ ৮ খন গাঁৱৰ সহস্ৰাধিক লোকৰ উপস্থিতিত অনুষ্ঠিত সভাত ২ ফেব্ৰুৱাৰীত দুগৰাকী অচিনাক্ত যুৱতীয়ে খেলপথাৰখনত গাড়ীৰে মাটি পেলাই, বাহৰ গৃহ নিৰ্মাণ কৰি বেদখলৰ আৰম্ভণি কৰা কাৰ্যৰ তীব্ৰ প্ৰতিবাদ জনায়। সভাত স্থানীয় চৰকাৰী গাঁও প্ৰধান ৰাজীৱ লিখক, ৩৩ নং গাঁও পঞ্চায়তৰ সভাপতি তথা বিশিষ্ট চন্দন বৰা, সমাজকৰ্মী যতীন শইকীয়া, অণ্টু কুমাৰ দত্ত, ৰণজিত ভৰালী, জিতেন বৰা প্ৰমুখ্যে বহু কেইজন বিশিষ্ট ব্যক্তি উপস্থিত থাকে। যুগ যুগান্তৰৰ পৰা নিকটৱৰ্তী ভৰালীচুক, হাতীবৰুৱা, কাঁঠনিয়াৰকুৰি, বামুণ গাঁও, বৰদলৈ চুবুৰী, পঞ্চৰতী, বাহনা, নাথ গাঁও, পূব চেঙেলী গাঁও, কেন্দুগুৰি, বামুণ গাঁও আদিৰ ৰাইজে পৰা ২ নং চৰকাৰী পানী যোগান আঁচনিৰ কাষৰ ৰাজহুৱা খেলপথাৰখন বিভিন্ন সামাজিক, সাংস্কৃতিক তথা ক্ৰীড়ামূলক কৰ্মৰ বাবে ব্যৱহাৰ কৰি আহিছে। খেল পথাৰখন দখল কৰা অচিনাক্ত বেদখলকাৰীক ৰাইজে প্ৰথমে সকয়িনী প্ৰদান কৰে। কিন্তু বেদখলকাৰীয়ে বেদখল বন্ধ নকৰাত স্থানীয় ৰাইজে জিলা আয়ুক্ত, জিলাৰ ৰাজহ বিভাগৰ অতিৰিক্ত আয়ুক্ত, চক্ৰ বিষয়াক মীমাংসাৰ বাবে স্মাৰক পত্ৰ প্ৰদান কৰে। প্ৰতিবাদী ৰাজহুৱা সভাত তৰুণ শৰ্মা, কমলচন্দ্ৰ দত্ত, ৰাজেন বৰা, ভানুমাই বৰা, চন্দন বৰাকে ধৰি ব্যক্তিসকলে খেলপথাৰখন অনাদি কালৰে পৰা ৰাইজৰ দখলত থকাৰ কথা প্ৰকাশ কৰে। ৰাজহুৱা সভাই খেলপথাৰ সংৰক্ষণৰ বাবে এখন সমিতি গঠন কৰাৰ লগতে খেলপথাৰত ৰাইজৰ দখল অব্যাহত ৰখাৰ সিদ্ধান্ত লয় আৰু বেদখলকাৰীক সকীয়নী প্ৰদান কৰে। সভাই খেলপথাৰত পুনৰ বেদখল হ'লে ৰাজহুৱা ভাৱে প্ৰতিহত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে আৰু প্ৰশাসনক এই বিষয়ত গুৰুত্ব দিবলৈ আহ্বান জনায়। স্থানীয় বিধায়কৰ লগতে মুখ্যমন্ত্ৰীৰ হস্তক্ষেপ কামনা কৰি তৎকালে স্মাৰকপত্ৰ প্ৰদান কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। ৰাজহুৱা খেলপথাৰ বেদখলকাৰীৰ পৰা মুক্ত নোহোৱা পৰ্য্যন্ত সভাই গণতান্ত্ৰিক আন্দোলন কৰাৰ পোষকতা কৰে।

# নাহৰকটীয়াত ভাৰতৰ প্ৰধানমন্ত্ৰী আৰু অসমৰ মুখ্যমন্ত্ৰীৰ পুত্তলিকা দাহ আছাৰ

**অসম বাৰ্তা, নাহৰকটীয়া, ১০ ফেব্ৰুৱাৰী ঃ** সদৌ অসম আদিবাসী ছাত্ৰ সন্থা (আছা) ডিব্ৰুগড় জিলা সমিতিয়ে জনজাতিকৰণৰ দাবীত নাহৰকটীয়া চহৰত আজি ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ পুত্তলিকা দাহ কৰি প্ৰতিবাদ সাব্যস্ত কৰে। প্ৰতিবাদ কাৰ্যসূচীত আছা কেন্দ্ৰীয় সমিতিৰ প্ৰচাৰ সম্পাদক মিঠুৰাজ কিস্কুৱে অংশগ্ৰহণ কৰি বিজেপি চৰকাৰক তীব্ৰ ভাষাৰে সমালোচনা কৰি নিৰ্বাচনৰ আগতে আদিবাসীসকলক জনজাতিকৰণ প্ৰদান কৰিবলৈ দাবী জনাই আৰু নিৰ্বাচন আগতে জনজাতিকৰণ নাপালে বিজেপি চৰকাৰক নিৰ্বাচনত উচিত প্ৰত্যুত্তৰ দিম বুলি হুংকাৰ দিয়ে। কাৰ্যসূচীত আছা ডিব্ৰুগড় জিলা সমিতিৰ সভাপতি গৌতম চাংগা, সাধাৰণ সমাদক মিখেল পুৰ্তীৰ লগতে বহু কেইজন আছাৰ কাযকৰ্তাই অংশগ্ৰহণ কৰে।

# ৰহা শালমৰা জাতীয় বিদ্যালয়ৰ প্ৰধান শিক্ষক ভূপেন কাকতিৰ মৃত্যুত শোকৰ ছাঁ

**অসম বাৰ্তা, ৰহা, ১০ ফেব্ৰুৱাৰী ঃ** ৰহা নগৰৰ ১ নং ৱাৰ্ডৰ বাসিন্দা তথা প্ৰধান শিক্ষক ভূপেন কাকতিৰ কালি গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত মৃত্যু হয়। ১৯৭০ চনত চাপৰমুখৰ নিকটৱৰ্তী আমতলাত জন্ম হোৱা ভূপেন কাকতিয়ে আমতলা প্ৰাথমিক বিদ্যালয়ত প্ৰাথমিক শিক্ষা, আমতলা প্ৰগতিশীল হাইস্কুলৰ পৰা মেট্ৰিক, ৰহা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত বিজ্ঞান শাখাত উত্তীৰ্ণ হৈ নগাঁৱৰ আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ পৰা ১৯৯১ চনত বিএচচি পাছ কৰে। ১৯৯৩ চনত পুথিমাৰি আঞ্চলিক হাইস্কুলত সহকাৰী শিক্ষক হিচাপে কৰ্মজীৱন আৰম্ভ কৰি কেইবছৰমান অবৈতনিক ভাৱে শিক্ষকতা কৰি ঘৰতেই আৰম্ভ কৰে এখন দোকান। পাছলৈ পুনৰ শিঙিমাৰি হাইস্কুলত সহকাৰী শিক্ষক হিচাপে কেইবছৰ মান চাকৰি কৰি সেই চাকৰি বাদ দি পিপৰা গাঁও জনজাতি হাইস্কুলত সহকাৰী শিক্ষক হিচাপে কেইমান মান থাকি ২০১০ চনৰ পৰা শালমৰা জাতীয় বিদ্যালয়ৰ প্ৰধান শিক্ষক হিচাপে মৃত্যুৰ সময়লৈকে সেৱা আগবঢ়াই ছিল। সুদীৰ্ঘ দিন অবৈতনিক হিচাপে চাকৰি কৰি জীৱন নিৰ্বাহ কৰা ভূপেন কাকতিয়ে পত্নীৰ লগত ৰহা গড়মাৰিত ঘৰসাজি বসবাস আৰম্ভ কৰিছিল। এই বছৰৰ জানুৱাৰী মাহৰ ৪ তাৰিখে পৰিয়ালৰ লগত মাজুলীলৈ ফুৰিবলৈ যোৱা ভূপেন কাকতি চিজাৰত আক্ৰান্ত হয়। প্ৰথমে নগাঁৱৰ চিমচ্ নাচিং হোমত চিকিৎসাধীন হৈ থকা অৱস্থাত কিছু উন্নতি হোৱাৰ বাবে ঘৰলৈ আনে যদিও পুনৰ আক্ৰান্ত হোৱাত গুৱাহাটীৰ চিকিৎসা মহাবিদ্যালয়ত ভৰ্তি কৰে। প্ৰায় এক পষেক জি এম চিত চিকিৎসাধীন অৱস্থাতে যোৱা কালি বিয়লি ৩ বজাত মৃত্যু হয়। ভূপেন কাকতিয়ে মাতৃ সুপ্ৰভা কাকতি, পত্নী তথা দীঘলিআটি ২০৩ নং মজলীয়া বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী অনিতা দেৱী, দুই অভিযন্তা পুত্ৰ অংশুমান কাকতি, পদ্মনাভ কাকতিকে ধৰি বন্ধুবৰ্গৰ লগতে পৰিয়ালৰ লোক সকলক ইহ-সংসাৰত এৰি থৈ গৈছে।

# বকোত সদৌ অসম প্ৰগতিশীল মঞ্চৰ জাগ্ৰত মহিলাৰ সুৰক্ষিত যাত্ৰাৰ সভা




**অসম বাৰ্তা, বকো, ১০ ফেব্ৰুৱাৰী ঃ** কামৰূপ জিলাৰ ভাৰতীয় জনতা পাৰ্টীৰ সহযোগত বকোত সদৌ অসম প্ৰগতিশীল মঞ্চৰ জাগ্ৰত মহিলাৰ সুৰক্ষিত যাত্ৰাৰ প্ৰথম বাৰ্ষিক সভা। প্ৰথম বাৰ্ষিক সভাখন বকো আঞ্চলিক সুঁৱৰি ৰংগমঞ্চত এদিনীয়া বৰ্ণাঢ্য কাৰ্যক্ৰমণিকাৰে অনুষ্ঠিত হৈ যায়। সদৌ অসম প্ৰগতিশীল মহিলা মঞ্চৰ সভানেত্ৰী নিভা অধিকাৰী আৰু সম্পাদিকা লিপিকা তালুকদাৰে সাংবাদিকক জনোৱা অনুসৰি, পুৱা পতাকা উত্তোলনৰ পিছতে বন্তিপ্ৰজ্বলন ও হিয়াৰ আমঠু জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ আৰু গছপুলি বিতৰণৰ লগতে অন্যান্য কাৰ্যসূচী ৰূপায়ণ কৰা হয়। উল্লেখ্য যে, সমাজত মূলতঃ নাৰী সবলীকৰণ, মহিলা সকলক উচিত মান মৰ্যাদাৰে সন্মান প্ৰদান কৰা, লাঞ্চিত, বঞ্চিত তথা নিপীড়িত মহিলা সকলক উদ্ধাৰ কৰা, বাল্যবিবাহৰ বিৰুদ্ধে সজাগতা সৃষ্টি কৰা, ধৰ্ষণ প্ৰতিৰোধ কৰা আৰু মাদক দ্ৰব্য ৰোধ কৰাকে প্ৰমুখ্যে কৰি কেইবাটাও লক্ষ্য উদ্দেশ্য লৈ গঠন কৰা হৈছে মহিলা সমাজৰ অন্যতম উমৈহতীয়া মঞ্চ সদৌ অসম প্ৰগতিশীল মহিলা মঞ্চ। এক মনোজ্ঞ পৰিৱেশত অনুষ্ঠিত কাৰ্যসূচীত গুৱাহাটী পৌৰ নিগমৰ মেয়ৰ তথা বকো ছয়গাঁও সমষ্টিৰ বিজেপিৰ প্ৰাৰ্থীত্ব প্ৰত্যাশী মৃগেন শৰণীয়া, ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ কাৰ্যবাহী সদস্য নগৰমল স্বৰ্গীয়াৰী, বকো আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া মুন্না পাচনী, দক্ষিণ কামৰূপ জিলা বিজেপিৰ সভাপতি অঞ্জন গোস্বামী, বিজেপিৰ নেত্ৰী টিনামণি দৈমাৰী, যুৱ কাৰ্যকৰ্তা বিক্ৰম কলিতা, বকোৰ কণ্ঠশিল্পী ৰামকিষাণ দাসৰ লগতে কেইবাগৰাকী বিশিষ্ট আমন্ত্ৰিত অতিথি আৰু সংগঠনটোৰ বিভিন্ন শাখাৰ মহিলা সকল উপস্থিত থাকে।

২৭ ডিচেম্বৰ, ২০২৫ত প্ৰকাশ হৈছিল খচৰা ভোটাৰ তালিকা

# বিশ্বনাথ জিলাৰ তিনিওটা বিধানসভা সমষ্টিৰ ফটোযুক্ত চূড়ান্ত ভোটাৰ তালিকা প্ৰকাশ

## সন্নিৱিষ্ট হৈছে সৰ্বমুঠ ৫, ১৩, ৫৯৯ গৰাকী ভোটাৰ

**অসম বাৰ্তা, বিহালী, ১০ ফেব্ৰুৱাৰী ঃ** পহিলা জানুৱাৰী, ২০২৬ যোগ্যতাৰ ভিত্তি তাৰিখ হিচাপে লৈ ভাৰতৰ নিৰ্বাচন আয়োগৰ সংশোধিত সময়সূচী অনুসৰি বিশ্বনাথ জিলাৰ অন্তৰ্গত তিনিওটা বিধানসভা সমষ্টি ক্ৰমে ৭০ নং বিশ্বনাথ, ৭১ নং বিহালী (অনুসূচীত জাতি) আৰু ৭২ নং গহপুৰ বিধান সভা সমষ্টিৰ ফটোযুক্ত চূড়ান্ত ভোটাৰ তালিকা (Final Photo Electoral Roll) আজি প্ৰকাশ কৰা হয়। বিশ্বনাথৰ জিলা আয়ুক্তৰ সন্মিলন কক্ষত আজি বিয়লি ১ বজাত অনুষ্ঠিত হোৱা এখন সংবাদমেলত বিশ্বনাথৰ জিলা আয়ুক্ত তথা জিলা নিৰ্বাচনী বিষয়া লক্ষ্মীনন্দন চহৰীয়াই এই কথা সদৰি কৰে। সেই অনুসৰি আজি ১০ ফেব্ৰুৱাৰী, ২০২৬ তাৰিখে প্ৰকাশ কৰা ফটোযুক্ত চূড়ান্ত ভোটাৰ তালিকাত জিলাখনৰ তিনিওটা বিধানসভা সমষ্টিত সৰ্বমুঠ ৫, ১৩, ৫৯৯ গৰাকী ভোটাৰৰ নাম সন্নিবিষ্ট কৰা হৈছে। সংবাদমেলত প্ৰকাশ কৰা তথ্য অনুসৰি, ৭০ নং বিশ্বনাথ বিধানসভা সমষ্টিত সন্নিবিষ্ট হৈছে মুঠ ১, ৮৭, ৮২১ গৰাকী ভোটাৰ। ইয়াৰে ৯৩, ২০৬ গৰাকী পুৰুষ আৰু ৯৪, ৬১৫ গৰাকী মহিলা। খছৰা ভোটাৰ তালিকা প্ৰকাশ হোৱাৰ পাছত বিশ্বনাথ বিধানসভা সমষ্টিৰ চূড়ান্ত ভোটাৰ তালিকাত মুঠ ৪০০৭ গৰাকী ভোটাৰৰ নাম নতুনকৈ সংযোগ হোৱাৰ বিপৰীতে ৬৮১৩ গৰাকী ভোটাৰৰ নাম কৰ্তন কৰা হয়। চূড়ান্ত ভোটাৰ তালিকা অনুসৰি এই সমষ্টিটোত ভোটাৰৰ লিংগ অনুপাত হৈছে ১০১৫, ভোটাৰৰ জনসংখ্যা অনুপাত ৬৩.০৮ শতাংশ আৰু জনসংখ্যা লিংগ অনুপাত হৈছে ৯৫৯। একেদৰে ৭১ নং বিহালী (অনুসূচীত জাতি) বিধানসভা সমষ্টিত সন্নিৱিষ্ট কৰা হৈছে মুঠ ১, ৫৪, ১৯৯ গৰাকী ভোটাৰ। ইয়াৰে ৭৬, ৫৪৩ গৰাকী পুৰুষ আৰু ৭৭, ৬৫৬ গৰাকী মহিলা। খছৰা ভোটাৰ তালিকা প্ৰকাশ হোৱাৰ পাছত বিহালী বিধানসভা (অনুসূচীত জাতি) সমষ্টিৰ চূড়ান্ত ভোটাৰ তালিকাত মুঠ ৩০৯৩ গৰাকী ভোটাৰৰ নাম নতুনকৈ সংযোগ হোৱাৰ বিপৰীতে ৬৯৬২ গৰাকী ভোটাৰৰ নাম কৰ্তন কৰা হয়। চূড়ান্ত ভোটাৰ তালিকা অনুসৰি এই সমষ্টিটোত ভোটাৰৰ লিংগ অনুপাত হৈছে ১০১৪, ভোটাৰৰ জনসংখ্যা অনুপাত ৬৬.৯৪ শতাংশ আৰু জনসংখ্যা লিংগ অনুপাত হৈছে ৯৫২। আনহাতে ৭২ নং গহপুৰ বিধান সভা সমষ্টিত সন্নিৱিষ্ট কৰা হৈছে মুঠ ১, ৭১, ৫৭৯ গৰাকী ভোটাৰ। ইয়াৰে ৮৬, ৬০৯ গৰাকী পুৰুষ আৰু ৮৪, ৯৭০ গৰাকী মহিলা ভোটাৰ। খছৰা ভোটাৰ তালিকা প্ৰকাশ হোৱাৰ পাছত গহপুৰ বিধানসভা সমষ্টিৰ চূড়ান্ত ভোটাৰ তালিকাত মুঠ ৪২৯৫ গৰাকী ভোটাৰৰ নাম নতুনকৈ সংযোগ হোৱাৰ বিপৰীতে ৬১৯৫ গৰাকী ভোটাৰৰ নাম কৰ্তন কৰা হয়। চূড়ান্ত ভোটাৰ তালিকা অনুসৰি এই সমষ্টিটোত ভোটাৰৰ লিংগ অনুপাত হৈছে ৯৮১, ভোটাৰৰ জনসংখ্যা অনুপাত ৬২.৬৩ শতাংশ আৰু জনসংখ্যা লিংগ অনুপাত হৈছে ৯৩২। উল্লেখযোগ্য যে, যোৱা ২৭ ডিচেম্বৰ, ২০২৫ তাৰিখে জিলাখনৰ তিনিওটা বিধানসভা সমষ্টিৰ ফটোযুক্ত খছৰা ভোটাৰ তালিকা প্ৰকাশ হৈছিল আৰু খছৰা ভোটাৰ তালিকাত মুঠ ৫, ২২, ১৭৪ গৰাকী ভোটাৰৰ নাম সন্নিবিষ্ট হৈছিল। ইয়াৰে বিশ্বনাথ বিধানসভা সমষ্টিত ১, ৯০, ৬২৭ গৰাকী, বিহালী বিধানসভা সমষ্টিত ১, ৫৮, ০৬৮ গৰাকী আৰু গহপুৰ বিধানসভা সমষ্টিত ১, ৭৩, ৪৭৯ গৰাকী ভোটাৰৰ নাম সন্নিবিষ্ট হৈছিল।

# বৰক্ষেত্ৰীৰ কাপলাবড়ীত ৩৮ নং বৰক্ষেত্ৰী বিধানসভা সমষ্টিৰ বুথ সভাপতি আৰু বুথৰ বি.এল.এ. সকলৰ প্ৰশিক্ষণ কাৰ্যসূচী

**অসম বাৰ্তা, বৰক্ষেত্ৰী, ১০ ফেব্ৰুৱাৰী ঃ** বৰক্ষেত্ৰী আৰু বৰভাগ ব্লক কংগ্ৰেছ কমিটিৰ উদ্যোগত আৰু নলবাৰী জিলা কংগ্ৰেছ কমিটিৰ সহযোগত ৩৮ নং বৰক্ষেত্ৰী বিধানসভা সমষ্টিৰ বুথ সভাপতি আৰু বুথৰ বি.এল.এ. সকলৰ প্ৰশিক্ষণ কাৰ্যসূচীৰ আয়োজন কৰা হয়। আনহাতে, মহাৰাষ্ট্ৰৰ পৰা অহা প্ৰশিক্ষক বিনোদ বাৰ্মাই সাংবাদিকৰ সৈতে হোৱা বাৰ্তালাপত অসমৰ মুখ্যমন্ত্ৰীক তীব্ৰ কটাক্ষ কৰি এনেদৰে মন্তব্য কৰে, "নিৰ্বাচনত বুথ পৰ্যায়ত কিদৰে কাম কৰিব লাগিব সেই সম্পৰ্কে প্ৰশিক্ষণ প্ৰদান কৰা হয়। এছ আৰ কিয় হৈছে এয়া সকলোৱে বুজি পায়, সেইসকল লোকৰ নাম কৰ্তন কৰা যিসকলৰ পৰা তেওঁলোকে ভোট লাভ নকৰে। নাম কৰ্তন কৰাৰ ক্ষেত্ৰত ভাৰতীয় জনতা পাৰ্টি আৰু নিৰ্বাচনী আয়োগে ভাই ভাইৰ দৰে কাম কৰি আছে। মই ইয়ালৈ আহি অনুভৱ কৰিছোঁ যে প্ৰত্যেকজন লোকে অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক লৈ লজ্জিত হৈছে। হিমন্ত বিশ্ব শৰ্মাৰ দৰে অহংকাৰী আৰু ভ্ৰষ্টাচাৰী লোক আমি দেখা নাই, তেওঁৰ দৰে বিশ্বাসঘাতক আমি দেখা নাই, জুবিন গাৰ্গটো কোনো দলৰ নাছিল, এইজন লোকে তেওঁকেই ন্যায় দিব নোৱাৰিলে।" আনহাতে, গৌৰৱ গগৈৰ প্ৰসংগত সাংবাদিকৰ প্ৰশ্নৰ উত্তৰত কয় যে ভাৰতীয় জনতা পাৰ্টীৰ লোকে কংগ্ৰেছৰ নেতাৰ সৈতে যুঁজিব নোৱাৰিলে এনেধৰণৰ কথাৰে সকলকে বিভ্ৰান্ত কৰাৰ চেষ্টা কৰে। গান্ধীজীক হত্যা কৰা সকলে সকলোকে হত্যা কৰিব পাৰে, সকলোৰে চৰিত্ৰৰ হত্যা কৰিব পাৰে বুলিও কটাক্ষ কৰে। সাবৰকাৰৰ পৰিকল্পনাত নাথুৰাম গডছে গান্ধীক হত্যা কৰা বুলি কৈ দুয়োজন আৰ এছ এছৰ সদস্য আছিল বুলিও বিস্ফোৰণ ঘটায়। আনহাতে, অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ কেন্দ্ৰীয় নেতৃত্বৰ নেতা অনোৱাৰ আহমেদে কয় যে অসমৰ মুখ্যমন্ত্ৰীয়ে গৌৰৱ গগৈৰ ক্ষেত্ৰত আঢ়ৈ ঘণ্টাৰ সংবাদ মেলত একো বিশেষ তথ্য দিব নোৱাৰিলে বুলিও মন্তব্য কৰে। নলবাৰী জিলাৰ বৰক্ষেত্ৰীৰ কাপলাবড়ীস্থিত বিধায়ক দিগন্ত বৰ্মণৰ বাসগৃহত আজি ১০ ফেব্ৰুৱাৰী মঙ্গলবাৰে ৰাতিপুৱা ১১ বজাত অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ নিৰ্দেশমৰ্মে ৩৮ নং বৰক্ষেত্ৰী বিধানসভা সমষ্টিৰ অন্তৰ্গত কাপলাবড়ীত ভাৰতীয় জাতীয় কংগ্ৰেছ দলৰ এটি প্ৰশিক্ষণ শিবিৰৰ আয়োজন কৰা হয়। উল্লিখিত প্ৰশিক্ষণ শিবিৰত প্ৰশিক্ষক হিচাপে উপস্থিত থাকে মহাৰাষ্ট্ৰৰ প্ৰশিক্ষক বিনোদ বাৰ্মা। উক্ত প্ৰশিক্ষণ শিবিৰটোত ৩৮ নং বৰক্ষেত্ৰী বিধানসভা সমষ্টিৰ অন্তৰ্গত সকলো বুথ সভাপতি, বি.এল.এ, মণ্ডল সভাপতি, ব্লক কংগ্ৰেছৰ সদস্যসকল আৰু জিলা সমিতিৰ সদস্যসকল উপস্থিতি থাকে। সভাত উপস্থিত থাকে বৰক্ষেত্ৰী বিধানসভা সমষ্টিৰ স্থানীয় বিধায়ক দিগন্ত বৰ্মণৰ লগতে জিলা কংগ্ৰেছৰ বিষয়ববীয়াসকল উপস্থিত থাকে। ৰাতিপুৱা ১১ বজাত অনুষ্ঠিত সভাখনত বৰক্ষেত্ৰী ব্লক কংগ্ৰেছ কমিটিৰ সভাপতি পৰীক্ষিত দাস, বৰভাগ ব্লক কংগ্ৰেছ কমিটিৰ সভাপতি লক্ষ্মীধৰ ডেকা, বৰক্ষেত্ৰী ব্লক কংগ্ৰেছৰ উপ সভাপতি নিৰুপম হালৈ প্ৰমুখ্যে ভালেমান দলীয় কৰ্মী উপস্থিত থাকে।

# বৃহত্তৰ কুকুৰমাৰা আঞ্চলিক হিন্দু সন্মিলনৰ উদ্যোগত ৩ নং আমতʼলাত হিন্দু সন্মিলন

**অসম বাৰ্তা, ছয়গাঁও, ১০ ফেব্ৰুৱাৰী ঃ** দক্ষিণ কামৰূপৰ পলাশবাৰী সমষ্টিৰ ৩ নং আমতʼলা গাঁৱত কালি সন্ধিয়ালৈকে বৃহত্তৰ কুকুৰমাৰা আঞ্চলিক হিন্দু সন্মিলনৰ উদ্যোগত সনাতন ধৰ্মাৱলম্বী বিভিন্ন পন্থাৰ মাজত সমন্বয় আৰু হিন্দু সমাজক স্ব-ধৰ্ম আৰু স্ব-জাতি সন্দৰ্ভত সজাগতাৰ বাবে এখনি বিশাল আৰু আকৰ্ষণীয় "হিন্দু সন্মিলন" অনুষ্ঠিত হয়। সভাৰ আৰম্ভণিতে ৩ নং আমতʼলা গাঁও একশৰণ ভাগৱতী সমাজ, আমতʼলা সত্ৰৰ আই মাতৃ সমাজে নাম প্ৰসংগ পৰিৱেশন কৰি অনুষ্ঠানটোৰ সৌষ্ঠৱ বৃদ্ধি কৰে। অঞ্চলটোৰ বিশিষ্ট সমাজকৰ্মী তথা হিন্দু সন্মিলনৰ সভাপতি প্ৰবীণ মেধিয়ে সভাপতিত্ব কৰা অনুষ্ঠানটোৰ আদৰণি ভাষণ পৰিচালনা কৰে কাৰ্যকৰী সভাপতি হৃদয় ৰঞ্জন পাঠকে। সম্পাদক দিগন্ত চন্দ্ৰ দাসে আৰম্ভণি ভাষণ প্ৰদান কৰাৰ পিছতে কৃষ্ণ কান্ত বৰাই ভাষণ প্ৰদান কৰে। শিশু শিল্পী উদয় ৰঞ্জন পাঠকে বন্দে মাতৰম সংগীতানুষ্ঠান পৰিৱেশন কৰাৰ পিছতে মুখ্য অতিথিৰূপে উপস্থিত থকা দিলীপ কুমাৰ শৰ্মাই ভাষণত শতাব্দী বৰ্ষ পূৰ্ণ কৰা ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ পৰিক্ৰমাৰ বিভিন্ন দিশ অৱলোকন কৰে। সভাৰ পূৰ্বে ভাৰত মাতাৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰে গাওঁ উন্নয়ন সমিতিৰ সভাপতি ভূপেন দাসে। সভাত ছয়গাঁও আঞ্চলিক পঞ্চায়তৰ সভাপতি মল্লিকা বৰ্মন মেধি আৰু উপ সভাপতি ববিতা দাস প্ৰমুখ্যে ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

# ৰহা শালমৰা জাতীয় বিদ্যালয়ৰ প্ৰধান শিক্ষক ভূপেন কাকতিৰ মৃত্যুত শোকৰ ছাঁ

**অসম বাৰ্তা, ৰহা, ১০ ফেব্ৰুৱাৰী ঃ** ৰহা নগৰৰ ১ নং বাৰ্ডৰ বাসিন্দা তথা প্ৰধান শিক্ষক ভূপেন কাকতিৰ কালি গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত মৃত্যু হয়। ১৯৭০ চনত চাপৰমুখৰ নিকটৱৰ্তী আমতলাত জন্ম হোৱা ভূপেন কাকতিয়ে আমতলা প্ৰাথমিক বিদ্যালয়ত প্ৰাথমিক শিক্ষা, আমতলা প্ৰগতিশীল হাইস্কুলৰ পৰা মেট্ৰিক, ৰহা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত বিজ্ঞান শাখাত উত্তীৰ্ণ হৈ নগাঁৱৰ আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ পৰা ১৯৯১ চনত বি এচ চি পাছ কৰে। ১৯৯৩ চনত পুথিমাৰি আঞ্চলিক হাইস্কুলত সহকাৰী শিক্ষক হিচাপে কৰ্মজীৱন আৰম্ভ কৰি কেইবছৰমান অবৈতনিক ভাবে শিক্ষকতা কৰি ঘৰতেই আৰম্ভ কৰে এখন দোকান। পাছলৈ পুনৰ শিঙিমাৰি হাইস্কুলত সহকাৰী শিক্ষক হিচাপে কেইবছৰ মান চাকৰি কৰি সেই চাকৰি বাদ দি পিপৰা গাওঁ জনজাতি হাইস্কুলত সহকাৰী শিক্ষক হিচাপে কেইমান মান থাকি ২০১০ চনৰ পৰা শালমৰা জাতীয় বিদ্যালয়ৰ প্ৰধান শিক্ষক হিচাপে মৃত্যুৰ সময়লৈকে সেৱা আগবঢ়াইছিল। সুদীৰ্ঘ দিন অবৈতনিক হিচাপে চাকৰি কৰি জীৱন নিৰ্বাহ কৰা ভূপেন কাকতিয়ে পত্নীৰ লগত ৰহা গড়মাৰিত ঘৰসাজি বসবাস আৰম্ভ কৰিছিল। এই বছৰৰ জানুৱাৰী মাহৰ ৪ তাৰিখে পৰিয়ালৰ লগত মাজুলীলৈ ফুৰিবলৈ যোৱা ভূপেন কাকতি চিজাৰত আক্ৰান্ত হয়। প্ৰথমে নগাঁৱৰ চিমচ্ নাচিং হোমত চিকিৎসাধীন হৈ থকা অৱস্থাত কিছু উন্নতি হোৱাৰ বাবে ঘৰলৈ আনে যদিও পুনৰ আক্ৰান্ত হোৱাত গুৱাহাটীৰ চিকিৎসা মহাবিদ্যালয়ত ভৰ্তি কৰে। প্ৰায় এক পষেক জি এম চিত চিকিৎসাধীন অৱস্থাতে যোৱা কালি বিয়লি ৩ বজাত মৃত্যু হয়। ভূপেন কাকতিয়ে মাতৃ সুপ্ৰভা কাকতি, পত্নী তথা দীঘলিআটি ২০৩ নং মজলীয়া বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী অনিতা দেবী, দুই অভিযন্তা পুত্ৰ অংশুমান কাকতি, পদ্মনাভ কাকতিকে ধৰি বন্ধু বৰ্গৰ লগতে পৰিয়ালৰ লোক সকলক ইহ সংসাৰত এৰি থৈ গৈছে।

# বৰপেটাৰোডত কেন্দ্ৰীয়ভাৱে বিশ্ব মহাবীৰ চিলাৰায়ৰ ৫১৬তম্ কেন্দ্ৰীয় জন্মজয়ন্তী উদ্‌যাপন

**অসম বাৰ্তা, বৰপেটাৰোড, ১০ ফেব্ৰুৱাৰী ঃ** সদৌ কোচ ৰাজবংশী ছাত্ৰ সন্থাৰ উদ্যোগত, সদৌ বৰপেটা জিলা কোচ ৰাজবংশী ছাত্ৰ সন্থা (আক্ৰাছ), সদৌ কোচ ৰাজবংশী মহিলা সমিতি আৰু চিলাৰায় সেনা আৰু ৰাইজৰ সহযোগত আন আন বছৰৰ দৰে এইবেলিও মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ দ্বাৰা প্ৰচাৰিত নৱ-বৈষ্ণৱ ধৰ্মৰ মহান পৃষ্ঠপোষক, সমন্বয় তথা সংহতিৰ প্ৰতীক, ১৯শ শতিকাৰ ঐতিহাসিক কোচ কমতা ৰাজ্যৰ যুৱৰাজ তথা সেনাধ্যক্ষ, বহুমুখী প্ৰতিভাৰ গৰাকী বিশ্ব মহাবীৰ চিলাৰায়ৰ ৫১৬ তম্ কেন্দ্ৰীয় জন্ম জয়ন্তী উৎসৱ বৰপেটা জিলাৰ বৰপেটা ৰোড চহৰৰ বাঁহবাৰী গাঁৱত এদিনীয়া কাৰ্যসূচীৰে কেন্দ্ৰীয় ভিত্তিত উদযাপন কৰে। উপস্থিত থাকে কেন্দ্ৰীয় সভাপতি দ্বীপেন ৰয়ৰ লগতে কেবগৰাকীও কেন্দ্ৰীয় বিষয় ববীয়া সকলে। আনহাতে বিশ্ব মহাবীৰ চিলাৰায়ৰ ৫১৬ তম্ কেন্দ্ৰীয় জন্ম জয়ন্তী উদ্‌যাপন কৰিয়েই সংবাদমাধ্যমৰ আগদ কয় যে যদি '২৬ৰ নিৰ্বাচৰ আগত ছয় জনগোষ্ঠীৰ সমস্যা সমাধান নকৰে তেতিয়া হলে তীব্ৰতৰ আন্দোলন গঢ়ি তুলা হʼব আৰু ২৬ ৰ নিৰ্বাচনত বিজেপিৰ বিকল্প পথ বাছি লোৱা হʼব।

সীমান্তত তীব্ৰ প্ৰতিবাদ; এই ঠাই নাগালেণ্ডৰ কোনো পধ্যেই হʼব নোৱাৰে ঃ ভাষ্য প্ৰতিবাদকাৰীৰ

# অসমৰ ভূমিত নগাই গেট স্থাপন কৰি নাগালেণ্ডৰ নাম দিলে 'নিউলেণ্ড'

**অসম বাৰ্তা, সৰুপথাৰ, ১০ ফেব্ৰুৱাৰী ঃ** অসমৰ ভূমি নাগালেণ্ডৰ অন্তৰ্ভুক্ত কৰাৰ প্ৰচেষ্টা নগাৰ। সীমান্তবাসীয়ে কেনেকৈ মানি লʼব। সৰুপথাৰ সমজিলাৰ চুঙাজানত নগাই নিউলেণ্ড জিলা নামেৰে নিৰ্মাণ কৰিল পকী গেট। সীমান্তত খিলঞ্জীয়াৰ তীব্ৰ প্ৰতিবাদ। অসম-নাগালেণ্ড সীমান্তত অব্যাহত আছে নগাৰ আগ্ৰাসন। অসম নাগালেণ্ড সীমান্তৰ চুঙাজান মাজগাঁও পঞ্চায়তত ৰাইজে তীব্ৰ প্ৰতিবাদী প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। বিভিন্ন সময়ত ন ন কৌশলে অসমৰ মাটি দখলৰ বাবে চেষ্টা কৰি আহিছে নগাই। অসম নাগালেণ্ড সীমান্তৰ সৰুপথাৰ সমজিলাৰ চুঙাজানৰ মাজগাঁও পঞ্চায়তৰ অন্তৰ্গত নৱমিলনপুৰ আৰু ২ নং শান্তিপুৰ দুখন গাঁৱলৈ সোমোৱা ৰাস্তাত নগাই স্থাপন কৰিল পকী গেট। 'সোখাভি' নামেৰে নামকৰণ কৰি নাগালেণ্ডৰ নিউলেণ্ড জিলা বুলি পকী গেট স্থাপন কৰিলে নগাই। ইয়াকে লৈ নৱমিলনপুৰ আৰু মহিমা গাঁৱৰ লগতে চুঙাজানৰ দাঁতিকাষৰীয়া ৰাইজে উক্ত গেটখন তাৰ পৰা আঁতৰাবলৈ প্ৰতিবাদ সাব্যস্ত কৰে। অসম চৰকাৰে উক্ত বিষয়সমূহ গুৰুত্ব নিদিয়াৰ অভিযোগ ৰাইজৰ। প্ৰতিবাদীস্থলীত উপস্থিত হয় সীমান্ত দণ্ডাধীশ প্ৰিয়মজ্যোতি ফুকনৰ লগতে সৰুপথাৰ সমজিলা আৰক্ষী অধীক্ষক দ্বীপেন পাটৰ। প্ৰতিবাদী ৰাইজে সৰুপথাৰ সমজিলাৰ সীমান্ত দণ্ডাধীশক স্মাৰক পত্ৰ প্ৰদান কৰি সমস্যা সমাধানৰ দাবী উত্থাপন কৰে। প্ৰতিবাদস্থলীত স্থানীয় প্ৰতিবাদকাৰী এজনে কয়, "আমাৰ চুঙাজান মাজগাওঁ পঞ্চায়ত আৰু পানজান পঞ্চায়তৰ অন্তৰ্গত গাঁৱত নগাই এখন গেট নিৰ্মাণ কৰিছে। নিউলেণ্ড জিলাৰ নাম দি অসমৰ মাটিত নিৰ্মাণ কৰিছে গেট। প্ৰত্যোকটো দিনাই অসমৰ মাটি কেনেকৈ দখল কৰো সেইদৰেই আগ্ৰাসী মনোভাৱ লৈ আহিছে। এই ক্ষেত্ৰত অসম, চৰকাৰ, কেন্দ্ৰীয় চৰকাৰ, নাগালেণ্ড বিজেপি চৰকাৰ আছে যদিও চৰকাৰে অসমৰ হৈ মাত নামাতে। নগাৰ পক্ষ লৈ চি.আৰ.পি.এফ বাহিনীয়ে নগাৰ বিৰুদ্ধে মাত মাতিলেও অসমীয়াই কিবা কʼবলৈ গʼলে ধমকি দি পঠিয়াই দিয়ে। অতি শীঘ্ৰেই গোটখন ইয়াৰ পৰা উঠাই নিবলৈ দাবী জনাইছোঁ।" সমান্তৰালকৈ জাতীয় সংগঠনৰ নেতা দিপেন গগৈয়ে মন্তব্য কৰি কয়, "অসম-নাগালেণ্ডৰ সীমা সমস্যা এটা দীৰ্ঘদিনীয়া সমস্যা, যি সমস্যাই চূড়ান্ত ৰূপ পাইছে। কিছুদিনৰ পূৰ্বেই নগাই অসমৰ মাটিত থকা ৯৫টা ঘৰ জ্বলাই দিছিল। এতিয়া আকৌ চুঙাজান নাওজানৰ সোঁমাজত নগাই আহি এখন গেট স্থাপন কৰিছে। এই প্ৰচেষ্টাৰ যোগেদি নগাই চুঙাজান অঞ্চলটো নিউলেণ্ড জিলাৰে নাগালেণ্ড বনাবলৈ গৈছে। অসমৰ লগতে কেন্দ্ৰত বিজেপি চৰকাৰ, নাগালেণ্ডতো বিজেপি চৰকাৰ থকাৰ সত্ত্বেও আজি পৰ্যন্ত অসম-নাগালেণ্ড সীমা সমস্যা সমাধান নহʼল।" অন্য এগৰাকী প্ৰতিবাদকাৰীয়ে কয়, "নগাই আমাৰ ইয়াত গেট স্থাপন কৰি নিউলেণ্ড জিলা বুলি নাম দিছে। যিটো আমি কোনো পধ্যেই মানি লʼব নোৱাৰে। আমি জন্মৰ পৰাই গোলাঘাট জিলা লিখি আহিছোঁ, নাগালেণ্ড কোনো পধ্যেই হʼব নোৱাৰে। আমি কেনেকৈ নাগালেণ্ডৰ গেটৰ তলেদি অহা-যোৱা কৰিম। যি চৰকাৰ হলেও আমাক এই সমস্যা সমাধান কৰি দিব লাগে।" উল্লেখ্য যে অসম-নাগালেণ্ড সীমান্তৰ সৰুপথাৰ সমজিলাৰ চুঙাজান, উৰিয়ামঘাট আদি অঞ্চলত নগাই ভিন্ন সময়ত আগ্ৰাসী মনোভাৱেৰে কাৰ্য সংঘটিত কৰি আহিছে। অসমৰ ভূমিত থকা গৃহত অগ্নি সংযোগ, অপহৰণৰ দৰে কাৰ্যৰ পিছতেই এইবাৰ গেট স্থাপন কৰে। চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰে সেয়া পৰৱৰ্তী সময়ত লক্ষণীয় হʼব।

# ডিব্ৰুগড়ৰ পৰা ৪৭গৰাকী হজযাত্ৰী পৱিত্ৰ মক্কা-মদিনালৈ ৰাওনা হʼব ১৮ এপ্ৰিলত

**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ১০ ফেব্ৰুৱাৰী ঃ** প্ৰতি বছৰৰ দৰে এইবছৰো চৌদি আৰবৰ মক্কা-মদিনালৈ হজব্ৰত কৰাৰ উদ্দেশ্যে অসমৰ হজযাত্ৰী সকল গুৱাহাটীৰ পৰা ৰাওনা হব ১৮ এপ্ৰিল২০২৬ তাৰিখৰ পৰা। হজযাত্ৰী সকল গুৱাহাটীৰ পৰা পোনে পোনে চৌদি আৰবৰ মদিনালৈ ইণ্ডিয়ান এয়াৰ লাইনছৰ বিমানেৰে ৰাওনা হʼব। যাত্ৰী সকলে মুঠ পাঁচখন বিমানেৰে যাব। ১৮ এপ্ৰিলত যাব লগা উৰণ নং -এফ ৩ -৬৩৮৩ মদিনালৈ যাব ৩২৪ জন, একে তাৰিখতে নং এফ ৩-৬৩৮১ত ৩২৪ জন, ১৯ এপ্ৰিলত যাব উৰণ নং এফ ৩- ৬৩৮৬ত যাব ৩২৪ জন, ২০ এপ্ৰিলত উৰণ নং এফ-৩ -৬৩৮৭ত যাব ৩২৪জন আৰু শেষৰ দিনাখন অৰ্থাৎ ২১ এপ্ৰিল ২০২৬ তাৰিখৰ উৰণ নং এফ ৩-৬৩৮৯ ত যাব ২১৫ জন। মুঠ পাঁচ দিনত গুৱহাটীৰ পৰা যাব ২, ৫৬৯জন হজযাত্ৰী। ডিব্ৰুগড় জিলাৰ পৰা এই বছৰ অৰ্থাৎ ২০২৬ চনত হজলৈ যাব মুঠ ৪৭ গৰাকী। ইয়াৰে পুৰুষ- ২৮ আৰু মহিলা ১৯ গৰাকী। চৰকাৰী তথ্য অনুযায়ী ২০২৬ চনত পৱিত্ৰ হজব্ৰত সম্পন্ন কৰিবলৈ যাব লগীয়া অসমৰ তালিকাখন হৈছে (১) ডিব্ৰুগড়ৰ পৰা ৪৭ গৰাকী তাৰে ২৮ পুৰুষ ১৯ মহিলা (২)বজালীৰ- ৪ (৩) বাক্সা-০, (৪) বৰপেটা-৮৫, (৫) বিশ্বনাথ-১১, (৬) বঙাইগাঁও- ২২, (৭) কাছাৰ-৪৭৮ (৮), চৰাইদেউ -৫ (৯) চিৰাং-৮ (১০)দৰং- ১২১ (১১)ধেমাজি-০ (১২) ধুবুৰী-১০৯(১৩) গোৱালপাৰা- ৮১ (১৪) গোলাঘাট- ২৭ (১৫) গুৱাহাটী-২৮(১৬) হাইলাকান্দি-২৩৩ (১৭) হোজাই- ৬৪ (১৮) যোৰহাট-৩৪ (১৯) কামৰূপ-৯৯ (২০) কামৰূপ মেট্ৰো-১৭৯ (২১) কৰিমগঞ্জ-৪১৫ (২২) কোকৰাঝাৰ-১৭ (২৩) লক্ষীমপুৰ-৩৭ (২৪) মৰিগাঁও-৭৮ (২৫) নগাঁও-১৭২ (২৬) নলবাৰী-২৮ (২৭) শিৱসাগৰ-৭৬(২৮) শোণিতপুৰ-১০ (২৯) দক্ষিণ শালমাৰা-৪২ (৩০) তামোলপুৰ -৪ (৩১) তিনিচুকীয়া -৩৫ (৩২) ওদালগুৰি-১২ গৰাকী। (৩৩) ডিব্ৰুগড় -৪৭ আৰু (৩৪) ডিমা হাছাওৰ পৰা -২ জন। সৰ্বমুঠ ৠ২, ৫৬৯ গৰাকী হজযাত্ৰী। ইয়াৰে পুৰুষ-১, ৭৬৩ গৰাকী আৰু মহিলা-৮০৬ গৰাকী। অৱশ্যে ইতিমধ্যে কেইবাগৰাকী হজযাত্ৰী বিভিন্ন কাৰণত যাব নোৱাৰিব পাৰে বুলি অসম হজ কমিটিৰ অধ্যক্ষ আলহজ নেকিবুজ জামানে জানিবলৈ দিয়ে। ২০২৫ চনত ডিব্ৰুগড়ৰ পৰা হজযাত্ৰী গৈছিল মুঠ ২৭ গৰাকী, ইয়াৰে ১৭ পুৰুষ আৰু ১০ গৰাকী মহিলা আছিল। ২০২৬ চনত ডিব্ৰুগড়ৰ পৰা যাব মুঠ ৪৭ গৰাকী ইয়াৰে পুৰুষ ২৮ আৰু মহিলা ১৯ গৰাকী। ডিব্ৰুগড়ৰ অতিৰিক্ত মুখ্য চিকিৎসা ও স্বাস্থ্য বিষয়াৰ কাৰ্য্যালয়ৰ পৰা ডিব্ৰুগড়ত চৰকাৰী ছিটা প্ৰদান কৰিব মুঠ উনচল্লিচ (৩৯) গৰাকী হজযাত্ৰীক। অসম হজকমিটিৰ অধ্যক্ষ জামানে আৰু জানিবলৈও দিয়ে যে এই বছৰ চৰকাৰীভাৱে হজযাত্ৰী সকলৰ লগত মক্কা মদিনালৈ পৰিদৰ্শক বা খাদেমুল হুজ্জাজ সহায়ক হিচাপে যাব মুঠ ১৬ (যোল্ল) গৰাকী। অসমৰ হজযাত্ৰী সকল ৪৬ দিন মক্কা আৰু মদিনাত থকাৰ পাছত দুই জুন ২০২৬ তাৰিখে নিজ গৃহলৈ উভতি আহিব। ২ জুনত জিদ্দা আন্তৰ্জাতিক বিমান বন্দৰৰ পৰা গুৱাহাটীলৈ আহিব দুখনকৈ উৰণ বিমানত ৩২৪ গৰাকীকৈ হজযাত্ৰী, চাৰি জুনতো দুখনকৈ বিমানত আহিব ৩২৪ গৰাকীকৈ আৰু শেষৰ দিনাখন অৰ্থাৎ পাঁচ জুনত ২১৫ গৰাকী হজযাত্ৰী আহিব। উল্লেখযোগ্য যে ডিব্ৰুগড়ৰ হজ কমিটিয়ে প্ৰতি বছৰে স্থানীয় ঈদগাহত দূৰ দূৰণিৰ পৰা হজযাত্ৰী সকলক প্ৰশিক্ষণৰ ব্যৱস্থা কৰাৰ লগতে ছিটা দিয়াৰো ব্যৱস্থা কৰে। এইবছৰ প্ৰথম বাৰৰ বাবে ৯( ন) ফেব্ৰুৱাৰীত নাহৰকটীয়াত মেডিকেল স্ক্ৰিনিং টেষ্ট ডিব্ৰুগড়ৰ হজযাত্ৰীক দিয়াৰ ব্যৱস্থা কৰে। তদুপৰি অহা ১২ ফেব্ৰুৱাৰীত ডিব্ৰুগড়ৰ ৰজন বেৰী হোৱাইট চেমিনাৰ হলত হজযাত্ৰী সকলক ছিটা দিয়া হʼব বুলি ডিব্ৰুগড় জিলাৰ স্বাস্থ্য বিভাগৰ সূত্ৰে জানিবলৈ দিয়ে। ডিব্ৰুগড় জিলাৰ হজকমিটিৰ যুটীয়া চেক্ৰেটাৰী চৌকত লটিফে জানিবলৈ দিয়া মতে ডিব্ৰুগড়ৰ স্বাস্থ্য বিভাগক অনুৰোধ জনাইছিল যে নাহৰকটীয়াত স্ক্ৰীনিং টেষ্ট আৰুজন বেৰী হোৱাইট চেমিনাৰ হলত ছিটা প্ৰদানৰ পৰিৱৰ্তে সকলো ফালৰ পৰা সুবিধা থকা ডিব্ৰুগড় ঈদগাহত কৰিব পৰা হʼলে হজযাত্ৰী খিনিৰ সুবিধা হলহেঁতেন, অৱশ্যে সেই অনুৰোধ ৰক্ষা নকৰিলে বুলি লটিফে জানিবলৈ দিয়ে। এইবাৰ হজযাত্ৰীক প্ৰশিক্ষণ দিয়াৰ বাবে অসম চৰকাৰে মুঠ ১৩ গৰাকী প্ৰশিক্ষকক বাচনি কৰিছিল যদিও তাৰে আঠ গৰাকীয়ে মুম্বাইৰ পৰা ইতিমধ্যে প্ৰশিক্ষণ লৈ আহে। প্ৰশিক্ষণৰ বাবে উজনি ডিব্ৰুগড়ৰ পৰা গৈছিল আলহজ শেখ মহম্মদ ছাম্মিৰুল হক।

# প্ৰয়াত শিক্ষাবিদ গংগেশ্বৰ চেতিয়ালৈ শ্ৰদ্ধাঞ্জলি অভয়পুৰীয়া গাঁওৰক্ষী বাহিনীৰ

**অসম বাৰ্তা, জাঁজী, ১০ ফেব্ৰুৱাৰী ঃ** যোৱা ৩১ জানুৱাৰীত মৃত্যুবৰণ কৰা শিৱসাগৰ জিলাৰ জাঁজী অভয়পুৰীয়া গাঁও নিবাসী প্ৰয়াত শিক্ষাবিদ, সমাজকৰ্মী তথা দেওৰজা জনতা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক গংগেশ্বৰ চেতিয়াৰ স্মৃতিত আজি তেওঁৰ বাসগৃহত অভয়পুৰীয়া গাঁওৰক্ষী বাহিনীৰ উদ্যোগত এখন শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত হয়। আৰম্ভণিতে প্ৰয়াত চেতিয়াৰ প্ৰতিচ্ছবিৰ আগত বন্তি প্ৰজ্বলন কৰে স্থানীয় সমাজকৰ্মী বংশী দত্তই। অভয়পুৰীয়া গাঁৱৰক্ষী বাহিনীৰ সম্পাদক জীৱন দত্তই আঁত ধৰা অনুষ্ঠানটোত গাঁওৰক্ষী বাহিনীৰ চক্ৰ সংগঠক অবেন চন্দ্ৰ দাসে পৰিয়ালবৰ্গক শ্ৰদ্ধাঞ্জলি পত্ৰ প্ৰদান কৰে। উল্লেখযোগ্য যে প্ৰয়াত গংগেশ্বৰ চেতিয়া গৌৰীসাগৰ আৰক্ষী থানাৰ অন্তৰ্গত অভয়পুৰীয়া গাঁৱৰক্ষী সংগঠনৰ সভাপতি পদটো অধিষ্ঠিত আছিল। অৱসৰৰ পাছত তেওঁ বিভিন্ন সাংস্কৃতিক আৰু আধ্যাত্মিক কৰ্মত জড়িত হৈ পৰিছিল। আজি শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত উপস্থিত কেইবাজনো ব্যক্তিয়ে প্ৰয়াত চেতিয়াৰ জীৱন আৰু কৰ্মৰ ওপৰত আলোকপাত কৰে। মৃত্যুৰ সময়ত পত্নী, তিনিজন পুত্ৰ, এগৰাকী বিবাহিতা জীয়েকৰ উপৰি নাতি নাতিনী এৰি যোৱা চেতিয়াই ক্ষুদ্ৰ চাহ খেতিটো জড়িত হৈ স্থানীয় যুৱকসকলক আদৰ্শ দেখুৱাইছিল।

# মানৱেন্দ্ৰ শৰ্মা ছোৱালী মহাবিদ্যালয় ৰঙিয়াৰ বাৰ্ষিক উৎসৱৰ শুভাৰম্ভ

**অসম বাৰ্তা, ৰঙিয়া, ১০ ফেব্ৰুৱাৰী ঃ** ৰঙিয়াৰ আগশাৰীৰ উচ্চ শিক্ষানুষ্ঠান মানৱেন্দ্ৰ শৰ্মা ছোৱালী মহাবিদ্যালয়ৰ বাৰ্ষিক মহাবিদ্যালয় উৎসৱৰ আজিৰে পৰা শুভাৰম্ভ কৰা হয়। এই উপলক্ষে পুৱাৰ ভাগত মহাবিদ্যালয়ৰ পতাকা উত্তোলনৰে কাৰ্যসূচীৰ শুভাৰম্ভ কৰে অধ্যক্ষ ড° সঞ্জীৱ কুমাৰ বৰ্মনে। দিনৰ ভাগত অনুষ্ঠিত কৰা হয় বিশাল সাংস্কৃতিক শোভাযাত্ৰা। বিভিন্ন সাংস্কৃতিক -ধৰ্মীয় প্ৰতীক সম্বলিত শোভাযাত্ৰাৰে ৰঙিয়া নগৰ পৰিভ্ৰমণ কৰা হয়। শোভাযাত্ৰা কালত গীত মাতেৰে মুখৰিত হৈ পৰে ৰঙিয়া নগৰ। কেবা শতাধিক ছাত্ৰীয়ে অংশগ্ৰহণ কৰা শোভাযাত্ৰা অন্যতম আকৰ্ষণৰ কেন্দ্ৰবিন্দু হৈ পৰে।

# ৰাজহুৱা খেলপথাৰ বেদখলৰ প্ৰতিবাদত বিশাল ৰাজহুৱা সভা

**অসম বাৰ্তা, নিমাতীঘাট, ৯ ফেব্ৰুৱাৰী ঃ** বিগত ১০০ বছৰে ৰাইজৰ দখলত থকা চাৰিগাঁও ভৰালীচুকৰ ২ নং পানী যোগান আঁচনিৰ কাষৰ ৰাজহুৱা খেলপথাৰ বেদখলৰ প্ৰতিবাদত আজি এখন বিশাল ৰাজহুৱা সভা অনুষ্ঠিত হয়। যোৰহাটৰ প্ৰাক্তন চীফ কাউন্সিলৰ তথা সমাজকৰ্মী ডিম্বেশ্বৰ বৰাৰ সভাপতিত্বত বৃহত্তৰ চাৰিগাঁও অঞ্চলৰ ৮ খন গাঁৱৰ সহস্ৰাধিক লোকৰ উপস্থিতিত অনুষ্ঠিত সভাত ২ ফেব্ৰুৱাৰীত দুগৰাকী অচিনাক্ত যুৱতীয়ে খেলপথাৰখনত গাড়ীৰে মাটি পেলাই, বাহৰ গৃহ নিৰ্মাণ কৰি বেদখলৰ আৰম্ভণি কৰা কাৰ্যৰ তীব্ৰ প্ৰতিবাদ জনায়। সভাত স্থানীয় চৰকাৰী গাঁও প্ৰধান ৰাজীৱ লিখক, ৩৩ নং গাঁও পঞ্চায়তৰ সভাপতি তথা বিশিষ্ট চন্দন বৰা, সমাজকৰ্মী যতীন শইকীয়া, অণ্টু কুমাৰ দত্ত, ৰণজিত ভৰালী, জিতেন বৰা প্ৰমুখ্যো বহু কেইজন বিশিষ্ট ব্যক্তি উপস্থিত থাকে। যুগ যুগান্তৰৰ পৰা নিকটৱৰ্তী ভৰালীচুক, হাতীবৰুৱা, কাঁঠনিয়াৰকুৰি, বামুণ গাঁও, বৰদলৈ চুবুৰী, পঞ্চৱতী, বাহনা, নাথ গাঁও, পূব চেঙেলী গাঁও, কেন্দুগুৰি, বামুণ গাঁও আদিৰ ৰাইজে পৰা ২ নং চৰকাৰী পানী যোগান আঁচনিৰ কাষৰ ৰাজহুৱা খেলপথাৰখন বিভিন্ন সামাজিক, সাংস্কৃতিক তথা ক্ৰীড়ামূলক কৰ্মৰ বাবে ব্যৱহাৰ কৰি আহিছে। খেল পথাৰখন দখল কৰা অচিনাক্ত বেদখলকাৰীক ৰাইজে প্ৰথমে সকয়িনী প্ৰদান কৰে। কিন্তু বেদখলকাৰীয়ে বেদখল বন্ধ নকৰাত স্থানীয় ৰাইজে জিলা আয়ুক্ত, জিলাৰ ৰাজহ বিভাগৰ অতিৰিক্ত আয়ুক্ত, চক্ৰ বিষয়াক মীমাংসাৰ বাবে স্মাৰক পত্ৰ প্ৰদান কৰে। প্ৰতিবাদী ৰাজহুৱা সভাত তৰুণ শৰ্মা, কমলচন্দ্ৰ দত্ত, ৰাজেন বৰা, ভানুমাই বৰা, চন্দন বৰাকে ধৰি ব্যক্তিসকলে খেলপথাৰখন অনাদি কালৰে পৰা ৰাইজৰ দখলত থকাৰ কথা প্ৰকাশ কৰে। ৰাজহুৱা সভাই খেলপথাৰ সংৰক্ষণৰ বাবে এখন সমিতি গঠন কৰাৰ লগতে খেলপথাৰত ৰাইজৰ দখল অব্যাহত ৰখাৰ সিদ্ধান্ত লয় আৰু বেদখলকাৰীক সকীয়নী প্ৰদান কৰে। সভাই খেলপথাৰত পুনৰ বেদখল হʼলে ৰাজহুৱা ভাবে প্ৰতিহত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে আৰু প্ৰশাসনক এই বিষয়ত গুৰুত্ব দিবলৈ আহ্বান জনায়। স্থানীয় বিধায়কৰ লগতে মুখ্যমন্ত্ৰীৰ হস্তক্ষেপ কামনা কৰি তৎকালে স্মাৰকপত্ৰ প্ৰদান কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। ৰাজহুৱা খেলপথাৰ বেদখলকাৰীৰ পৰা মুক্ত নোহোৱা পৰ্য্যন্ত সভাই গণতান্ত্ৰিক আন্দোলন কৰাৰ পোষকতা কৰে।

# প্ৰয়াত কবি নাট্যশিল্পী ৰফিকুল হুছেইনৰ স্মৃতিত কইনা কন্দা শিলৰ চকুলোঁ হৈ গুছি গ'ল "শৰবিদ্ধ নিশা"ৰ কবি ৰফিকুল হুছেইন

**অসম বাৰ্তা, ভূৰাগাঁও, ১০ ফেব্ৰুৱাৰী ঃ** "যোৱা বেলিও আহিছিলো। তিনিদিনৰ নাটক চাইছিলো। এইবাৰো আহি কালি নাটক চালো, আজিও চালো। আকৌ কালিলৈকো আহিম নাটক চাবলৈ।"- এয়া আছিল প্ৰয়াত কবি তথা নাটক বুলিলে নিজকো পাহৰি থকা শিল্পী ৰফিকুল হুছেইন ডাঙৰীয়াৰ সৈতে হোৱা অন্তিম সাক্ষাৎকাৰত তেখেতে কোৱা কথা। জানুৱাৰী ৩০, ৩১ আৰু ১ ফেব্ৰুৱাৰীত তিনিদিনীয়া কাৰ্যসূচীৰে মৰিগাঁৱৰ অন্যতম সাংস্কৃতিক অনুষ্ঠান "শ্বলংকিৰি"ৰ উদ্যোগত মৰিগাঁৱৰ ঐতিহ্যমণ্ডিত বঘৰা পাহাৰৰ গলছেপাত অনুষ্ঠিত হৈছিল "কইনা কন্দা শিল নাট মহোৎসৱ"। প্ৰকৃতিৰ সৈতে আত্মিক সম্পৰ্ক কৰি ভাল পোৱা ৰফিকুল হুছেইনে পাহাৰৰ প্ৰাকৃতিক পৰিবেশত ২০২৫ বৰ্ষত আৰম্ভ হোৱা এই নাট মহোৎসৱৰ প্ৰতিখন নাট উপভোগ কৰি অভিভূত হৈছিল। এইবেলি তেখেতে মহোৎসৱত নিজৰ নাট মঞ্চস্থ কৰাৰো প্ৰয়াস আছিল। কিন্তু ব্যক্তিগত অসুবিধাৰ বাবে মহোৎসৱত নিজৰ নাটক মঞ্চস্থ কৰিব নোৱাৰিলে যদিও ৩০ জানুৱাৰীত মহোৎসৱৰ আৰম্ভণিৰে পৰা নাটকৰ অন্যতম দৰ্শক হিছাবে প্ৰতিখন নাটক উপভোগ কৰে। ৩১ জানুৱাৰীৰ ২য় দিনৰ কাৰ্যসূচীতো উপস্থিত থাকি পাহাৰৰ ওপৰত প্ৰাকৃতিক ৰংগমঞ্চত বাঁহেৰে নিৰ্মাণ কৰি দিয়া দৰ্শকৰ গেলেৰিৰ প্ৰথম শাৰীত বহি দিনটোৰ দুয়োখন নাট উপভোগ কৰে। শেষৰ মঞ্চস্থ হোৱা পাকিজা বেগমৰ "পদ্মপ্ৰীয়া" নাটখনো শেষ কৰি পাহাৰৰ পৰা একা বেকা পথেৰে মৰিগাঁৱৰ নিৰ্মালী নামৰ হুটেল খনত নিশাটো কটাবৰ বাবে ৰাওনা হয়। প্ৰাকৃতিক পৰিবেশত নাটক উপভোগ কৰি অভিভূত হোৱা ৰফিকুল হুছেইনে যোৱাৰ পৰতো কৈ গৈছিল "কালিলৈকো নাটক চাবলৈ আহিম"। কিন্তু পিছদিনা বহু পৰলৈ কোঠাৰ দুৱাৰ নোখোলাত হুটেল কৰ্তিপক্ষই আৰক্ষীৰ সহায়ত কোঠাৰ দুৱাৰ ভাঙি প্ৰায় অচেতন অৱস্থাত তেখেতক উদ্ধাৰ কৰি জি এম চি এইচলৈ প্ৰেৰণ কৰে। কইনা কন্দা নাট মহোৎসৱৰ নাটক চাবলৈ অহা মানুহজন নাটকীয় ভাৱেই জি এম চি এইচৰ আইচিইউত মৃত্যুৰে যুঁজি জীৱন নাটৰ অৱসান ঘটালে। আকৌ আহিম বুলি উভতি নহা বাটেৰে গুছি গ'ল বিশিষ্ট কবি নাট্য শিল্পী ৰফিকুল হুছেইন। প্ৰথম দিনটোৰ পৰাই মহোৎসৱৰ নাট উপভোগ কৰিছিল ৰফিকুল হুছেইনে। "শৰবিদ্ধ আকাশৰ কবি" যেন উচ্চ ৰক্তচাপত শৰবিদ্ধ হ'ল হোটেল নিৰ্মালীৰ মজিয়াত। কোনো দিনেই উভতি নহাৰ বাটেৰে গুছি যোৱা শৰবিদ্ধ আকাশৰ কবিও কইনা কন্দা শিলৰ চকুলো হ'ল। কইনা কন্দা শিললৈ চাই দুৰনিৰ পৰা যেন শৰবিদ্ধ নিশাৰ কবিয়ে আজি ৰিঙিয়াইছে - "অ' মোৰ হাতৰ বেহেলাত শৰবিদ্ধ ৰাতিটো কঁপি কঁপি কান্দে। অ' মোৰ হাতৰ বেহেলাত শৰবিদ্ধ আকাশখনে পোহৰ পোহৰকৈ মাতে।" কবি, নাট্যকাৰ, পৰিচালক ৰফিকুল হুছেইনৰ মৃত্যু অসমৰ সাহিত্য - সংস্কৃতি জগতৰ এক অপূৰণীয় ক্ষতি। কবিতা, নাটৰ চোতাল উকা কৰি চিৰ বিদায় মাগা সহজ সৰল অমায়িক ৰফিকুল হুছেইন মাজৰ মানুহ জনক যিসকলে এবাৰ চিনি পাইছে তেওঁলোকে অনুভৱ কৰিব পাৰিব এই মৃত্যুত আমি কি হেৰুৱালো। তথাকথিত ধন দৌলতৰ আৰু নিজক প্ৰতিষ্ঠাৰ দৌৰত নামিব নজনা সচা অৰ্থত এজন আজন্ম শিল্পী আছিল হুছেইন। কৃত্ৰিমতাৰ পৰা সদায় দুৰত্ব বজাই ৰখা মাটিৰ মানুহজন মাটিৰ লগত মিলি গলেও তেওঁৰ শিল্পী সত্তা একক আৰু অনন্য হিছাবে লিখা ৰব সময়ৰ কশতি শিলত। ১৯৮৪ চনত তেওঁৰ প্ৰথম কবিতা সংকলন 'শৰবিদ্ধ আকাশ' প্ৰকাশৰ পাছত বহু দিনলৈ কাব্য প্ৰকাশৰ পৰা বিৰত থাকে যদিও পুনৰ ২০০৯ চনৰ আঁক-বাঁক প্ৰকাশনৰ পৰা তেওঁৰ দ্বিতীয়খন কাব্য সংকলন "বিষাদ বসন্ত" প্ৰকাশিত হয়। ১৯৯৫ চনত প্ৰকাশ পোৱা "ধোঁৱা দৈৱকী জলাশয়" হুছেইনৰ একমাত্ৰ নাট্য সংকলন। ২০১৮ চনত তৃতীয়খন কাব্য সংকলন "চাকিৰ চাংঘৰ" প্ৰকাশ হয়। পৰবৰ্তী সময়ত 'গোপনৰ অন্তেষপুৰ' আদি গ্ৰন্থ প্ৰকাশৰ লগতে শেহতীয়াকৈ ২০২৫ চনত কবি নীলাভ সৌৰভে সংকলিত কৰি উলিয়ায় কবিগৰাকীৰ 'ৰফিকুল হোচেইনৰ কবিতা সমগ্ৰ' শীৰ্ষক কবিতা সংকলনখনি। ১৯৮১-৮২ চনতে 'আজন্ম' নাটক খনেৰে নাট ৰচনাৰ পথত খোজ দিয়া ৰফিকুল হোছেইনে ১৯৯৫ চনত প্ৰকাশ কৰে এটি নাট্য সংকলন। "ধোঁৱা-দৈৱকী-জলাশয়" নামৰ নাট্য সংকলনটি অসমীয়া নাট্যসাহিত্যৰ ভড়াঁলৰ এটি অমুল্য সম্পদ। ইয়াৰ উপৰিও "জলপ্ৰপাত", "সপোনৰ বৃন্দাবন" "অৰণ্যত উৰ্মিলা", "ৰাতিৰ আকাশ" আদি পূৰ্ণাংগ নাটক আৰু বহুকেইখন একাংক নাটেৰে তেখেতে অসমীয়া নাট্য-সাহিত্যৰ ভড়াল সমৃদ্ধ কৰি থৈ গৈছে। জীৱনৰ বিভিন্ন অভিজ্ঞতাৰ ভিত্তিত লিখা থিয়েটাৰী গল্প সংকলন 'এটা পেটিকোটৰ কাহিনী আৰু অন্যান্য' তেখেতৰ অনন্য সৃষ্টি। প্ৰকৃতিক ভাল পোৱা। প্ৰাকৃতিক পৰিবেশত জীৱন উদযাপন কৰি ভাল পোৱা 'শৰবিদ্ধ আকাশ'ৰ কবি, প্ৰসিদ্ধ নাট্যশিল্পী ৰফিকুল হোছেইনৰ মৃত্যু অসমীয়া কাব্য আৰু নাট্য জগতৰ এক অপূৰণীয় ক্ষতি।

'শিক্ষানুষ্ঠানত কৰ্মৰ সুযোগ পোৱাটো সৌভাগ্যৰ কথা - ড° দেৱজিৎ শইকীয়া

# মাজুলী মহাবিদ্যালয়ৰ তিনিগৰাকী কৰ্মচাৰীৰ বিদায় সম্বৰ্ধনা সভা




**অসম বাৰ্তা, উজনী মাজুলী, ১০ ফেব্ৰুৱাৰী ঃ** দীৰ্ঘদিন সেৱা আগবঢ়াই অলপতে কৰ্মজীৱনৰ পৰা অৱসৰ গ্ৰহণ কৰা মাজুলী মহাবিদ্যালয়ৰ তিনিগৰাকী পৰীক্ষাগাৰ যোগনিয়াৰ ক্ৰমে ভোগেশ্বৰ বৰা, দীনকান্ত হাজৰিকা আৰু যোগ পাহাদীক আনুষ্ঠানিকভাৱে বিদায় সম্ভাষণ জনাবলৈ আজি প্ৰাণী বিজ্ঞান বিভাগৰ তৰফৰ পৰা আয়োজন কৰা হয় এখনি বিদায় সম্বৰ্ধনা সভা। প্ৰাণী বিজ্ঞান বিভাগৰ বিভাগীয় কক্ষত বিয়লি ১.৩০ বজাৰ পৰা অনুষ্ঠিত বিদায় সম্বৰ্ধনা সভাৰ আঁত ধৰে প্ৰাণী বিজ্ঞান বিভাগৰ ছাত্ৰ বিতোপন ভৰালীয়ে আৰু উদ্দেশ্য ব্যাখ্যা কৰে দ্বিতীয় যাণ্মাসিকৰ ছাত্ৰী প্ৰিয়দৰ্শিনী চৌধুৰীয়ে। ছাত্ৰী বৰ্ণিতা ভূঞা পৰিচালিত এটি সমবেত সংগীতেৰে আৰম্ভ হোৱা সভাখনত সভাপতিত্ব কৰে বিভাগৰ মুৰব্বী অধ্যাপক তথা মহাবিদ্যালয় শিক্ষক গোটৰ সম্পাদক ড° অনুপ কুমাৰ দলেয়ে। বিভাগীয় অধ্যাপিকা ড° পল্লৱী দুৱৰাই সকলোকে আদৰণী জনায়। সভাখন উদ্বোধন কৰি মাজুলী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱজিৎ শইকীয়াই কয়, "কৰ্মচাৰীসকল হৈছে শিক্ষানুষ্ঠান এখনৰ ধৰণী। কৰ্মচাৰীসকলে কৰা নিঃস্বাৰ্থ ত্যাগেই স্বৰূপাৰ্থত নিৰ্ণয় কৰে শিক্ষানুষ্ঠানৰ বিকাশৰ গতিপথ। বিপৰীতে, শিক্ষানুষ্ঠানত কৰ্ম কৰাৰ সুযোগ লাভ কৰাটোও কৰ্মচাৰী এগৰাকীৰ বাবে সৌভাগ্যৰ কথা।" তেওঁ লগতে মহাবিদ্যালয়খনিলৈ ভোগেশ্বৰ বৰা, দীনকান্ত হাজৰিকা আৰু যোগ পাহাদীয়ে আগবঢ়োৱা নিঃস্বাৰ্থ সেৱাৰ কথা বিশেষভাৱে উল্লেখ কৰি আনুষ্ঠানিকভাৱে বিদায় ল'লেও তেওঁলোকে মহাবিদ্যালয়ৰ উন্নয়নৰ দিশত সদায় সহযোগিতা আগবঢ়াই যাব বুলি আশা প্ৰকাশ কৰে। সভাত মহাবিদ্যালয়ৰ প্ৰশাসনিক সমন্বয়ক প্ৰশান্ত শইকীয়া, শৈক্ষিক সমন্বয়ক অজিত কুমাৰ শইকীয়া, শিক্ষক গোটৰ সভাপতি ড° ব্ৰজেন চন্দ্ৰ নেওগ, বিভাগীয় অধ্যাপক ড° অৰূপ বুঢ়াগোহাঁই, উদ্ভিদ বিজ্ঞান বিভাগৰ অধ্যাপিকা ইন্দিৰা বড়া, ড° মহঃ আমিনুল ইছলাম, কাৰ্যালয়ৰ মুখ্য সহায়ক পদ্মধৰ বৰুৱা প্ৰমুখ্য লোকসকল বিশিষ্ট অতিথি হিচাপে উপস্থিত থকা সম্বৰ্ধনা সভাখনিত অৱসৰপ্ৰাপ্ত কৰ্মচাৰী ক্ৰমে ভোগেশ্বৰ বৰা, দীনকান্ত হাজৰিকা আৰু যোগ পাহাদীক প্ৰাণী বিজ্ঞান বিভাগৰ শিক্ষক-শিক্ষাৰ্থীসকলৰ তৰফৰ পৰা অংগবস্ত্ৰ, মুখা, সম্বৰ্ধনা পত্ৰ, স্মাৰক আৰু গ্ৰন্থৰ টোপোলাৰে সম্বৰ্ধনা জনোৱা হয়। লগতে অহা মাৰ্চ মাহত অৱসৰ গ্ৰহণ কৰিবলগীয়া কাৰ্যালয়ৰ মুখ্য সহায়ক পদ্মধৰ বৰুৱাকো অংগবস্ত্ৰ, মুখা আৰু গ্ৰন্থৰ টোপোলাৰে আনুষ্ঠানিকভাৱে সম্বৰ্ধনা জনোৱা হয়। নিজৰ বক্তব্যত কেউগৰাকী কৰ্মচাৰীয়ে সফলতাৰে কৰ্মজীৱন সমাপ্ত কৰাৰ ক্ষেত্ৰত আগবঢ়োৱা সহযোগিতাৰ বাবে মহাবিদ্যালয় কৰ্তৃপক্ষক ধন্যবাদ জনায় আৰু বিগত দিনবোৰত মহাবিদ্যালয় পৰিয়ালৰ পৰা পোৱা দিহা-পৰামৰ্শৰ কথা সোঁৱৰণ কৰি সকলোকে কৃতজ্ঞতা জ্ঞাপন কৰে। লগতে ভৱিষ্যতৰ দিনত মাজুলীৰ উচ্চশিক্ষাৰ প্ৰথমখন অনুষ্ঠানৰ উন্নতিৰ দিশত পাৰ্যমানে সহযোগিতা আগবঢ়াই যোৱাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰে। সভাৰ শেষত শলাগৰ শৰাই আগবঢ়ায় দ্বিতীয় যাণ্মাসিকৰ ছাত্ৰী পম্পী ভৰালীয়ে।

# মাকুম অঞ্চলৰ দুটাকৈ স্থানত চুৰিকাণ্ড ঘটনা

**অসম বাৰ্তা, মাকুম, ১০ ফেব্ৰুৱাৰী ঃ** আজি পুৱতি নিশা মাকুম অশোক নগৰ দ্বিতীয় অসম আৰক্ষী বাহিনীৰ সমীপত থকা চাৰি খনকৈ দোকানত চোৰে চলালে লুটপাত। দোকান কেইখনৰ পৰা সামগ্ৰী সহ কেচ ব'ৰ নগদ ধন চোৰে লৈ যায়। চুৰিকাৰ্য সংঘটিত হোৱা দৃশ্য চিচি কেমেৰাত বন্দী হৈছে। ইপিনে একেটা সময়তে আনন্দবাগ ৩৮ নং ৰাষ্ট্ৰীয় ঘাই পথৰ কাষৰ পাঁচখন দোকানত চোৰে লুটপাত চলাই লৈ যায় সামগ্ৰী সহ নগদ ধন। ঘটনা স্থলীত মাকুম থানাৰ আৰক্ষীৰ দল উপস্থিত হৈ তদন্ত প্ৰক্ৰিয়া আৰম্ভ কৰে।

প্ৰতিযোগিতাসমূহৰ বিজয়ী-সকলক বঁটা প্ৰদান অনুষ্ঠান সম্পন্ন

# সামৰণি পৰিল ডুমডুমা গ্ৰন্থমেলাৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ১০ ফেব্ৰুৱাৰী ঃ** গ্ৰাম্য মহিলা বিকাশ সংস্থা অসমৰ উদ্যোগত ভাৰত চৰকাৰৰ শিক্ষা মন্ত্ৰালয়ৰ অধীনস্থ নেচনেল বুক ট্ৰাষ্টৰ সহযোগত তথা ডুমডুমা শতদল শাখা সাহিত্য সভাৰ শুভেচ্ছামূলক সহযোগত ৩০ জানুৱাৰীৰ পৰা ৮ ফেব্ৰুৱাৰীলৈ ডুমডুমা নগৰ খেলপথাৰত আয়োজন কৰা গ্ৰন্থমেলাখনিৰ দেওবাৰে সন্ধিয়া সামৰণি পৰে। এই উপলক্ষে আয়োজিত সামৰণি অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকি বক্তব্য প্ৰদান কৰে ডুমডুমা পৌৰসভাৰ পৌৰপতি কান্তা ভট্টাচাৰ্যই। অনুষ্ঠানত তিনিচুকীয়া জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি অৰ্জুন বৰুৱা, অসম বিজ্ঞান লেখক সংস্থাৰ প্ৰাক্তন সভাপতি তথা সাংবাদিক পেন্সনাৰ ধীৰেন ডেকা, ডুমডুমা শতেদল শাখা সাহিত্য সভাৰ সভাপতি দেবেন ডেকা আৰু ডুমডুমা প্ৰেছ ক্লাৱৰ উপসভাপতি অভিজিৎ খাটনিয়াৰে আমন্ত্ৰিত অতিথি হিচাপে অংশগ্ৰহণ কৰি বক্তব্য প্ৰদান কৰে। গ্ৰন্থমেলা উপলক্ষে আয়োজিত বিভিন্ন প্ৰতিযোগিতাৰ বিজয়ী প্ৰতিযোগীসকলক এই অনুষ্ঠানত প্ৰমাণ পত্ৰ আৰু গ্ৰন্থৰ টোপোলা পুৰস্কাৰ হিচাপে প্ৰদান কৰা হয়। সামৰণি অনুষ্ঠানত কেইবাটাও সাংস্কৃতিক কাৰ্যসূচীও পৰিৱেশন কৰা হয়। সমগ্ৰ অনুষ্ঠানটিৰ আঁত ধৰে গ্ৰন্থমেলাৰ অন্যতম উদ্যোক্তা সূৰ্য বৰদলৈয়ে।

# নগাঁও জিলাৰ ৰহা চাপমুখৰ কণমানি কন্যা হিমলী দাসে নৃত্য প্ৰৰ্দশন কৰি কঢ়িয়াই আনিলে গৌৰৱ




**অসম বাৰ্তা, ৰহা, ১০ ফেব্ৰুৱাৰী ঃ** নগাঁও জিলাৰ ৰহাৰ অন্তৰ্গত নূপুৰ নৃত্যকলা কেন্দ্ৰ চাপৰমুখ শাখাৰ নাৰায়ণ দাস আৰু ফুলমণি দাসৰ জীয়ৰী হিমলী দাসে মধ্য প্ৰদেশৰ ভূপালত অনুষ্ঠিত হোৱা dance ka dangal ৰ season 3 অংশগ্ৰহণ কৰি চতুৰ্থ স্থান দখল কৰি অঞ্চলটোলৈ গৌৰৱ কঢ়িয়াই আনে। এই সফলতাত পিতৃ মাতৃ লগতে অঞ্চলবাসী আনন্দিত হৈছে। আমাক জনোৱা অনুসৰি চিমি ৰাজবংশী আৰু ৰাহুল বৰদলৈ প্ৰশিক্ষণত কণমানি জনীয়ে এই সফলতা লাভ কৰিবলৈ সক্ষম হৈছে। উক্ত কেন্দ্ৰটোৰ মুখ্য প্ৰশিক্ষক হিচাপে প্ৰশিক্ষণ দি থকা নৃত্য সাধনা বটাঁ প্ৰাপক নৃত্যগুৰু চিমি ৰাজবংশীয়ে আজি কণমানি কণ্যা জনীৰ উজ্জ্বল ভৱিষ্যত কামনা কৰি এখন ফুলাম গামোচা আৰু এটি গছৰ পুলিৰে সম্বৰ্দ্ধনা জ্ঞাপন কৰি ছাত্ৰী গৰাকীৰ উজ্জ্বল ভৱিষ্যত কামনা কৰে। উক্ত অনুষ্ঠানত কেন্দ্ৰটোৰ ছাত্ৰ-ছাত্ৰী লগতে অভিভাৱকসকল উপস্থিত থাকি কণমানিজনীক আশীৰ্বাদ প্ৰদান কৰে।

ৰে'লৱে আৰু চৰকাৰক ব্যৱস্থা ল'বলৈ প্ৰকৃতিপ্ৰেমীৰ আহ্বান

# গিবন অভয়াৰণ্যত বিদ্যুৎস্পৃষ্ট হৈ বিলুপ্তপ্ৰায় হলৌ বান্দৰৰ কৰুণ মৃত্যু

**অসম বাৰ্তা, মৰিয়নি, ১০ ফেব্ৰুৱাৰী ঃ** যোৰহাট জিলাৰ একমাত্ৰ বন্যপ্ৰাণী অভয়াৰণ্য মৰিয়নিৰ হোলোঙাপাৰ গিবন অভয়াৰণ্যত দেওবাৰে এক শোকাৱহ তথা উদ্বেগজনক ঘটনা সংঘটিত হয়। অভয়াৰণ্যখনৰ মাজেৰে যোৱা ৰেলপথ অতিক্ৰম কৰাৰ সময়ত বিদ্যুৎস্পৃষ্ট হৈ এটা প্ৰাপ্তবয়স্ক বিলুপ্তপ্ৰায় হলৌ বান্দৰৰ অকাল মৃত্যু ঘটে। জানিব পৰা মতে, অভয়াৰণ্যখনৰ ভিতৰত থকা ৩৭৩/১২ নম্বৰ বিদ্যুত খুঁটাৰ সমীপত এই ঘটনাটো সংঘটিত হয়। খাদ্যৰ সন্ধানত বা বিচৰণৰ উদ্দেশ্যে হলৌ বান্দৰটোৱে এজোপা গছৰ পৰা আন এজোপালৈ জঁপিয়াই ৰেলপথটো অতিক্ৰম কৰিবলৈ চেষ্টা কৰিছিল। তেনে সময়তে ৰেল লাইনৰ ওপৰেৰে যোৱা ২৫, ০০০ ভল্টৰ উচ্চ ক্ষমতাসম্পন্ন বিদ্যুত পৰিবাহী তাঁৰত স্পৰ্শ হোৱাৰ লগে লগে বান্দৰটো থিতাতে নিহত হয়। মৃত হলৌ বান্দৰটো দীৰ্ঘসময় ধৰি বিদ্যুতৰ তাঁৰত ওলমি থাকে। আনফালে অভিযোগ উত্থাপন হৈছে যে বন বিভাগৰ এটা চক্ৰই এই স্পৰ্শকাতৰ ঘটনাটো সংবাদ মাধ্যমৰ পৰা লুকুৱাবলৈ চেষ্টা চলাইছিল। এতিয়া প্ৰকৃতিপ্ৰেমীৰ আহ্বান আৰু চৰকাৰলৈ দাবী ঃ ভাৰতৰ একমাত্ৰ 'এপ' প্ৰজাতি হলৌ বান্দৰৰ এনে কৰুণ মৃত্যুৱে সমগ্ৰ ৰাজ্যৰ প্ৰকৃতিপ্ৰেমীসকলক মৰ্মাহত কৰি তুলিছে। ৰেলপথৰ বৈদ্যুতিকীকৰণৰ ফলত অভয়াৰণ্যখনৰ বন্যপ্ৰাণীসমূহ যে চৰম বিপদৰ মাজত আছে, সেই কথা এই ঘটনাই পুনৰ প্ৰমাণ কৰিলে। এই ক্ষেত্ৰত বিভিন্ন দল-সংগঠন আৰু প্ৰকৃতিপ্ৰেমীয়ে ভাৰতীয় ৰে'ল বিভাগ আৰু অসম চৰকাৰক শীঘ্ৰে বিহিত ব্যৱস্থা গ্ৰহণ কৰিবলৈ আহ্বান জনাইছে।

খেলুৱৈসকলক ডুমডুমাত বিপুল আদৰণি

# ২৫ সংখ্যক ৰাষ্ট্ৰীয় স্পীড স্কেটিং প্ৰতিযোগিতাত ডুমডুমাৰ খেলুৱৈৰ সাফল্য

**ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ১০ ফেব্ৰুৱাৰী ঃ** যোৱা ৩১ জানুৱাৰী পৰা ২ ফেব্ৰুৱাৰীলৈ চেন্নাইৰ জৱাহৰলাল নেহেৰু ইনড'ৰ ষ্টেডিয়ামত অনুষ্ঠিত ২৫ সংখ্যক ৰাষ্ট্ৰীয় স্পীড স্কেটিং প্ৰতিযোগিতাত অসম দলৰ হৈ অংশগ্ৰহণ কৰি ডুমডুমাৰ চাৰিগৰাকী খেলুৱৈয়ে পদক অৰ্জন কৰিবলৈ সক্ষম হয়। এই চাৰিগৰাকী খেলুৱৈ দেওবাৰে ডুমডুমাত উপস্থিত হোৱাত ডুমডুমা ৰ'ল বল এছোচিয়েচনৰ তৰফৰ পৰা বিপুল আদৰণি জনোৱা হয়। উক্ত প্ৰতিযোগিতাখনিত অংশগ্ৰহণ কৰা ডুমডুমাৰ খেলুৱৈ আকৰ্শ কুমাৰে বাৰ বছৰ অনুৰ্দ্ধ শাখাত ১০০০ মিটাৰত সোণৰ পদক আৰু ৪০০ মিটাৰ ৰিং ৰেচত ৰূপৰ পদক, দলীয় শাখাৰ ৰীলে ৰেচত দৰ্য আগৰৱালে চৌদ্ধ বছৰ অনুৰ্ধ্ব শাখাৰ ৮০০ মিটাৰত ৰূপৰ পদক, প্ৰণিল বৰুৱাই দহ বছৰ অনুৰ্ধ্ব শাখাৰ ৰীলে ৰেচত ৰূপৰ পদক আৰু যুৱজ্যোতি দাসে আঠ বছৰ অনুৰ্ধ্ব শাখাৰ ৰীলে ৰেচত সোণৰ পদক পাবলৈ সক্ষম হয়। উল্লেখযোগ্য যে অসমৰ হৈ একক শাখাত সোণৰ পদক বুটলিবলৈ সক্ষম হোৱা একমাত্ৰ খেলুৱৈ আছিল ডুমডুমাৰ আকৰ্শ কুমাৰ। ডুমডুমা ৰ'ল বল এছোচিয়েচনৰ উদ্যোগত দেওবাৰে সন্ধিয়া ডুমডুমা নগৰৰ গান্ধী মূৰ্তিৰ কাষত এক ৰাজহুৱা সম্বৰ্দ্ধনা অনুষ্ঠান অনুষ্ঠিত কৰি খেলুৱৈসকলক অভিনন্দন জনোৱা হয়। এই অভিনন্দন অনুষ্ঠানতে অসম ৰ'লাৰ স্কেটিং এছচিয়েছনৰ অধীনত ১০ আৰু ১১ জানুৱাৰীত গুৱাহাটীত অনুষ্ঠিত সদৌ অসম স্পীড স্কেটিং প্ৰতিযোগিতা, ১৭ আৰু ১৮ জানুৱাৰীত দুলীয়াজানত অনুষ্ঠিত উজনি অসম স্পীড স্কেটিং প্ৰতিযোগিতা আৰু ৰ'ল বল প্ৰতিযোগিতাৰ পদক বিজেতা নীলেশ তাঁতী, আকৰ্শ কুমাৰ, ঋষিক বনচাল, সান্নিধ্য শিখৰ ভাজনী, নীৰৱ আগৰৱালা, ফায়াজ আলি, আৰোহণ দে আৰু পদক বিজেতা একমাত্ৰ ছোৱালী বৈদেহী শৰ্মাৰ লগতে বিভিন্ন প্ৰতিযোগিতাত সুন্দৰ প্ৰদৰ্শন আগবঢ়োৱা অদ্বিক উপাধ্যায় আৰু ৰিশান্ত শৰ্মাকো অভিনন্দন জনোৱা হয়। এই অভিনন্দন অনুষ্ঠানত উপস্থিত থাকি খেলুৱৈসকলক অভিনন্দন জনায় ডুমডুমা শতদল শাখা সাহিত্য সভাৰ সভাপতি দেবেন ডেকা, বিশিষ্ট সাংবাদিক অভিজিৎ খাটনিয়াৰ, বিশিষ্ট ব্যৱসায়ী জয় নাৰায়ণ বনচাল, শিক্ষাবিদ দিগন্ত কুমাৰ ভাজনী, সাংস্কৃতিক কৰ্মী নয়ন ডেকা আৰু দিপ্তী গোহাঁই, বিশিষ্ট সমাজকৰ্মী অৰূপ জ্যোতি ডেকা, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ ডুমডুমা আঞ্চলিক সমিতিৰ সাধাৰণ সম্পাদক ছত্ৰপতি মৰাণ, টাই আহোম যুৱ পৰিষদৰ তিনিচুকীয়া জিলা সমিতিৰ যুটীয়া সম্পাদক ঝংকাৰ গগৈ আৰু ঋতুৰাজ ফুকন, ৰূপাই শতদল শাখা সাহিত্য সভাৰ সহকাৰী সম্পাদক মৃদুপৱন বড়া প্ৰমুখ্য বহু লোকে। প্ৰশিক্ষক আয়ুস কুমাৰক অভিভাৱকসকলৰ ফালৰ পৰা এখনি ফুলাম গামোচাৰে অভিনন্দন জনোৱা হয়। ডুমডুমা ৰ'ল বল এছোচিয়েচন হৈ সভাপতি ৰাতুল গগৈ, উপ-সভাপতি দ্বিজেন শৰ্মা, সাধাৰণ সম্পাদক মিণ্টু উপাধ্যায়, সদস্য গৌতম মেধি আৰু শুভাশিষ মল্লিক উপস্থিত থকা অনুষ্ঠানটিৰ আঁত ধৰে সাধাৰণ সম্পাদক মিণ্টু উপাধ্যায়ে।

# ১৩ ফেব্ৰুৱাৰীত মাজুলী জিলা ৰেডক্ৰছ ছচাইটিৰ সাধাৰণ সভাৰ আয়োজন

**অসম বাৰ্তা, উজনী মাজুলী, ১০ ফেব্ৰুৱাৰী ঃ** ভাৰতীয় ৰেডক্ৰছ ছ'চাইটিৰ মাজুলী জিলা সমিতিৰ এখন সাধাৰণ সভা অহা ১৩ ফেব্ৰুৱাৰীত আয়োজন কৰা হৈছে। মাজুলী জিলা ৰেডক্ৰছ ছচাইটিৰ অধ্যক্ষ তথা মাজুলী জিলা আয়ুক্তৰ পৰামৰ্শ অনুসৰি উক্ত সাধাৰণ সভাখন ১৩ ফেব্ৰুৱাৰীত দিনৰ ১১ বজাৰ পৰা মাজুলী জিলা আয়ুক্তৰ কনফাৰেন্স হলত অনুষ্ঠিত হ'ব। মাজুলী জিলা ৰেডক্ৰছ ছ'চাইটিৰ এখন পূৰ্ণাঙ্গ সমিতি গঠনৰ উদ্দেশ্যে আয়োজন কৰা উক্ত, সাধাৰণ সভাত মাজুলীৰ সকলো ৰেডক্ৰছৰ আৰু সকলো স্বেচ্ছাসেৱকক উপস্থিত থাকিবলৈ আহ্বায়ক সমিতিৰ হৈ যদু কলিতা, ডাঃ থানেশ্বৰ মুদৈ আৰু দিলীপ ভূঞাই আহ্বান জনাইছে।

সত্ৰাধিকাৰ বিষ্ণুপ্ৰসাদ গোস্বামীক ৰাষ্ট্ৰপতিৰ প্ৰশংসা-পত্ৰ

# ৰাষ্ট্ৰপতি ভৱনৰ 'গ্ৰন্থ কুটিৰ'লৈ লখিমপুৰৰ শ্ৰীশ্ৰী ঘাৰমৰা সত্ৰৰ সাঁচিপতীয়া পুথি



**অসম বাৰ্তা, লীলাবাৰী, ১০ ফেব্ৰুৱাৰী ঃ** সুৰদি সুৰীয়া অসমীয়া ভাষাই ধ্ৰুপদী ভাষাৰ স্বীকৃতি পোৱাৰ সময়তে ৰাষ্ট্ৰপতি ভৱনত নতুনকৈ প্ৰতিষ্ঠা লাভ কৰা 'গ্ৰন্থ কুটিৰ' পুথিভঁড়াললৈ লখিমপুৰৰ সত্ৰত সংৰক্ষিত ১৫৬ বছৰ পুৰণি সাঁচিপতীয়া পুথি প্ৰদান কৰা হয়। জিলাখনৰ বাবে গৌৰৱৰ কথা যে, ৰাষ্ট্ৰপতি ভৱনৰ 'গ্ৰন্থ কুটীৰ' পুথিভঁড়ালত শ্ৰীশ্ৰী ঘাৰমৰা সত্ৰৰ সাঁচিপতীয়া পুথিয়ে শোভাবৰ্দ্ধন কৰিছে। উল্লেখ্য যে, শ্ৰীশ্ৰী ঘাৰমৰা সত্ৰৰ হৈ সত্ৰাধিকাৰ বিষ্ণু প্ৰসাদ গোস্বামীয়ে সত্ৰৰ সংগ্ৰহালয়ত সংৰক্ষিত ২৪৪খন পুথিৰ মাজৰ পৰা এখন পদ্ম পুৰাণ (স্বৰ্গ খণ্ড) সাঁচিপতীয়া পুথি ৰাষ্ট্ৰপতি ভৱনৰ 'গ্ৰন্থ কুটিৰ'লৈ দান দিয়ে। 'গ্ৰন্থ কুটিৰ' উদ্বোধনী অনুষ্ঠানত শ্ৰীশ্ৰী ঘাৰমৰা সত্ৰৰ হৈ ৰাষ্ট্ৰপতি ভৱনৰ নিমন্ত্ৰণ ৰক্ষা কৰি ৰাষ্ট্ৰপতি ভৱনত উপস্থিত হোৱা সত্ৰাধিকাৰ বিষ্ণু প্ৰসাদ গোস্বামীক যোৱা ২৩ জানুৱাৰীত ৰাষ্ট্ৰপতিয়ে এখন প্ৰশংসা পত্ৰ প্ৰদানেৰে সম্বৰ্দ্ধনা জনায়। অনুষ্ঠানটো ৰাষ্ট্ৰপতি ভৱন সংগ্ৰহালয়ৰ উপ-সঞ্চালক তথা অসমৰ সুযোগ্য সন্তান, যোৰহাটৰ নিবাসী পংকজ প্ৰতিম বৰদলৈৰ আপ্ৰাণ চেষ্টাত গঢ় লৈ উঠে। বিগত সময়চোৱাত বৰদলৈয়ে প্ৰথমে অসমলৈ আহি নিজে কেইখনমান পুথি সংগ্ৰহ কৰি নিয়াৰ লগতে আন কেইখনমান পুথি শংকৰদেৱ কলাক্ষেত্ৰৰ পৰা প্ৰেৰণ কৰিছিল। যোৱা ২৩ জানুৱাৰীত ৰাষ্ট্ৰপতি দ্ৰোপদী মুৰ্মুৱে 'গ্ৰন্থ কুটিৰ' নামৰ ১১টা ধ্ৰুপদী ভাষাৰ গ্ৰন্থ আৰু পাণ্ডুলিপিৰ ভঁড়াল উদ্বোধন কৰিছিল আৰু এই অনুষ্ঠানত অসমৰ কেইবাগৰাকীও সাঁচিপতীয়া পুথিৰ দাতা সত্ৰাধিকাৰে অংশগ্ৰহণ কৰে। ৰাষ্ট্ৰপতি দ্ৰোপদী মুৰ্মুৱে অসমৰ পৰা যোৱা সত্ৰাধিকাৰৰ দলটোৰ সৈতে মত-বিনিময় কৰি সাঁচিপতীয়া পুথিৰ বিষয়ে জানিব বিচাৰে। শ্ৰী শ্ৰী ঘাৰমৰা সত্ৰৰ সত্ৰাধিকাৰ বিষ্ণু প্ৰসাদ গোস্বামীয়ে সাংবাদিকক জানিবলৈ দিয়ে যে, শ্ৰী শ্ৰী ঘাৰমৰা সত্ৰৰ পৰা ৰাষ্ট্ৰপতি ভৱনলৈ দান দিয়া সাঁচিপতীয়া পুথিখন ১৫৬ বছৰ পুৰণি। সাঁচিপতীয়া পুথি কেইখনৰ বিষয়বস্তু, নিৰ্মাণ শৈলী, সংৰক্ষণ, লিখাৰ সময় আদিৰ সন্দৰ্ভত ৰাষ্ট্ৰপতিয়ে বিশদভাৱে জানিব বিচাৰে বুলি সত্ৰাধিকাৰ গোস্বামীয়ে উল্লেখ কৰে। অসমবাসীৰ বাবে সুখ খবৰ যে বৰ্তমান 'গ্ৰন্থ কুটীৰ'ত অসমৰ আঠখন আপুৰুগীয়া সাঁচিপতীয়া পুথিৰ লগতে স্বনামধন্য লেখকৰ সাহিত্য সম্ভাৰ সংৰক্ষিত হৈ আছে। ৰাষ্ট্ৰপতি ভৱন সংগ্ৰহালয়ৰ উপ-সঞ্চালক পংকজ প্ৰতিম বৰদলৈয়ে ৰাষ্ট্ৰপতি ভৱনত পুথিভঁড়াল স্থাপন কৰাৰ ক্ষেত্ৰত আগবঢ়োৱা অগ্ৰণী ভূমিকাৰ বাবে বৰদলৈক সন্মানিত কৰিবলৈ সত্ৰাধিকাৰ বিষ্ণু প্ৰসাদ গোস্বামীয়ে সংবাদ মাধ্যমৰ জৰিয়তে ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্ম্মাক আহ্বান জনায়।

# অভয়াপুৰীৰ নিচামুক্তি কেন্দ্ৰ কৰ্ম ফাউণ্ডেশ্যনত জপানীজ এনকেফেলাইটিছৰ ছিটা

**ষ্টাফ ৰিপ'ৰ্টাৰ, বঙাইগাঁও, ১০ ফেব্ৰুৱাৰী ঃ** বঙাইগাঁও জিলাৰ অভয়াপুৰীৰ নিচামুক্তি কেন্দ্ৰ কৰ্ম ফাউণ্ডেশ্যনত আজি জাপানিজ এনকেফেলাইটিছ ৰোগৰ ছিটা প্ৰদান শিৱিৰ অনুষ্ঠিত হয়। উক্ত কেন্দ্ৰত চিকিৎসাধীন হৈ থকা ২৩ গৰাকী ৰোগীৰ সৈতে কেন্দ্ৰটোত কৰ্মৰত ১৩ গৰাকী কৰ্মচাৰীক জাপানিজ এনকেফেলাইটিছ ৰোগৰ ছিটা প্ৰদান কৰা হয়। উল্লেখ্য যে চিকিৎসক ক্ৰমে ডাঃ জ্যোতিৰ্ময় দাস, ডাঃ প্ৰসেনজিৎ দাসকে ধৰি কেবাজনো নাৰ্চে চিকিৎসা প্ৰদান কৰা অভয়াপুৰী সমহীয়া স্বাস্থ্যকেন্দ্ৰৰ অৱসৰী উপ অধীক্ষক ডাঃ এম কে কাকতিয়ে চিকিৎসা পৰামৰ্শদাতা, অধিবক্তা ক্ৰমে মাণিক কলিত, নয়ন কিশোৰ দাসে আইন পৰামৰ্শদাতা হিচাৱে থকা কেন্দ্ৰটো সাতমাহ পূৰ্বে কমল কান্তি ৰায়ৰ সহযোগত উত্তৰ শালমাৰাৰ হীৰকজ্যোতি ডেকাই আৰম্ভ কৰিছিল। বিভিন্ন প্ৰান্তৰ পৰা আহি চিকিৎসাধীন হোৱা ৰোগী সকল বৰ্তমানে প্ৰায় সুস্থ হৈ উঠিছে বুলি কেন্দ্ৰটোৰ অধীক্ষকে জনাইছে।

## কংগ্ৰেছ নেতৃত্বৰ বিৰুদ্ধে

গোচৰ দাখিল কৰাৰ কথা ঘোষণা কৰিছে। গোচৰখন গৌৰৱ গগৈ, ভূপেশ বাঘেল আৰু জীতেন্দ্ৰ সিঙৰ বিৰুদ্ধে ৰুজু কৰা হৈছে। মুখ্যমন্ত্ৰীয়ে নিজৰ এ' একাউণ্টত প্ৰকাশ কৰা এক বিবৃতিত কয় যে, এই তিনিজন কংগ্ৰেছ নেতাই সংবাদমেল যোগেদি তেওঁৰ বিৰুদ্ধে মিছা, দুৰ্নীতিপৰায়ণ আৰু মানহানিকাৰক অভিযোগ উত্থাপন কৰিছে। তেওঁ লিখিছে যে এই অভিযোগসমূহে তেওঁৰ খ্যাতি আৰু সুনামক গুৰুতৰভাৱে ক্ষতিগ্ৰস্ত [illegible] ৪ ফেব্ৰুৱাৰীত গুৱাহাটীৰ ৰাজীৱ ভৱনত অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ কাৰ্যালয়ত অনুষ্ঠিত এক সংবাদমেলত গৌৰৱ গগৈ, ভূপেশ বাঘেল আৰু জীতেন্দ্ৰ সিঙে যৌথভাৱে 'whoishbs.com' নামৰ এটা ৱেবছাইট মুকলি কৰিছিল। এই ৱেবছাইটত মুখ্যমন্ত্ৰীৰ সম্পত্তি, মাটিৰ অধিকাৰ আৰু আৰ্থিক স্বাৰ্থৰ সৈতে জড়িত বিভিন্ন তথ্য সন্নিবিষ্ট কৰা বুলি দাবী কৰা হৈছিল। কংগ্ৰেছ নেতাসকলে কয় যে এই তথ্যসমূহ ৰাজহুৱাকৈ উপলব্ধ নথি-পত্ৰ, নিৰ্বাচনী শপতনামা আৰু অন্যান্য নিৰ্ভৰযোগ্য উৎসৰ ওপৰত ভিত্তি কৰি সংকলন কৰা হৈছে। সংবাদমেলত গৌৰৱ গগৈয়ে অভিযোগ কৰিছিল যে মুখ্যমন্ত্ৰীৰ পৰিয়ালৰ সদস্যসকলে অসমৰ বিভিন্ন প্ৰান্তত প্ৰায় ১২ হাজাৰ বিঘা মাটি দখল কৰি ৰাখিছে। তেওঁ দাবী কৰিছিল যে এই সম্পত্তিৰ উৎস আৰু বৈধতাৰ বিষয়ে মুখ্যমন্ত্ৰীয়ে ৰাইজৰ আগত স্পষ্ট ব্যাখ্যা দিব লাগিব। ভূপেশ বাঘেলে কয় যে বছৰ বছৰ ধৰি মুখ্যমন্ত্ৰীৰ সম্পত্তিৰ ঘোষণাপত্ৰত গুৰুতৰ অসামঞ্জস্য দেখা গৈ আহিছে, যিয়ে স্বচ্ছতা আৰু জবাবদিহিতাৰ ওপৰত গুৰুতৰ প্ৰশ্ন উত্থাপন কৰিছে। জীতেন্দ্ৰ সিঙে কয় যে এই ৱেবছাইট মুকলি কৰাৰ উদ্দেশ্য হৈছে ৰাইজৰ সন্মুখত সঠিক তথ্য উপস্থাপন কৰা আৰু বিষয়টোক আগুৱাই নিয়া। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই এই অভিযোগসমূহক সম্পূৰ্ণ ভিত্তিহীন, ৰাজনৈতিক উদ্দেশ্যপ্ৰণোদিত আৰু মানহানিকাৰক বুলি তীব্ৰভাৱে নাকচ কৰিছে। তেওঁ দাবী কৰিছে যে তেওঁৰ সকলো সম্পত্তি আইন অনুসৰি ঘোষণা কৰা হৈ আহিছে আৰু কংগ্ৰেছে উত্থাপন কৰা দাবীসমূহ কেৱল তেওঁৰ ভাবমূৰ্তি কলুষিত কৰাৰ অপচেষ্টা। এই ঘটনাই ২০২৬ চনৰ অসম বিধানসভা নিৰ্বাচনৰ পূৰ্বে ৰাজ্যিক ৰাজনীতিত নতুন উত্তাপ সৃষ্টি কৰিছে। কংগ্ৰেছে এই আইনী পদক্ষেপক ক্ষমতাৰ অপব্যৱহাৰৰ চেষ্টা বুলি অভিহিত কৰিছে, আনহাতে মুখ্যমন্ত্ৰীয়ে নিজৰ সুনাম ৰক্ষাৰ বাবে আইনী পথ অৱলম্বন কৰাৰ কথা স্পষ্ট কৰিছে।

## কথা কোৱাৰ আগতে সত্যতা

কেইদিনমান ধৰি কংগ্ৰেছৰ ৰাজ্যসভা সাংসদ আৰু অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈৰ বিৰুদ্ধে পাকিস্তানৰ সৈতে সংযোগ থকাৰ গুৰুতৰ অভিযোগ উত্থাপন কৰি আহিছে। মুখ্যমন্ত্ৰীয়ে সংবাদমেল অনুষ্ঠিত কৰি এই অভিযোগসমূহ দাঙি ধৰাৰ পিছত গৌৰৱ গগৈয়েও প্ৰত্যুত্তৰত সংবাদমেল অনুষ্ঠিত কৰি সকলো অভিযোগ অসত্য বুলি খণ্ডন কৰিছে। এই বিতৰ্কৰ মাজতে বিভিন্ন ৰাজনৈতিক নেতাই নিজৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। বিজেপিৰ কেইবাজনো নেতাই মুখ্যমন্ত্ৰীক সমৰ্থন জনোৱাৰ বিপৰীতে বিৰোধী শিবিৰৰ পৰা মুখ্যমন্ত্ৰীৰ এই দাবীসমূহক তীব্ৰ সমালোচনা কৰা হৈছে। বিশেষকৈ মুখ্যমন্ত্ৰীয়ে গৌৰৱ গগৈৰ পাকিস্তান সংযোগৰ কথা দাবী কৰিলেও কোনো নিৰ্ভৰযোগ্য প্ৰমাণ দাঙি ধৰিব নোৱাৰাৰ বাবে তেওঁৰ পদমৰ্যাদা লাঘৱ হোৱা বুলি অভিযোগ উঠিছে। এই প্ৰসংগত শেহতীয়াকৈ ৰাজ্যসভাৰ সাংসদ অজিত কুমাৰ ভূঞাই মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক পোনপটীয়াকৈ এটা গুৰুত্বপূৰ্ণ পৰামৰ্শ দিছে। ই টিভি ভাৰত অসমক দিয়া এক সাক্ষাৎকাৰত সাংসদ ভূঞাই কয়, "মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক মই এটা পৰামৰ্শ দিব বিচাৰিছোঁ। আপুনি যি কথা ক'ব, তাৰ আগতে নিশ্চিত কৰি লওক যে সেই কথা সঁচা নেকি। কাৰণ অসমৰ মুখ্যমন্ত্ৰীৰ পদটো ৰাজ্যৰ সৰ্বোচ্চ সাংবিধানিক পদ। ইয়াৰ এটা মৰ্যাদা আৰু বিশ্বাসযোগ্যতা আছে।" সাংসদগৰাকীয়ে আগবঢ়াই কয় যে ১০ ছেপ্টেম্বৰৰ আগতে মুখ্যমন্ত্ৰীয়ে দাবী কৰিছিল যে গৌৰৱ গগৈয়ে আই এছ আইৰ নিমন্ত্ৰণতহে পাকিস্তানলৈ গৈছিল আৰু তেওঁৰ ওচৰত ইয়াৰ সঠিক প্ৰমাণ আছে। কিন্তু সংবাদমেলত কোনো প্ৰমাণ দাঙি ধৰা নহ'ল। লগতে মুখ্যমন্ত্ৰীয়ে কৈছিল যে গৌৰৱ গগৈ কেইবাবাৰো পাকিস্তানলৈ গৈছে, কিন্তু সংবাদমেলত প্ৰকাশ পালে যে তেওঁ মাত্ৰ এবাৰহে গৈছিল — সেয়াও বিয়াৰ পিছত পত্নীৰ সৈতে। পত্নীৰ সৈতে ভ্ৰমণ কৰাটো অসমীয়া সংস্কৃতিৰ অংশ আৰু ই কোনো অপৰাধ নহয়। তেওঁ লগতে উল্লেখ কৰে যে মুখ্যমন্ত্ৰীয়ে আগতে দাবী কৰিছিল যে গৌৰৱ গগৈয়ে পাকিস্তানত আই এছ আইৰ পৰা প্ৰশিক্ষণ লৈছিল, কিন্তু প্ৰমাণত সেইটো মিছা বুলি প্ৰমাণিত হ'ল। আনকি মুখ্যমন্ত্ৰীয়ে কৈছিল যে গৌৰৱ গগৈৰ বিৰুদ্ধে ইমান তথ্য-প্ৰমাণ আছে যে সেইবোৰ ওলালে অসমত ভূমিকম্প হ'ব। কিন্তু সংবাদমেলৰ পিছত দেখা গ'ল যে ভূমিকম্পৰ সলনি সাংবাদিকসকলে হতাশ হ'ল আৰু ৯০ শতাংশ ৰাষ্ট্ৰীয় সংবাদমাধ্যমে এই বাতৰি প্ৰকাশ কৰাৰ পৰা বিৰত থাকিল। সাংসদ ভূঞাই এইটোক "থাৰ্ড গ্ৰেড চিনেমা"ৰ দৰে বুলি কটাক্ষ কৰে। সাংসদগৰাকীয়ে কয়, "চোৰে সকলোকে চোৰ বুলি ভাবে বুলি কথাত কয়। মুখ্যমন্ত্ৰীৰ ক্ষেত্ৰতো এই কথা খাটে যেন লাগিছে।" তেওঁ মুখ্যমন্ত্ৰীক পোনপটীয়া প্ৰশ্ন কৰে — "বাংলাদেশৰ এজন মৌলানাৰ সৈতে আপোনাৰ ফটো ওলাইছে, তেওঁ কোন? তেওঁৰ সৈতে আপোনাৰ সম্পৰ্ক কি? কিয় আপুনি বাংলাদেশৰ মৌলানাসকলক লগ কৰিবলৈ যায়?" সাংসদ ভূঞাই অৰুণোদয় আঁচনিৰ ১, ২৫০ টকাৰ সাহায্যৰে অসমৰ ৰাইজৰ বিবেক কিনি পেলোৱাৰ চিন্তা এৰি দিবলৈ মুখ্যমন্ত্ৰীক সতৰ্ক কৰি কয় যে অসমৰ ৰাইজ অতি সচেতন আৰু জ্ঞানী। তেওঁলোকে নীৰৱে সকলো চাই-শুনি-বুজি ভোটৰ দিনা সিদ্ধান্ত ল'ব। এই কথাবোৰক ৰাজনৈতিক আক্ৰমণ নহয়, মাত্ৰ এটা অনুৰোধ বা পৰামৰ্শ বুলি তেওঁ উল্লেখ কৰে। শেষত গৌৰৱ গগৈক মুখ্যমন্ত্ৰীৰ সৈতে তুলনা কৰি সাংসদ ভূঞাই কয় যে যদিও গৌৰৱ গগৈ বয়সত সৰু, ৰাজনৈতিক পৰিপক্কতা আৰু দায়বদ্ধতাৰ ক্ষেত্ৰত তেওঁ বহু ওপৰত। "সঁচা কথা ক'বলৈ উচ্চস্বৰৰ প্ৰয়োজন নহয়, কিন্তু মিছা ক'বলৈ ডাঙৈকৈ চিঞৰিব লাগে। আপুনি জোৰেৰে কথা কৈ কিছু সময়ৰ বাবে মানুহক বিভ্ৰান্ত কৰিব পাৰে, কিন্তু মিছাক সঁচা বনাব নোৱাৰে, "— এনেদৰে তেওঁ মুখ্যমন্ত্ৰীক সমালোচনা কৰে।

## ১২ ফেব্ৰুৱাৰীত 'ভাৰত

ইতিমধ্যে এক যৌথ বিবৃতিৰ জৰিয়তে এই কথা ৰাজহুৱা কৰিছে। কেন্দ্ৰীয় চৰকাৰে গ্ৰহণ কৰা শ্ৰমিক বিৰোধী আৰু কৃষক বিৰোধী নীতিৰ বিৰুদ্ধে এই ধৰ্মঘটৰ আয়োজন কৰা হৈছে। বিশেষকৈ চৰকাৰে প্ৰৱৰ্তন কৰা চাৰিটা নতুন শ্ৰম সংহিতাক (লেবাৰ ক'ড) শ্ৰমিকৰ মৌলিক অধিকাৰ হৰণ কৰাৰ আঁচনি বুলি অভিযোগ উত্থাপন কৰি সংগঠনসমূহে এই সংহিতাসমূহ সম্পূৰ্ণৰূপে বাতিলৰ দাবী জনাইছে। ইয়াৰ উপৰিও ন্যূনতম মজুৰিৰ উল্লেখযোগ্য বৃদ্ধি, সকলো শ্ৰমিকৰ বাবে সামাজিক সুৰক্ষাৰ ব্যৱস্থা, চুক্তিভিত্তিক নিয়োগৰ অন্ত, এম.জি.এন.আৰ.ই.জি.এ. আঁচনিৰ পুনৰ সক্ৰিয়কৰণ, কৃষকৰ বাবে ন্যূনতম সমৰ্থন মূল্যৰ আইনী নিশ্চয়তা, মূল্যবৃদ্ধি নিয়ন্ত্ৰণ, ৰেল-বিদ্যুৎকে ধৰি ৰাষ্ট্ৰীয় সম্পত্তিৰ ব্যক্তিগতকৰণ বন্ধ কৰা আদি বহু দাবীৰে এই ধৰ্মঘটক শক্তিশালী কৰা হৈছে। ধৰ্মঘটৰ আহ্বান জনোৱা সংগঠনসমূহ হৈছে ইণ্টক (INTUC), এ আই টি ইউ চি (AITUC), এইচ এম এছ (HMS), চি আই টি ইউ (CITU), এ আই ইউ টি ইউ চি (AIUTUC), টি ইউ চি চি (TUCC), ছিওৱা (SEWA), এ আই চি চি টি ইউ (AICCTU), এল পি এফ (LPF) আৰু ইউ টি ইউ চি (UTUC)। এই সকলো সংগঠনৰ নেতৃত্বই একেলগে এই সিদ্ধান্ত গ্ৰহণ কৰিছে। এই ধৰ্মঘটৰ ফলত ১২ ফেব্ৰুৱাৰীত সমগ্ৰ দেশতে ব্যৱসায়িক প্ৰতিষ্ঠান, কাৰখানা, বেংক, চৰকাৰী-বেচৰকাৰী অফিচ-কাছাৰী, স্কুল-কলেজ, ৰেল-বাছ-টেম্পু-অটো আদি যান-বাহনৰ চলাচল সম্পূৰ্ণৰূপে বন্ধ ৰখাৰ আহ্বান জনোৱা হৈছে। শ্ৰমিক নেতৃত্বই জনসাধাৰণৰ প্ৰতি অনুৰোধ জনাইছে যে সেইদিনা যথাসম্ভৱ ঘৰতে থাকি ধৰ্মঘট সফল কৰাত সহায় কৰক। অসমতো বিভিন্ন শ্ৰমিক সংগঠনে এই ধৰ্মঘটৰ সমৰ্থনত বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰাৰ প্ৰস্তুতি চলাইছে। শ্ৰমিক-কৃষকৰ ঐক্যৰ এই বৃহৎ প্ৰদৰ্শনীয়ে চৰকাৰৰ ওপৰত চাপ সৃষ্টি কৰিব বুলি সংগঠনসমূহে আশা প্ৰকাশ কৰিছে।

## লোকসভাত প্ৰধানমন্ত্ৰীৰ সমুখত প্ৰতিবাদ কৰিবলৈ

মতানৈক্যৰ সৃষ্টি হৈছে। এই পৰিস্থিতিত সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজুৱে মঙলবাৰে এক্সত এটা ভিডিঅ' শ্বেয়াৰ কৰি দাবী কৰিছে যে ৪ ফেব্ৰুৱাৰীত কংগ্ৰেছৰ মহিলা সাংসদসকলে লোকসভাৰ ভিতৰতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আসনৰ ওচৰত প্ৰতিবাদ কৰিবলৈ সাজু হৈছিল। ভিডিঅ'টোত দেখা যায় যে বিৰোধীৰ এজাক মহিলা সাংসদে বেনাৰ লৈ ট্ৰেজাৰী বেঞ্চৰ ফালে আগবাঢ়ি গৈছে আৰু প্ৰধানমন্ত্ৰীৰ বহা ঠাইৰ ওচৰত থিয় হৈ প্ৰতিবাদৰ ভংগিমা দেখুৱাইছে। কেন্দ্ৰীয় মন্ত্ৰী অশ্বিনী বৈষ্ণৱ আৰু বিজেপিৰ আন জ্যেষ্ঠ সাংসদসকলে তেওঁলোকক সেই ঠাইৰ পৰা আঁতৰি যাবলৈ অনুৰোধ কৰা দেখা যায়। এ'ত পোষ্ট কৰি ৰিজিজুৱে লিখিছে, "কংগ্ৰেছ পাৰ্টীয়ে নিজৰ সাংসদৰ আটাইতকৈ অৱমাননামূলক আচৰণত গৌৰৱ অনুভৱ কৰে! যদি আমি বিজেপি আৰু এন ডি এৰ সকলো সাংসদক নিয়ন্ত্ৰণ নকৰিলোঁহেঁতেন আৰু মহিলা সাংসদসকলক কংগ্ৰেছ সাংসদৰ মুখামুখি হ'বলৈ নিদিলোঁহেঁতেন, তেন্তে অতি বেয়া পৰিৱেশৰ সৃষ্টি হ'লহেঁতেন। সংসদৰ মৰ্যাদা আৰু পবিত্ৰতা ৰক্ষাৰ বাবে আমাৰ অতি উচ্চ বিবেচনা আছে।" অধ্যক্ষ ওম বিৰলাই পিছত স্পষ্ট কৰি দিয়ে যে তেওঁ প্ৰধানমন্ত্ৰীক অধিৱেশন এৰি যাবলৈ কৈছিল কাৰণ বিৰোধী সাংসদসকলে তেওঁৰ ওপৰত "আক্ৰমণ"ৰ পৰিকল্পনা কৰিছিল বুলি তথ্য লাভ হৈছিল। ফলত প্ৰধানমন্ত্ৰীৰ ভাষণৰ কিছু সময়ৰ আগতে সদন স্থগিত ৰখা হয়। এই ঘটনাৰ পিছতে বিজেপিৰ কেইবাগৰাকীও মহিলা সাংসদে লোকসভাৰ অধ্যক্ষ ওম বিৰলাৰ ওচৰত লিখিত অভিযোগ দাখিল কৰিছে। তেওঁলোকে অভিযোগ কৰিছে যে কংগ্ৰেছৰ মহিলা সাংসদসকলে সংসদীয় নিয়ম ভংগ কৰি ট্ৰেজাৰী পক্ষৰ সীমা পাৰ হৈ প্ৰধানমন্ত্ৰীৰ আসন ঘেৰি ধৰিছিল আৰু অধ্যক্ষৰ ওপৰতো কাগজ নিক্ষেপ কৰিছিল। সাংবাদিকৰ সৈতে কথা পাতি কিৰেণ ৰিজিজুৱে কয়, "কংগ্ৰেছৰ সাংসদসকলে ট্ৰেজাৰী পক্ষৰ ফালে আগবাঢ়ি গৈ প্ৰধানমন্ত্ৰীৰ বেঞ্চ পাৰ হৈ গৈছিল আৰু প্ৰায় সমগ্ৰ ঠাই আগুৰি ধৰিছিল। ইয়াৰ ফলত বিজেপিৰ মহিলা সাংসদসকল অতি উত্তেজিত হৈ পৰিছিল। আমি নিজৰ সাংসদসকলক নিয়ন্ত্ৰণ কৰিবলগীয়া হৈছিল। তেওঁলোকে অধ্যক্ষৰ চেম্বাৰলৈ গৈ অভিযোগ দাখিল কৰিছে। এতিয়া চাব লাগিব অধ্যক্ষই কি ব্যৱস্থা গ্ৰহণ কৰে।" কংগ্ৰেছৰ মহিলা সাংসদসকলে অধ্যক্ষক লিখা পত্ৰত দাবী কৰিছে যে শাসকীয় দলে তেওঁলোকৰ বিৰুদ্ধে "মিছা, ভিত্তিহীন আৰু মানহানিকাৰক" অভিযোগ উত্থাপন কৰিবলৈ বাধ্য কৰাইছে। এই ঘটনাই বাজেট অধিৱেশনৰ পৰিৱেশক আৰু অধিক উত্তপ্ত কৰি তুলিছে। দুয়োপক্ষই একে আনৰ বিৰুদ্ধে সংসদৰ মৰ্যাদা ভংগৰ অভিযোগ উত্থাপন কৰি আহিছে।

## বিজেপিৰ 'পইণ্ট-ব্লেংক শ্বট'

ইণ্টেলিজেন্স) সহায়ত নিৰ্মিত চিত্ৰৰ জৰিয়তে ধৰ্মীয় সংখ্যালঘু লোকক লক্ষ্য কৰি ৰাইফলৰ পইণ্ট-ব্লেংক শ্বট মাৰি থকা দেখুৱা হৈছে। ভিডিঅ'টোৰ কেপচনত "পইণ্ট-ব্লেংক শ্বট" বুলি লিখা আছিল আৰু ইয়াত "No Mercy", "Why did you not go to Pakistan?" আদি উত্তেজক বাক্যাংশো অন্তৰ্ভুক্ত আছিল। এই ভিডিঅ'টো ৭ ফেব্ৰুৱাৰীত পোষ্ট কৰা হৈছিল যদিও ৰাইজৰ তীব্ৰ প্ৰতিক্ৰিয়াৰ পিছত ৰাজ্যিক বিজেপিয়ে তৎক্ষণাত আঁতৰাই দিয়ে। ভিডিঅ'টোত মুখ্যমন্ত্ৰীয়ে ৰাইফল হাতত লৈ থকা প্ৰকৃত ফুটেজৰ সৈতে এ আইৰ দ্বাৰা সৃষ্টি কৰা দুগৰাকী সংখ্যালঘু লোকৰ (এজনৰ মূৰত টুপী আৰু আনজনৰ দাড়ি) ছবিৰ প্ৰতি গুলী চলোৱা দেখুৱা হৈছে। ইয়াৰ লগতে অসম কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈৰ এটা ছবিও এ আইৰ জৰিয়তে সংযোজন কৰি দেখুৱা হৈছে বুলি অভিযোগ উঠিছে। এই ঘটনাৰ প্ৰতিবাদত অসম প্ৰদেশ কংগ্ৰেছে মঙলবাৰে দিছপুৰ আৰক্ষী থানাত এখন এজাহাৰ দাখিল কৰে। বিধায়ক দিগন্ত বৰ্মন আৰু শিৱামণি বৰাই স্বাক্ষৰ কৰা এজাহাৰখন দাখিল কৰাত মিডিয়া বিভাগৰ অধ্যক্ষ বেদব্ৰত বৰা আৰু ৰাজ্যিক সমন্বয়ক গোপাল শৰ্মাই সংগ দিয়ে। বিধায়ক দিগন্ত বৰ্মনে সংবাদ মাধ্যমৰ আগত কয় যে, "এই ভিডিঅ'ই মুখ্যমন্ত্ৰীক সংখ্যালঘু লোকৰ প্ৰতি গুলী চলোৱা দেখুৱাইছে, যিটো অতি গৰ্হিত। তেখেতে সংবিধানৰ শপত লৈ ৰাজ্য চলাই আছে, কিন্তু এনে কামৰ দ্বাৰা বিশ্বজুৰি প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। আমি আইনৰ ধাৰাত গোচৰ ৰুজু কৰি বিহিত ব্যৱস্থাৰ দাবী জনাইছোঁ।" বিধায়ক শিৱামণি বৰাই কয়, "বিজেপিয়ে সাম্প্ৰদায়িক বিষবাষ্প বিয়পাবলৈ এনে অপকৰ্ম কৰিছে। গণতান্ত্ৰিক দেশত এনে কাম কৰিব নোৱাৰি। এই ভিডিঅ'ই সমগ্ৰ বিশ্বতে প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে।" বেদব্ৰত বৰাই তীব্ৰ ভাষাৰে কয় যে, "মুখ্যমন্ত্ৰীক গ্ৰেপ্তাৰ কৰিব লাগে। তেখেত সন্ত্ৰাসবাদী নে মুখ্যমন্ত্ৰী? বিজেপিয়ে নিজৰ মুখ্যমন্ত্ৰীক সন্ত্ৰাসবাদীৰ দৰে চিত্ৰিত কৰিছে।" এই বিতৰ্কৰ মাজতে অসমত ২০২৬ চনৰ বিধানসভা নিৰ্বাচনৰ প্ৰস্তুতি চলি আছে। নিৰ্বাচন মাৰ্চ-এপ্ৰিল মাহত অনুষ্ঠিত হ'ব বুলি আশা কৰা হৈছে, য'ত ১২৬টা আসনৰ বাবে প্ৰায় ২.৫ কোটি মতদাতাই ভোট দিব। শেহতীয়াকৈ প্ৰকাশিত চূড়ান্ত ভোটাৰ তালিকাত ২, ৪৯, ৫৮, ১৩৯ গৰাকী মতদাতাৰ নাম অন্তৰ্ভুক্ত হৈছে, যিটো ড্ৰাফ্‌ট তালিকাৰ পৰা ২, ৪৩, ৪৮৫ গৰাকীৰ হ্ৰাস। এই ঘটনাই ৰাজ্যিক ৰাজনীতিত নতুন উত্তেজনাৰ সৃষ্টি কৰিছে, বিশেষকৈ নিৰ্বাচনৰ পূৰ্বে সাম্প্ৰদায়িক বিষয়ক লৈ। কংগ্ৰেছে ইয়াক ঘৃণামূলক ভাষণ আৰু হিংসাৰ আহ্বান বুলি অভিহিত কৰিছে, আনহাতে বিজেপিৰ পক্ষৰ পৰা এতিয়ালৈকে কোনো আনুষ্ঠানিক প্ৰতিক্ৰিয়া প্ৰকাশ পোৱা নাই।

## ক'টলৈ গ'লে নিজেই

ৰাজ্যৰ জলসম্পদ, তথ্য আৰু ৰাজহুৱা সম্পৰ্ক বিভাগৰ মন্ত্ৰী পীযুষ হাজৰিকাই কংগ্ৰেছৰ ৰাজ্যসভা সাংসদ তথা অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সভাপতি গৌৰৱ গগৈক তীব্ৰ কটাক্ষ কৰে। সভাত অংশগ্ৰহণ কৰাৰ পিছত সংবাদমেলত মন্ত্ৰীগৰাকীয়ে গৌৰৱ গগৈৰ বিৰুদ্ধে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ উত্থাপিত পাকিস্তান সংযোগৰ অভিযোগক লৈ কেইবাটাও গুৰুতৰ মন্তব্য কৰে। মন্ত্ৰী পীযুষ হাজৰিকাই কয় যে গৌৰৱ গগৈয়ে যদি সঁচাকৈয়ে নিজৰ বিৰুদ্ধে অভিযোগসমূহ অসত্য বুলি ভাবে, তেন্তে তেওঁ ক'টলৈ গৈ মানহানিৰ মোকৰ্দমা দাখিল কৰিব লাগিছিল। "ইমান দিন ধৰি 'ক'টলৈ যাম, যাম' বুলি কৈ আহিছে কিন্তু যোৱা নাই। কাৰণ তেওঁ জানে যে ক'টলৈ গ'লে নিজেই বিপদত পৰিব।" — এনেদৰে তীক্ষ্ণ কটাক্ষ কৰে মন্ত্ৰীগৰাকীয়ে। তেওঁ কয় যে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই বহুদিন ধৰি গৌৰৱ গগৈক পাকিস্তানী এজেণ্ট বুলি অভিহিত কৰি আহিছে। "যদি এই অভিযোগ মিছা হয়, তেন্তে গৌৰৱ গগৈয়ে বহুদিনৰ আগতেই মানহানিৰ মোকৰ্দমা দিব লাগিছিল। কিন্তু তেওঁ নিজেই জানে যে সেই মোকৰ্দমাত তেওঁ ফচিব। গতিকে তেওঁ ক'টলৈ যাব নোখোজে।" — মন্ত্ৰী হাজৰিকাৰ এই মন্তব্যই ৰাজ্যৰ ৰাজনৈতিক মহলত নতুন চৰ্চাৰ সৃষ্টি কৰিছে। ইয়াৰ উপৰিও মন্ত্ৰীগৰাকীয়ে প্ৰাক্তন মুখ্যমন্ত্ৰী তৰুণ গগৈৰ পৰিয়ালৰ প্ৰসংগ উত্থাপন কৰি আৱেগিক হৈ পৰে। তেওঁ কয় যে তৰুণ গগৈ ডাঙৰীয়াৰ নাতিসকলক ভাৰতীয় পৰম্পৰা আৰু আহোম সংস্কৃতিলৈ ঘূৰাই অনা উচিত। "নাতি কেইজনক ভাৰতীয় নাগৰিকত্ব দিয়ক, ভাৰতীয় পৰম্পৰাৰে ডাঙৰ-দীঘল কৰক, আহোম পৰম্পৰাৰে ডাঙৰ-দীঘল কৰক। খ্ৰীষ্টান হ'লে অসমীয়া মানুহৰ মনত আঘাত লাগে। যদি খ্ৰীষ্টান হৈ জন্ম হয় তেন্তে কথা নাই, কিন্তু ধৰ্মান্তৰ হ'লে কষ্ট লাগে।" — এনেদৰে তেওঁ গৌৰৱ গগৈৰ পৰিয়ালৰ ধৰ্ম আৰু নাগৰিকত্বৰ পৰিৱৰ্তনৰ বিষয়টোক লৈ প্ৰশ্ন উত্থাপন কৰে। এই মন্তব্যসমূহৰ জৰিয়তে মন্ত্ৰী পীযুষ হাজৰিকাই গৌৰৱ গগৈৰ বিৰুদ্ধে চলি থকা পাকিস্তান সংযোগৰ বিতৰ্কক আৰু তীব্ৰতৰ কৰি তুলিছে। বিজেপিৰ নেতৃত্বই এই অভিযোগসমূহক ভিত্তিহীন বুলি খণ্ডন কৰাৰ বিপৰীতে ৰাজ্যৰ ৰাজনীতিত ইয়াৰ প্ৰভাৱ ক্ৰমান্বয়ে বাঢ়ি আহিছে। আগন্তুক বিধানসভা নিৰ্বাচনৰ প্ৰেক্ষাপটত এই ধৰণৰ বিতৰ্কই ৰাজ্যৰ ৰাজনৈতিক উষ্ণতা বৃদ্ধি কৰিছে।

# সাংবাদিক কল্পজিৎ শইকীয়ালৈ ২০২৫-২৬ বৰ্ষৰ বৰ্ণিল শ্ৰেষ্ঠ যুৱ সাংবাদিকৰ বটাঁ মাহেকীয়া আলোচনী 'বৰ্ণিল'ৰ



**অসম বাৰ্তা, উজনী মাজুলী, ৯ ফেব্ৰুৱাৰী ঃ** ৮ ফেব্ৰুৱাৰীত ডিব্ৰুগড়ৰ পৰা প্ৰকাশিত অসমীয়া মাহেকীয়া আলোচনী অসমীয়া বৰ্ণিলৰ সপ্তম বাৰ্ষিক প্ৰতিষ্ঠা দিৱস গুৱাহাটীস্থিত অসম সাহিত্য সভা ভৱনৰ জয়ন্ত বৰুৱা-লখিমী বৰুৱা প্ৰেক্ষাগৃহত বৰ্ণিল কাৰ্যসূচীৰে উদযাপন কৰা হয়। বৰ্ণিল আলোচনীৰ উপদেষ্টা কেশৱ কুমাৰ শইকীয়াই পতাকা উত্তোলনে অনুষ্ঠানটিৰ শুভ উদ্বোধন কৰে। তাৰপিছতে জেষ্ঠ কবি, ভাষাবিধ প্ৰমোদ কুমাৰ ভট্টাচাৰ্য আৰু যোগানন্দ মহন্তই ক্ৰমে বন্তি প্ৰজ্বলন আৰু শ্ৰদ্ধাঞ্জলি অনুষ্ঠানটিৰ আৰম্ভ কৰে। জ্যোতিৰূপা মহিলা সংঘৰ দ্বাৰা পৰিবেশিত সমবেত সংগীতটিৰে মঞ্চ উদ্বোধন কৰে। আলোচনীৰ সম্পাদক ডিম্পল গগৈয়ে আঁতধৰা অনুষ্ঠানটিত সভাপতিত্ব কৰে সাহিত্য অকাডেমি বঁটা বিজয়ী জয়ন্ত মাধৱ বৰাই আৰু বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে বিশিষ্ট সাহিত্যিক দয়ানন্দ পাঠক, কমলজিৎ কলিতা, বুলজিৎ বুঢ়াগোহাঁই আৰু বিপুল শৰ্মাই। উক্ত অনুষ্ঠানটিত অসমীয়া সাহিত্য, সংবাদ, সমাজ, সংস্কৃতি আদি ক্ষেত্ৰলৈ বৰঙনি আগবঢ়োৱা ৮জন বিশিষ্ট ব্যক্তিক সন্মান প্ৰদানো কৰা হয়। বিশিষ্ট ঔপন্যাসিক, গল্পকাৰ ফণীন্দ্ৰ কুমাৰ দেৱ চৌধুৰীলৈ ২০২৫-২৬ বৰ্ষৰ 'বৰ্ণিল সাহিত্য প্ৰভা' সন্মান, প্ৰতিদিন কাকতৰ জ্যেষ্ঠ সাংবাদিক ললিত গগৈলৈ ২০২৫-২৬ বৰ্ষৰ 'বৰ্ণিল সংবাদ প্ৰহৰী' সন্মান, যুৱ কবি জোনমণি দাসলৈ ২০২৫-২৬ বৰ্ষৰ 'বৰ্ণিল যুৱ সাহিত্য সৌৰভ' সন্মান, নিউজ ১৮ অসমৰ সাংবাদিক শ্ৰীযুতা ৰশ্মিতা গোস্বামীলৈ ২০২৫-২৬ বৰ্ষৰ 'বৰ্ণিল অনুষ্ঠান পৰিৱেশিকা' সন্মান, জনপ্ৰিয় কণ্ঠশিল্পী, গীতিকাৰ দেৱজিৎ বড়ালৈ ২০২৫-২৬ বৰ্ষৰ 'বৰ্ণিল শ্ৰেষ্ঠ কণ্ঠশিল্পী' সন্মান, মাজুলিৰ সন্তান তথা বৰ্তমানৰ NK TV যুৱ সাংবাদিক কল্পজিৎ শইকীয়ালৈ ২০২৫-২৬ বৰ্ষৰ 'বৰ্ণিল যুৱ সাংবাদিক' সন্মান, বিশিষ্ট সমাজকৰ্মী পিংকু মহন্তলৈ ২০২৫-২৬ বৰ্ষৰ 'বৰ্ণিল সেৱাশ্ৰী' সন্মান, বিশিষ্ট সমাজকৰ্মী ড° সুষমা মজুমদাৰলৈ ২০২৫-২৬ বৰ্ষৰ 'বৰ্ণিল কৰ্মশ্ৰী' সন্মান প্ৰদান কৰা হয়। উক্ত অনুষ্ঠানতেই শিশু সাহিত্য অকাডেমী বঁটা প্ৰাপক বিশিষ্ট শিশু সাহিত্যিক, গীতিকাৰ সুৰেন্দ্ৰ মোহন দাসক বিশেষভাৱে সম্বৰ্ধনা জনোৱা হয়। শিশু ডিনচি বৰা আৰু টুনচি বৰাই গীত আৰু নৃত্যৰে কাব্য অনুষ্ঠানটিত শ্ৰুতিমধুৰ কৰি তুলে। বিশিষ্ট কবি, সাংবাদিক অংকুৰ ৰনজন চাংমাইৰ সঞ্চালনাত 'বৰ্ণিল অনুভৱ' নামেৰে এখনি কবি সন্মিলনো অনুষ্ঠিত হয়। অৰ্ধ শতাধিক কবিৰে গুঞ্জৰিত কবি সন্মিলনখন অসমৰ ইমূৰৰপৰা সিমূৰলৈ বিয়পি থকা কাব্য প্ৰেমীয়ে সাফল্য মণ্ডিত কৰি তুলে। এই সভাতে সদৌ অসম ভিত্তিত আয়োজিত গল্প আৰু কবিতা প্ৰতিযোগিতাত স্থানপ্ৰাপ্ত প্ৰতিযোগীসকলকো উক্ত অনুষ্ঠানত পুৰস্কাৰ প্ৰদান কৰা হয়।

## গোষ্ঠী সংঘৰ্ষত আকৌ

প্ৰধান লেফটেনেণ্ট জেনেৰেল বিকাশ লখেৰাক অতি শীঘ্ৰে মণিপুৰলৈ যোৱাৰ নিৰ্দেশ দিছে। মঙলবাৰে এই নিৰ্দেশ জাৰি কৰা হৈছে। উখৰুল জিলাত টাংখুল নগা সম্প্ৰদায়ৰ এজন ব্যক্তিৰ ওপৰত আক্ৰমণৰ অভিযোগ উঠাৰ পিছতে ৰাজ্যখনত নতুনকৈ উত্তেজনাৰ সৃষ্টি হৈছে। অচিনাক্ত আক্ৰমণকাৰীয়ে কেইবাটাও পৰিত্যক্ত ঘৰ জ্বলাই দিয়াৰ লগতে গুলীচালনাও কৰাৰ খবৰ পোৱা গৈছে। এই ঘটনাৰ পিছতে মণিপুৰ চৰকাৰে উখৰুল জিলাত ৫ দিনৰ বাবে ইণ্টাৰনেট সেৱা সম্পূৰ্ণৰূপে স্থগিত ৰখাৰ নিৰ্দেশ জাৰি কৰিছে। গৃহ মন্ত্ৰণালয়ৰ নিৰ্দেশৰ পিছতে অসম ৰাইফলছৰ সঞ্চালকপ্ৰধান লেফটেনেণ্ট জেনেৰেল বিকাশ লখেৰাই বুধবাৰে দিল্লীত অনুষ্ঠিত হ'বলগীয়া 'ইউনিটি উৎসৱ ২.০ — ৱান নেচন, ৱান ড্ৰিম' অনুষ্ঠানত অংশগ্ৰহণ কৰিব নোৱাৰিব। এই অনুষ্ঠানৰ অংশ হিচাপে তেখেতে এটা সংবাদমেল সম্বোধন কৰাৰ কথা আছিল যিটো এতিয়া বাতিল কৰা হৈছে। অসম ৰাইফলছৰ এগৰাকী মুখপাত্ৰই ই টিভি ভাৰতক জনোৱা মতে "সঞ্চালকপ্ৰধানগৰাকী মণিপুৰলৈ ৰাওনা হ'বলগীয়া হোৱাৰ বাবে সংবাদমেলখন বাতিল কৰা হৈছে।" 'ইউনিটি উৎসৱ ২.০ — ৱান নেচন, ৱান ড্ৰিম' হৈছে উত্তৰ-পূৰ্বাঞ্চলৰ সাংস্কৃতিক আৰু ক্ৰীড়া পৰিচয়ক উদযাপন কৰা তিনিদিনীয়া এক অনুষ্ঠান। নৰ্থ-ইষ্ট এছোচিয়েচন ফৰ ছ'চিয়েল ৱেলফেয়াৰৰ সহযোগত আৰু অসম ৰাইফলছৰ উদ্যোগত এই কাৰ্যসূচী অনুষ্ঠিত হৈ আহিছে। ইফালে, মণিপুৰ চৰকাৰে উখৰুল জিলাত ইণ্টাৰনেট সেৱা স্থগিত ৰখাৰ আদেশত উল্লেখ কৰিছে যে, বৰ্তমানৰ অস্থিৰ আইন-শৃংখলা পৰিস্থিতিত কিছুমান অসামাজিক উপাদানে ছ'চিয়েল মিডিয়াৰ জৰিয়তে উচটনিমূলক ছবি, ভিডিঅ' আৰু পোষ্ট প্ৰচাৰ কৰি জনসাধাৰণৰ আবেগক উস্কনি দিব পাৰে। ইয়াৰ ফলত ৰাজ্যৰ শান্তি-শৃংখলাৰ ওপৰত গুৰুতৰ প্ৰভাৱ পৰিব পাৰে বুলি আশংকা কৰা হৈছে। আদেশত স্পষ্টভাৱে কোৱা হৈছে যে, উখৰুল জিলাৰ সমগ্ৰ ৰাজহ অধিকাৰক্ষেত্ৰত ব্ৰডবেণ্ড, ভি পি এন, ভি এছ এ টি আদি সকলো ধৰণৰ ইণ্টাৰনেট ডাটা সেৱা অস্থায়ীভাৱে বন্ধ কৰি ৰখা হ'ব। এই ঘটনাৰ পিছতে কুকি অৰ্গেনাইজেচন ফৰ হিউমেন ৰাইটছট্ৰাষ্ট (KOHUR)য়ে গুৰুতৰ উদ্বেগ প্ৰকাশ কৰিছে।

## ৰাজ্যজুৰি প্ৰদেশ কংগ্ৰেছৰ

মঙলবাৰে ৰাজ্যৰ বিভিন্ন জিলা সদৰত একেলগে এই প্ৰতিবাদ অনুষ্ঠিত হয়। গুৱাহাটীত মানবেন্দ্ৰ শৰ্মা কমপ্লেক্সত অসম প্ৰদেশ মহিলা কংগ্ৰেছৰ সভানেত্ৰী মীৰা বৰঠাকুৰৰ নেতৃত্বত এই প্ৰতিবাদ সফলভাৱে সম্পন্ন হয়। প্ৰতিবাদকাৰীসকলে "দেশতকৈ মামী ডাঙৰ নহয়", "মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ সম্পত্তিৰ হিচাপ লাগে" আদি শ্ল'গান দি মুখ্যমন্ত্ৰী আৰু তেওঁৰ পত্নীৰ বিৰুদ্ধে তীব্ৰ অভিযোগ উত্থাপন কৰে। প্ৰতিবাদস্থলীত আইন-শৃংখলা ৰক্ষাৰ বাবে যথেষ্ট সংখ্যক আৰক্ষী মোতায়েন কৰা হৈছিল। মীৰা বৰঠাকুৰে সাংবাদিকৰ আগত কয় যে, অসম কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈয়ে পাকিস্তান ভ্ৰমণৰ সময়ত ভাৰত চৰকাৰৰ সকলো নিয়ম-নীতি আৰু প্ৰট'কল মানি চলিছিল। তেওঁ লগতে প্ৰশ্ন উত্থাপন কৰে যে, ছমাহ পূৰ্বে মুখ্যমন্ত্ৰীয়ে এছ আই টি (এনফ'ৰ্চমেণ্ট ডাইৰেক্টৰেট)ৰ পৰা প্ৰতিবেদন লাভ কৰাৰ পিছতো কিয় তেতিয়া সম্পূৰ্ণ নীৰৱ হৈ আছিল। তেওঁ কয়, "গৌৰৱ গগৈৰ পাকিস্তানৰ সৈতে কোনো সম্পৰ্ক নাই। যিকোনো ব্যক্তিয়ে নিৰ্ধাৰিত প্ৰট'কল মানি যিকোনো দেশলৈ যাব পাৰে। কিন্তু মুখ্যমন্ত্ৰীয়ে বাৰে বাৰে নিজৰ বক্তব্য সলনি কৰি থকাৰ বাবে তেওঁৰ স্থিতি স্পষ্ট নহয়।" দুৰ্নীতিৰ অভিযোগক লৈ মীৰা বৰঠাকুৰে আৰু কয় যে, মুখ্যমন্ত্ৰীয়ে পূৰ্বতে দাবী কৰিছিল যে তেওঁ কেৱল দৰমহাৰ ওপৰত নিৰ্ভৰশীল আৰু কোনো সম্পত্তিৰ মালিক নহয়। কিন্তু এতিয়া প্ৰশ্ন উঠিছে যে তেওঁৰ পত্নীৰ নামত ১২ হাজাৰ বিঘা মাটি কেনেকৈ আছে।

## অসম কংগ্ৰেছে গৌৰৱ

লোকসভা সাংসদ গৌৰৱ গগৈৰ ওপৰত আক্ৰমণৰ ষড়যন্ত্ৰ ৰচিছিল, যাতে ২০২৬ৰ বিধানসভা নিৰ্বাচনৰ আগতে জনসাধাৰণৰ পৰা সহানুভূতি আদায় কৰিব পাৰে। মুখ্যমন্ত্ৰীয়ে কয় যে এই পৰিকল্পনা অনুসৰি ৰেলী বা ৰাজহুৱা অনুষ্ঠানত কংগ্ৰেছৰ নিজৰ লোকেই গৌৰৱ গগৈক আক্ৰমণ কৰি নাটক ৰচিব বিচাৰিছিল। এই অভিযোগৰ পিছতে গৌৰৱ গগৈৰ নিৰাপত্তা বৃদ্ধি কৰি তিনিগৰাকী দেহৰক্ষীসহ এচকৰ্ট প্ৰদান কৰা হৈছে। দিছপুৰ আৰক্ষীয়ে কংগ্ৰেছৰ এটা বিশেষ ব্যক্তিৰ এজাহাৰৰ ভিত্তিত এজন লোকক গ্ৰেপ্তাৰ কৰিছে আৰু তিনিগৰাকী লোকক ধাৰাবাহিকভাৱে সোধপোচ কৰি আছে। ১১ ফেব্ৰুৱাৰীত আৰক্ষীয়ে সুৰজ পাঠক আৰু আদ্ৰিকা দাস নামৰ যুৱতীগৰাকীক তলব কৰিছে, যিসকলক এই ষড়যন্ত্ৰৰ অংশ বুলি সন্দেহ কৰা হৈছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সংবাদমাধ্যমত জনোৱা মতে, কংগ্ৰেছৰ এটা চক্ৰই এই সমগ্ৰ পৰিকল্পনা কৰিছিল। আৰক্ষীৰ সূত্ৰতো একে কথা প্ৰকাশ পাইছে যে কংগ্ৰেছৰ নিজৰ মানুহেই ৰাজহুৱা স্থানত আক্ৰমণৰ নাটক ৰচি সহানুভূতি লাভ কৰিব বিচাৰিছিল। সমগ্ৰ ঘটনাৰ তদন্ত অব্যাহত আছে। মুখ্যমন্ত্ৰীয়ে আগন্তুক ৩-৪ দিনৰ ভিতৰতে এই কাণ্ডৰ সম্পূৰ্ণ সত্য ফাদিল হ'ব বুলি দাবী কৰিছে। এই অভিযোগে অসমৰ ৰাজনীতিত নতুন চাঞ্চল্যৰ সৃষ্টি কৰিছে, বিশেষকৈ আসন্ন নিৰ্বাচনৰ প্ৰেক্ষাপটত।

## ২.৪ লক্ষাধিকৰ নাম

১, ২৪, ৮২, ২১৩ গৰাকী মহিলা ভোটাৰ ১, ২৪, ৭৫, ৫৮৩ গৰাকী আৰু তৃতীয় লিংগ ভোটাৰ ৩৪৩ গৰাকী (কিছুমান উৎসত ৩৩৪ বুলিও উল্লেখ আছে, কিন্তু অধিকাংশত ৩৪৩)। আগন্তুক ২০২৬ চনৰ বিধানসভা নিৰ্বাচনৰ প্ৰস্তুতিৰ অংশ হিচাপে এই বিশেষ সংশোধনী কাৰ্যসূচী গ্ৰহণ কৰা হৈছিল। ২০২৫ চনৰ ২২ নৱেম্বৰৰ পৰা ২০ ডিচেম্বৰলৈ ৰাজ্যজুৰি ঘৰে-ঘৰে পুনৰীক্ষণ অভিযান (House-to-House Verification) সফলতাৰে সম্পন্ন কৰা হৈছিল। ইয়াৰ পিছত ২০২৫ চনৰ ২৭ ডিচেম্বৰত সংহত খচৰা ভোটাৰ তালিকা (Integrated Draft Roll) প্ৰকাশ কৰা হৈছিল। খচৰা তালিকাৰ ওপৰত দাবী আৰু আপত্তি দাখিলৰ বাবে নিৰ্ধাৰিত সময়সীমা আছিল ২৭ ডিচেম্বৰ ২০২৫ৰ পৰা ২২ জানুৱাৰী ২০২৬ লৈকে। এই সময়ছোৱাত প্ৰাপ্ত দাবী-আপত্তিসমূহ নিষ্পত্তি কৰি আজি চূড়ান্ত তালিকা প্ৰকাশ কৰা হৈছে। যুটীয়া মুখ্য নিৰ্বাচনী বিষয়াই সদৰি কৰা মতে, নিৰ্বাচনী পঞ্জীয়ন বিষয়াৰ (Electoral Registration Officer) কোনো সিদ্ধান্তত অসন্তুষ্ট হ'লে ভোটাৰসকলে চূড়ান্ত তালিকা প্ৰকাশৰ তাৰিখৰ পৰা ১৫ দিনৰ ভিতৰত সংশ্লিষ্ট জিলা দণ্ডাধীশ(District Magistrate)ৰ ওচৰত আপীল দাখিল কৰিব পাৰিব। প্ৰয়োজন হ'লে প্ৰথম আপীলৰ সিদ্ধান্ততো অসন্তুষ্ট হ'লে হয় আৰু তাৰ পৰা ৩০ দিনৰ ভিতৰত মুখ্য নিৰ্বাচনী বিষয়া(Chief Electoral Officer)ৰ ওচৰত দ্বিতীয় আপীলখন দাখিল কৰাৰ সুবিধা আছে। এই চূড়ান্ত ভোটাৰ তালিকাই ২০২৬ চনৰ অসম বিধানসভা নিৰ্বাচনৰ বাবে মূল ভিত্তি হিচাপে কাম কৰিব। ভোটাৰসকলে নিজৰ নাম পৰীক্ষা কৰিবলৈ CEO অসমৰ অফিচিয়েল ৱেবচাইটত (ceoassam.nic.in) প্ৰৱেশ কৰিব পাৰে।

## ৰচিতা ভাণ্ডাৰীক মাল্টাৰ

বৰ্তমান নতুন দিল্লীত মন্ত্ৰালয়ত যুটীয়া সচিব হিচাপে কৰ্মৰত থকা ভাণ্ডাৰীয়ে শীঘ্ৰেই নতুন দায়িত্ব গ্ৰহণ কৰিব। এই নিযুক্তিয়ে ভাৰত আৰু মাল্টাৰ মাজত দীৰ্ঘদিনীয়া বন্ধুত্বপূৰ্ণ সম্পৰ্কক অধিক দৃঢ়তা প্ৰদান কৰাৰ লগতে দ্বিপাক্ষিক সহযোগিতা বৃদ্ধিৰ প্ৰতি ভাৰতৰ দৃঢ় প্ৰতিশ্ৰুতি প্ৰতিফলিত কৰিছে। মাল্টাত প্ৰায় ১৮ হাজাৰ ভাৰতীয় প্ৰবাসী বসবাস কৰি আছে। এই প্ৰবাসীসকলে স্বাস্থ্যসেৱা, আতিথ্য সেৱা, তথ্য-প্ৰযুক্তি আৰু নিৰ্মাণ খণ্ডত গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াই আহিছে। ভাৰত আৰু মাল্টাৰ মাজত কূটনৈতিক সম্পৰ্ক অতি সৌহাৰ্দ্যপূৰ্ণ। ১৯৬৪ চনত মাল্টাই স্বাধীনতা লাভ কৰাৰ পিছতে ভাৰত সেই দেশখনক স্বীকৃতি দিয়া প্ৰথম দেশসমূহৰ ভিতৰত অন্যতম আছিল। দুয়ো দেশৰ মাজত আনুষ্ঠানিক কূটনৈতিক সম্পৰ্ক ১৯৬৫ চনত স্থাপন হয়। ভাৰতৰ উচ্চায়ুক্ত কাৰ্যালয় মাল্টাত ২০১৭ চনৰ জানুৱাৰী মাহত পুনৰ খোলা হৈছিল। আনহাতে মাল্টাৰ উচ্চায়ুক্ত কাৰ্যালয় ২০০৭ চনৰ জুলাই মাহত নতুন দিল্লীত স্থাপন কৰা হৈছে। ইয়াৰ উপৰিও কলকাতা, চেন্নাই আৰু মুম্বাইত মাল্টাৰ মাননীয় কনছুলেট কাৰ্যালয় কাৰ্যক্ষম হৈ আছে।

## বিটিচি'ৰ কাজলগাঁৱত ২৪

সদৰ কোকৰাঝাৰৰ গ্ৰীণ ফিল্ডত উদ্‌যাপন কৰাৰ উপৰিও প্ৰতিখন জিলাৰ, মহকুমাৰ সদৰতো উদ্‌যাপন কৰা হয়। সেই উদ্দেশ্যে আজি চিৰাং জিলাৰ সদৰ কাজলগাঁৱত ৰাতিপুৱাৰে পৰা দিৱসটি পালন কৰা হয়। ৰাতিপুৱা বিটিচি'ৰ ই, এম, পানীৰাম ব্ৰহ্মৰ লগত ভাৰপ্ৰাপ্ত কাৰ্যবাহী পাৰিষদ কৰ্মেশ্বৰ ৰায়, পৰিষদীয় সদস্য জেমছ বসুমতাৰী আৰু শুকুৰসিং মুছাহাৰীৰ সহযোগত পতাকা উত্তোলন কৰে। অনুষ্ঠানত বড়ো আন্দোলনৰ শ্বহীদ সকলক সুঁৱৰি এক মিনিট মৌনতা অৱলম্বন কৰি শ্বহীদ পৰিয়ালৰ সদস্যক উষ্ম সম্বৰ্ধনা জনোৱা হয়। ইয়াৰ অন্তত এক মুকলি সভা অনুষ্ঠিত হয়। সভাত বড়ো, ৰাজবংশী, আদিবাসী, বেংগলী বিভিন্ন জাতি-জনগোষ্ঠীৰ শিল্পী সকলে গীত-নৃত্য পৰিৱেশন কৰি অনুষ্ঠানটিৰ সৌষ্ঠৱ বৃদ্ধি কৰে। উল্লেখযোগ্য যে মঞ্চত বি টি চিৰ সদৰ কোকৰাঝাৰত মুখ্য অতিথি হিচাপে উপস্থিত থকা অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু বি টি চিৰ মুখ্য কাৰ্যবাহী সদস্য হাগ্ৰামা মহিলাৰীৰ ভাষণ সম্প্ৰচাৰ কৰা হয়। মুখ্য মন্ত্ৰীয়ে বি টি চিৰ যুৱক-যুৱতী সকলে ক্ষুদ্ৰ উদ্যোগ অথবা ব্যৱসায় কৰিব বিচৰা যুৱক-যুৱতী সকলক হাগ্ৰামা মহিলাৰীয়ে আগবঢ়োৱা দুই লাখৰ উপৰি তেওঁৰ ফালৰ পৰাও দুই লাখ টকা আগবঢ়াব বুলি উল্লেখ কৰে। আনহাতে চিকিৎসাসেৱা লাভ কৰাৰ উদ্দেশ্যে চেন্নাইত বি টি চি গেষ্ট হাউচ নিৰ্মাণ কৰা হ'ব বুলি ঘোষণা কৰে। গুৱাহাটীত প্ৰধানমন্ত্ৰীৰ সন্মুখত বাগৰুম্বা নৃত্যই যিদৰে প্ৰচাৰ-প্ৰসাৰ লাভ কৰিছে সেয়া বিশ্বত বিৰল। দিল্লীৰ প্ৰধানমন্ত্ৰীৰ সন্মুখত বাগৰুম্বা-ঝুমুৰনৃত্য একেলগে প্ৰদৰ্শন কৰি অসমময় পৰিৱেশ সৃষ্টি কৰিব। মুখ্যমন্ত্ৰীৰ ভাষণে উপস্থিত থকা সকলোকে আপ্লুত কৰে। আজিৰ অনুষ্ঠানটিত বিটিচিৰ বন আৰু বন্যপ্ৰাণী সংৰক্ষণ বিভাগৰ কাৰ্যবাহী সদস্য পানীৰাম ব্ৰহ্ম, ভূমি সংৰক্ষণ আৰু ৰেচম বিভাগৰ ভাৰপ্ৰাপ্ত কাৰ্যবাহী পাৰিষদ কৰ্মেশ্বৰ ৰায়, পৰিষদীয় সদস্য জেমছ বসুমতাৰী, পাৰিষদ শুকুৰসিং মুছাহাৰী আৰু নন্দলালৰ লগতে চিৰাং জিলাৰ আয়ুক্ত আৰু আৰক্ষী অধীক্ষকৰ লগতে বি পি এফ দলৰ উপ সভাপতি শুদ্ধ বসুমতাৰী ইত্যাদি নেতা-কৰ্মীসকল উপস্থিত থাকে।

### চৰকাৰে চাহ শ্ৰমিকৰ সৰ্বাংগীণ বিকাশৰ চিন্তা কৰিছে

## বড়মপুৰ সমষ্টিৰ ৰঙামাটি চাহ বাগিছাত মাটিৰ পট্টাৰ প্ৰ-পত্ৰ বিতৰণ



**অসম বাৰ্তা, পুৰণিগুদাম, ১০ ফেব্ৰুৱাৰী ঃ** ডিব্ৰুগড় জিলাৰ দিনজান চাহ বাগিছাত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই চাহ বাগিছাত কৰ্মৰত শ্ৰমিক কৰ্মচাৰীসকলক মাটিৰ পট্টা দিয়াৰ কাৰ্যসূচীৰ সমান্তৰালকৈ বড়মপুৰ সমষ্টিৰ অধীনৰ ১২ খনকৈ সৰু-বৰ চাহ বাগিছাত আজি মাটিৰ পট্টা প্ৰদানৰ প্ৰ-পত্ৰ বিতৰণৰ কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হয়। বড়মপুৰ সমষ্টিৰ বিধায়ক জিতু গোস্বামীয়ে আজি সমষ্টিটোত নতুনকৈ অন্তৰ্ভুক্ত হোৱা ৰঙামাটি চাহ বাগিছাৰ পূজা মণ্ডপত এই কাৰ্য্যসূচীৰ শুভাৰম্ভ কৰে। প্ৰ-পত্ৰ বিতৰণ কাৰ্যসূচীত উপস্থিত থাকি বিধায়ক জিতু গোস্বামীয়ে কয়, দুশ বছৰীয়া চাহৰ ইতিহাসত চাহ শ্ৰমিক সকলৰ কল্যাণৰ কাৰণে ড° হিমন্ত বিশ্ব শৰ্মাৰ চৰকাৰে চিন্তা কৰিছে। এটি কলি দুটি পাত আঁচনিৰ জৰিয়তে চাহ শ্ৰমিক সকলক সন্মান জনোৱাৰ লগতে মাটিৰ পট্টা দিয়াৰ ব্যৱস্থা কৰি শ্ৰমিক-কৰ্মচাৰী সকলৰ সৰ্বাংগীণ বিকাশৰ চিন্তা কৰিছে চৰকাৰখনে। এতিয়া মাটিৰ পট্টা পোৱাৰ পিছত তেওঁলোকৰ ভূমিৰ সমস্যা নাথাকিব, নহ'লে শ্ৰমিক সকলে কাম কৰিব নোৱাৰা হ'লে তেওঁলোকৰ পৰিৱৰ্তে যদি পৰিয়ালৰ আন শ্ৰমিকক সংস্থাপিত নকৰে তেনেহ'লে শ্ৰমিকসকলে থকা ভূমি, ঘৰ এৰি দিব লগা হৈছিল। এতিয়া এনে চিন্তাৰ পৰা শ্ৰমিকসকল হাত সাৰিব বুলি উল্লেখ কৰে। মাটিৰ পট্টাৰ প্ৰ-পত্ৰ বিতৰণ অনুষ্ঠানত বিধায়কৰ লগত চামগুৰি ৰাজহ চক্ৰ বিষয়া ড° ময়ূৰপংখী বৰা, কলিয়াবৰ জিলা বিজেপিৰ সাধাৰণ সম্পাদক অৰবিন্দ চৌধুৰী, চাহ জনজাতি নেতা অবিনাশ ঘাটোৱাৰ, পবিত্ৰ ভূমিজ, কাৰ্তিক চাহু উপস্থিত থকাৰ উপৰিও উদমাৰী গাঁও পঞ্চায়তৰ সভানেত্ৰী পূৰ্ণিমা ভূমিজ, আঞ্চলিক পঞ্চায়তৰ সদস্যা দিপালী দাসৰ লগতে বাগিছাখনৰ দুই শতাধিক শ্ৰমিক-কৰ্মচাৰী উপস্থিত থাকে।

## অসম জাতীয় বিদ্যালয় শিক্ষা সংসদৰ বৃত্তি পৰীক্ষাত উজ্জ্বলি উঠিল ভকতগাঁও মণিপুৰটুপ উচন আলী জাতীয় বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী

**অসম বাৰ্তা, ৰহা, ১০ ফেব্ৰুৱাৰী ঃ** অসম জাতীয় বিদ্যালয় শিক্ষা সংসদৰ দ্বাৰা বিগত বছৰৰ দৰে এই বৰ্ষৰ জাতীয় বিদ্যালয়ৰ ৰাজ্যিক ভিত্তিত অনুষ্ঠিত হোৱা বৃত্তি পৰীক্ষাৰ ফলাফলত নগাঁও জিলাৰ ভকতগাওঁ মণিপুৰটুপ উচন আলী জাতীয় বিদ্যালয়ৰ ছাত্ৰ ছাত্ৰী সকলে সুনাম কঢ়িয়াই আনিবলৈ সক্ষম হয়। বিদ্যালয়ৰ পৰা মুঠ ৬৪ জনে পৰীক্ষাত অৱতীৰ্ণ হৈ ২৪জন ছাত্ৰ ছাত্ৰী সদৌ অসম ভিত্তিত স্থান লাভ কৰি বৃত্তি লাভ কৰা লগতে ৬জন ছাত্ৰ-ছাত্ৰীয়ে মানপত্ৰ লাভ কৰিবলৈ সক্ষম হয়। আমক জনোৱা অনুসৰি আজি কিছু দিনৰ আগত এই বিদ্যালয়ৰ পৰা কেইবাজনো ছাত্ৰ-ছাত্ৰীয়ে ৰংমেলা বৃত্তি পৰীক্ষাত অসমৰ ভিতৰত স্থান লাভ কৰিবলৈ সক্ষম হৈছিল। উক্ত বিদ্যালয়ত আজি বিদ্যালয়ৰ ফালৰ পৰা ছাত্ৰ-ছাত্ৰী সকলক কলম আৰু অভিভাৱক সকলক নিমন্ত্ৰণ জনাই সকলোকে এখনি কৈ ফুলাম গামোচাৰে অভিনন্দন জনোৱা হয়। অভিভাৱক সকলে আনন্দিত হৈ সকলো ছাত্ৰ-ছাত্ৰী লৈ মৰম আৰু আশীৰ্বাদ প্ৰদান কৰে। এনে এক পিছপৰা অঞ্চলৰ এই সফলতাই সকলোৰে মুখত হাঁহি বিৰিঙাই তুলিছে। উক্ত অভিনন্দন অনুষ্ঠান ত আজি বিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি নুৰুল আমিন সম্পাদক আজিজুল হ'ক প্ৰধান শিক্ষক ইকবাদুল ইছলাম সকলো ছাত্ৰীক লৈ সুৰীয়া বক্তব্য আগবঢ়াই ইয়াৰ লগতে বিদ্যালয়ৰ সমূহ শিক্ষক শিক্ষয়িত্ৰী উপস্থিত থাকি ছাত্ৰ-ছাত্ৰী সকলক আশীৰ্বাদ প্ৰদান কৰে।

## কংগ্ৰেছৰ নিৰ্বাচনী প্ৰচাৰত ব্যৱহাৰ হ'বলগীয়া ১০খনকৈ লাইভ ভেন আহি পালে ৰঙিয়া

**অসম বাৰ্ত, ৰঙিয়া, ১০ ফেব্ৰুৱাৰী ঃ** আগন্তুক বিধানসভা নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি প্ৰতিটো ৰাজনৈতিক দলে অব্যাহত ৰাখিছে নিৰ্বাচনী ৰণকৌশল। ইয়াৰ সমান্তৰাল ভাৱে ৰাজ্যৰ প্ৰধান বিৰোধী দল কংগ্ৰেছে সমগ্ৰ ৰাজ্যজুৰি লাইভ ভেনৰ জৰিয়তে আৰম্ভ কৰিব প্ৰচাৰ অভিযান। সময় পৰিৱৰ্তনৰ জাতি বচাওক মাটি বচাওক শ্লোগান সমৃদ্ধ দহখনকৈ লাইভ ভেন আজি কামৰূপ জিলাৰ ৰঙিয়াত উপস্থিত হয়। শাসনাধিষ্ঠ বিজেপি দলৰ বিৰোধিতাৰে লাইভ ভেনৰ সমূহৰ জৰিয়তে জনমত গঢ়ি তোলাৰ লক্ষ্যৰে কামৰূপ জিলাৰ ৰঙিয়াকে ধৰি বিভিন্ন স্থানত প্ৰচাৰ অভিযান তীব্ৰতৰ কৰি তুলিব। প্ৰদেশ কংগ্ৰেছৰ সভাপতি তথা সাংসদ গৌৰৱ গগৈৰ আহ্বানৰ পিছতে ৰঙিয়াত উপস্থিত হোৱা লাইভ ভেন কেইখনক আদৰণি জনাই কামৰূপ জিলা কংগ্ৰেছৰ সভাপতি প্ৰাণজিৎ চৌধুৰী প্ৰমুখ্যে নেতৃবৰ্গই। লাইভ ভেন সমূহৰ জৰিয়তে কংগ্ৰেছ দলে শাসনাধিস্থিত বিজেপি দলৰ বিৰোধিতাৰে প্ৰচাৰ কাৰ্য অব্যাহত ৰাখিব বুলি সদৰি কৰে কামৰূপ জিলা কংগ্ৰেছৰ সভাপতি প্ৰাণজিৎ চৌধুৰীয়ে।

## কীৰ্ত্তনপাৰাত ছাইকেলৰ প্ৰতি আকৰ্ষিত কৰাৰ উদ্দেশ্যেৰে সজাগতামূলক চাইকেল ৰেলী

**অসম বাৰ্তা, লেংটিছিঙা, ১০ ফেব্ৰুৱাৰী ঃ** বঙাইগাঁও জিলাৰ সৃজনগ্ৰাম ৰাজহ চক্ৰৰ অন্তৰ্গত কীৰ্ত্তনপাৰাস্থিত Mondal HP Gas Agencৰ সহযোগত চৰকাৰৰ অনুমতি সাপেক্ষে হিন্দুস্তান পেট্ৰলিয়াম কৰ্প'ৰেশ্যন লিমিটেডৰ উদ্যোগত আজি ৰোড চাইক্ল'থন SAKSHAM অনুষ্ঠিত কৰে। কীৰ্ত্তনপাৰাৰ পৰা বৰঘোলা হৈ প্ৰায় ৪ কিলোমিটাৰ চাইকেলেৰে ৰেলী কৰে। বৰ্তমান প্ৰেট্ৰলৰ মূল্য বৃদ্ধিৰ ওপৰত লক্ষ্য কৰি যন্ত্ৰচালিত যান-বাহনৰ সলনি, জনসাধাৰণক চাইকেলৰ প্ৰতি আকৰ্ষিত কৰাৰ উদ্দেশ্যেৰে আজিৰ এই চাইকেল ৰেলী অনুষ্ঠিত কৰে। হিন্দুস্তান পেট্ৰলিয়াম কৰ্প'ৰেশ্যন লিমিটেডৰ যাত্ৰাৰ উদেশ্য হল যে আমি সৰু-সুৰা কামত চাইকেল ব্যৱহাৰ কৰিব লাগে, গেছ যিমান কম ব্যৱহাৰ কৰিব পাৰোঁ ব্যৱহাৰ কৰিম, মটৰ চাইকেল কমকৈ ব্যৱহাৰ কৰিব, যিমানেই আমি Gas আৰু পেট্ৰ'ল ব্যৱহাৰ কম কৰিম আমাৰ পৰিৱেশ বাবে ভাল, আমি সুন্দৰ পৰিৱেশ পাম আৰু সু-স্বাস্থ্যৰ গৰাকী হৈ থাকিম। হিন্দুস্তান পেট্ৰলিয়াম কৰ্প'ৰেশ্যন লিমিটেডৰ উদ্যোগত ৰুট চাইক্ল'থন SAKSHAM অনুষ্ঠান উপস্থিত থাকে Sale Officeৰ আৰু বৰঘোলা আৰক্ষী চকীৰ আৰক্ষী বিষয়া, স্থানীয় ৰাইজ।

## ছেইণ্ট পিটাৰ্ছ স্কুলত মানসিক স্বাস্থ্য সম্পৰ্কত সজাগতা সভা সম্পন্ন

**অসম বাৰ্তা, গেলেকী, ১০ ফেব্ৰুৱাৰী ঃ** নাজিৰাৰ ছেইণ্ট পিটাৰ্ছ স্কুলৰ উদ্যোগত অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ নাজিৰা মহাবিদ্যালয় গোটৰ সহযোগত মানসিক স্বাস্থ্য সম্পৰ্কত সজাগতা সভা অনুষ্ঠিত হয়। চেইণ্ট পিটাৰ্ছ স্কুলৰ শিক্ষক সুনীল তপ্পই আঁতধৰা, অধ্যক্ষ উইলিয়াম মিঞ্জৰ সঞ্চালনাত আয়োজিত উক্ত সজাগতা সভাত মনোৰোগ বিশেষজ্ঞ চৈয়দা জাহানাৰা জন্নত, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ প্ৰচাৰ সম্পাদক উৎপল কোঁৱৰ, শিৱসাগৰ জিলা সমিতিৰ সাংগঠনিক সম্পাদক তথা কাৰ্টুনিষ্ট ভাস্কৰ জ্যোতি মহন্ত, নাজিৰা আঞ্চলিক সাহিত্য সভাৰ সভাপতি তথা চিত্ৰশিল্পী ৰুহিত বৰুৱা, সমাজকৰ্মী তথা শিক্ষক মিণ্টু বৰুৱা অতিথি হিচাপে উপস্থিত থাকি বক্তব্য আগবঢ়াই লগতে ছাত্ৰ-ছাত্ৰীসকলৰ লগত মত বিনিময় কৰে। সভাত অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ নাজিৰা আঞ্চলিক সমিতিৰ সভাপতি যাদৱজ্যোতি বড়া, নাজিৰা মহাবিদ্যালয় গোটৰ হৈ বিকাশ হাজৰিকা, অভিজিৎ কোঁৱৰ, নাচিৰুদ্দিন আলি লগতে চেইণ্ট পিটাৰ্ছ স্কুলৰ জয় প্ৰকাশ গুপ্তা, সুনীল তপ্প, মেহদিয়া বেগম, দ্বিজেন গগৈৰ সহিতে শিক্ষক শিক্ষয়িত্ৰীসকল উপস্থিত থাকে। অনুষ্ঠানৰ শেষত শিক্ষয়িত্ৰী অনামিকা সন্দিকৈয়ে শলাগৰ শৰাই আগবঢ়াই সজাগতা সভাখনি সুন্দৰকৈ সাফল্যমণ্ডিত কৰাৰ বাবে সমল ব্যক্তি আৰু আমন্ত্ৰিত অতিথিসকলক ধন্যবাদ জনাই। ছাত্ৰ-ছাত্ৰীসকলৰ বৌদ্ধিক আৰু মানসিক বিকাশৰ ক্ষেত্ৰত এনে পদক্ষেপ অনাগত দিনতো হাতত লৈ যাব বুলি অৱগত কৰে শিক্ষয়িত্ৰী গৰাকীয়ে।



## নামতি ক্ৰীড়া সন্থাৰ উদ্যোগত অনুষ্ঠিত ফুটবল প্ৰতিযোগিতাৰ চূড়ান্ত মেচ

**অসম বাৰ্তা, গেলেকী, ১০ ফেব্ৰুৱাৰী ঃ** শিৱসাগৰ জিলাৰ নামতি শ্বহীদ পিয়লি ফুকন মহাবিদ্যালয়ৰ খেলপথাৰত অনুষ্ঠিত প্ৰয়াত দুৰ্গা বড়া আৰু নেত্ৰ চেতিয়াৰ সোঁৱৰণত ট্ৰফি ও প্ৰাইজমণি আমন্ত্ৰণমূলক দিবা-নৈশ ফুটবল প্ৰতিযোগিতাৰ চূড়ান্ত মেচখন অনুষ্ঠিত হয়। প্ৰতিযোগিতাৰ চূড়ান্ত মেচত অংশগ্ৰহণ কৰে যোৰহাট ৰাইজিং ফুটবল একাদশ আৰু শিৱসাগৰ ক্ৰ'চিং ফুটবল একাদশে। প্ৰতিযোগিতাত নিৰ্দ্ধাৰিত সময়ত কোনো এটা দলে গ'ল স্ক'ৰ কৰিবলৈ সক্ষম নোহোৱাত ট্ৰাইবেকাৰৰ যোগেদি চূড়ান্ত বিজয়ী নিৰ্দ্ধাৰণ কৰা হয়। প্ৰতিযোগিতা যোৰহাট ৰাইজিং ফুটবল একাদশে ট্ৰাইবেকাৰৰ যোগেদি ৪-৩ গ'ল ৰ ব্যৱধানত জয়ী হ'বলৈ সক্ষম হয়। প্ৰতিযোগিতাৰ আৰম্ভণিতে প্ৰয়াত দুৰ্গা বড়া আৰু নেত্ৰ চেতিয়াৰ প্ৰতিচ্ছবিৰ লগতে প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত স্থানীয় ভালেসংখ্যক গণ্য মান্য ব্যক্তিৰ লগতে উদযাপন সমিতিৰ বিষয়ববীয়া উপস্থিত থাকে। এই প্ৰতিযোগিতাত অসমৰ আগশাৰীৰ মুঠ ৮ টাকৈ ফুটবল একাদশে অংশগ্ৰহণ কৰিছিল।

## সতী ৰাধিকা স্মৃতি ক্ষেত্ৰ উন্নয়নৰ বাবে নগাঁও জিলা আয়ুক্তক সৌজন্যমূলক সাক্ষাৎ

**অসম বাৰ্তা, বেবেজীয়া, ১০ ফেব্ৰুৱাৰী ঃ** অসমীয়া জাতিৰ প্ৰাণ প্ৰতিষ্ঠাতা মহাপুৰুষ শংকৰদেৱ গুৰুজনাৰ একান্ত সেৱক, মহীয়সী নাৰী আই সতী ৰাধিকাৰ স্মৃতি ক্ষেত্ৰ বটদ্ৰৱাৰ উন্নয়নৰ বাবে সতী ৰাধিকা উন্নয়ন সমিতিৰ এটি সজাতি দলে ৬ ফেব্ৰুৱাৰীত নগাঁও জিলা আয়ুক্ত দেৱাশিষ শৰ্মাক সৌজন্যমূলক সাক্ষাৎ কৰে। জানিবপৰা মতে সদৌ অসম সতী ৰাধিকা সমন্বয় সমিতিৰ হৈ সাধাৰণ সম্পাদক প্ৰভাত চন্দ্ৰ দাস, উপদেষ্টাদ্বয় অজিত প্ৰতিম দাস, ৰমা দাস, সদস্য ৰাহুল দেৱ বৰদলৈ আৰু প্ৰাঞ্জল দাসে জিলা আয়ুক্ত শৰ্মাক সাক্ষাৎ কৰি বৰদোৱাৰ শান্তিজানস্থিত ৰাধিকা সতীৰ স্মৃতি ক্ষেত্ৰৰ জৰাজীৰ্ণ অৱস্থাৰ বিষয়ে অৱগত কৰে আৰু মণিকূট গৃহ, নাটঘৰ, সভাঘৰ, প্ৰস্ৰাৱাগাৰ, শৌচাগাৰ আদিৰ আধুনিকি কৰণৰ ওপৰত বহুসময় ধৰি আলোচনাত মিলিত হয়। আয়ুক্ত দেৱাশিষ শৰ্মাই য়ো সৌজন্যমূলক সাক্ষাৎৰ আৰু আলোচনাত কেইবাটিও গুৰুত্বপূৰ্ণ পৰামৰ্শ প্ৰদান কৰাৰ লগতে মহীয়সী নাৰী গৰাকীৰ স্মৃতিক্ষেত্ৰখনি উন্নয়নৰ ক্ষেত্ৰত প্ৰদক্ষেপ গ্ৰহণৰ আশ্বাস প্ৰদান কৰে।

## বৰক্ষেত্ৰীৰ নপ্তিপাৰা সত্ৰত শ্ৰীশ্ৰী বাৰগোপাল মন্দিৰ প্ৰতিষ্ঠা দিৱস পালন

### অগণন ভক্তপ্ৰাণ লোকৰ সমাগম

**অসম বাৰ্তা, বৰক্ষেত্ৰী, ১০ ফেব্ৰুৱাৰী ঃ** নলবাৰী জিলাৰ বৰক্ষেত্ৰী সমষ্টিৰ নপ্তিপাৰা সত্ৰত আজি বিস্তৃত কাৰ্যসূচীৰে শ্ৰীশ্ৰী বাৰগোপাল মন্দিৰৰ প্ৰতিষ্ঠা দিৱস পালন কৰা হয়। পুৱা মন্দিৰ প্ৰাঙ্গণত স্বচ্ছ অভিযান কাৰ্যসূচী ৰূপায়ণ কৰাৰ পিছত মন্দিৰৰ মুখ্যদ্বাৰ উদ্বোধন কৰে ৫৪ নম্বৰ জাগাৰা নপ্তিপাৰা গাঁও পঞ্চায়তৰ সভানেত্ৰী উষাৰাণী ডেকাই। ইয়াৰ পিছতে মহাপ্ৰভু বাৰগোপাল মন্দিৰৰ দুৱাৰ মুকলি আৰু বন্তি প্ৰজ্বলন কৰে সত্ৰখনৰ দেউৰী লংকেশ্বৰ তালুকদাৰে, উষা কীৰ্ত্তন আৰু টোপধ্বনি উদ্বোধন কৰে পঞ্চায়ত সদস্য গৌতম গোস্বামীয়ে, ধৰ্মধ্বজা উত্তোলন কৰে উদযাপন সমিতিৰ সভাপতি ভূমিধৰ বৰ্মনে। ইয়াৰ পিছতে বিশিষ্ট ব্যক্তিৰ দ্বাৰা বৃক্ষ ৰোপণ কৰা হয়। ভাগৱত যাত্ৰা উদ্বোধন কৰে জাগাৰাৰ বিশিষ্ট সমাজকৰ্মী উত্তম তালুকদাৰে। ইয়াৰ পিছতে শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত হয়। দুপৰীয়া অনুষ্ঠিত বিষ্ণু হোম-যজ্ঞত যথেষ্ট ভক্তৰ সমাগম হয়। উল্লেখ্য যে ঐতিহ্যমণ্ডিত এই সত্ৰখনত দীৰ্ঘ বছৰ পূৰ্বেই মাঘ মাহৰ ২৬ তাৰিখে একাংশ গৰখীয়াই ৰোপণ কৰা এডাল গছক কেন্দ্ৰ কৰি গঢ়ি উঠা থানখনত কাৰোবাৰ গৰু-ছাগলী হেৰালে উক্ত থানত সেৱা আগবঢ়ালে নিজে-নিজে হোৱোৱা গৰু-ছাগলী আহি গৃহস্থৰ ঘৰ পোৱাৰ লগতে লগতে মন্দিৰ চৌহদত থকা বিশাল আকাৰৰ গছডালত গামোছা বান্ধি চাকি-বন্তি জ্বলালে মনৰ কামনা পূৰণ হোৱাৰ এক লোকবিশ্বাস আছে বাবে বিভিন্ন প্ৰান্তৰ ভক্তই উক্ত থানখনত ভিৰ কৰে। সেয়েহে, পূৰ্বাপৰ পৰম্পৰা অনুসৰি, প্ৰতি বছৰে মাঘ মাহৰ ২৬ তাৰিখে প্ৰতিষ্ঠা দিৱসটি পালন কৰি আহিছে থান পৰিচালনা সমিতিয়ে। আবেলি কৃতাঞ্জলী থিয় নাম দলৰ দ্বাৰা থিয় নাম পৰিৱেশন আৰু সন্ধিয়া সাহান বেজেৰাৰ ৰাজীৱ ডেকা আৰু পাইকান চাংসাৰীৰ সত্যব্ৰত ডেকাৰ দলৰ দ্বাৰা নাগাৰা নাম পৰিৱেশন কৰা হয়। নিশা সৰ্বমংগল কামনাৰে সমূহীয়া বন্তি প্ৰজ্বলন কৰা হয়।

## ৫৩ সংখ্যক এছ এছ বি এম টি ইনড'ৰ ফাইনেল ২০২৬ৰ বাবে যোৰহাটত সমবেত চি এছ আই আৰ দল

**অসম বাৰ্তা, পশ্চিম যোৰহাট, ১০ ফেব্ৰুৱাৰী ঃ** ৫৩ সংখ্যক শান্তি স্বৰূপ ভাটনগৰ সোঁৱৰণী প্ৰতিযোগিতা (SSBMT) Indoor Finals 2026 আজি যোৰহাটৰ CSIR—North East Institute of Science and Technology (CSIR-NEIST), দেশৰ বিভিন্ন প্ৰান্তৰ বিজ্ঞানী, গৱেষক, আৰু কৰ্মচাৰীৰ মাজত প্ৰতিযোগিতামূলক ইনড'ৰ ক্ৰীড়া আৰু সতীৰ্থতাৰ আৰম্ভণিৰে আজি শুভাৰম্ভ কৰা হয়। ২০২৬ চনৰ ৯ ফেব্ৰুৱাৰীৰ পৰা ১৩ ফেব্ৰুৱাৰীলৈ অনুষ্ঠিত হ'ব এই প্ৰতিযোগিতা। চিএছআইআৰ-এনইআইএছটি ক্ৰীড়া খেলপথাৰত অনুষ্ঠিত এই উদ্বোধনী অনুষ্ঠানত খেলুৱৈ, দলৰ বিষয়া, অধ্যাপক, কৰ্মচাৰী, আৰু আমন্ত্ৰিত গণ্যমান্য ব্যক্তিৰ উৎসাহী অংশগ্ৰহণৰ সাক্ষী হৈ পৰে। বিভিন্ন চি এছ আই আৰ পৰীক্ষাগাৰৰ দলসমূহে পুৰা ৰিপৰ্ট দিছিল, যিয়ে প্ৰতিযোগিতাখনৰ জাতীয় চৰিত্ৰ আৰু সৰ্বাংগীণ মনোভাৱক প্ৰতিফলিত কৰিছিল। এই অনুষ্ঠানত মুখ্য অতিথি হিচাপে চি এছআইআৰৰ সঞ্চালক প্ৰধান আৰু নতুন দিল্লীৰ ডি এছ আই আৰৰ সম্পাদক ড০ এন কালাই চেলভিকে ধৰি কেইবাগৰাকীও বিশিষ্ট অতিথিয়ে অংশগ্ৰহণ কৰে; শ্ৰী কামাখ্যা প্ৰসাদ তাছা, মাননিয় সংসদ সদস্য; সন্মানীয় অতিথি হিচাপে প্ৰাক্তন ৰাষ্ট্ৰীয় শ্বুটিং চেম্পিয়ন শ্ৰী জয়দীপ দাস; বিশিষ্ট অতিথি হিচাপে অসম অলিম্পিক সন্থাৰ উপ সভাপতি শ্ৰীযুত সুবোধ মল্ল বৰুৱা; ড° লক্ষ্মী কে, বিজ্ঞানী এফ, চি এছ আই আৰ-এছ ই আৰ চি; আৰু চি এছ আই আৰ এছ পি বি পৰ্যবেক্ষক শ্ৰী অনিশ ভাৰ্গৱ। কাৰ্যসূচীৰ আৰম্ভণিতে বিশিষ্ট ব্যক্তিসকলৰ আগমন আৰু সম্বৰ্ধনা জ্ঞাপন কৰা হয়, তাৰ পিছতে চি এছ আই আৰৰ বিশিষ্ট বিজ্ঞানী আৰু স্থপতি ড° শান্তি স্বৰূপ ভাটনগৰলৈ ফুলৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়, যাৰ স্মৃতিত বছৰি প্ৰতিযোগিতাখন আয়োজন কৰা হয়। অংশগ্ৰহণকাৰী দলসমূহৰ এক আকৰ্ষণীয় মাৰ্চ পাছে অনুষ্ঠানটোত ৰং আৰু শক্তি যোগ কৰিছিল, যিয়ে অনুশাসন, ঐক্য আৰু সুস্থ প্ৰতিযোগিতাৰ প্ৰতীক আছিল। আদৰণি ভাষণত CSIR-NEIST ৰ সঞ্চালক ড° ভি এম তিৱাৰীয়ে সকলো অংশগ্ৰহণকাৰী আৰু গণ্যমান্য ব্যক্তিক উষ্ম আদৰণি জনায়। তেওঁ আলোকপাত কৰে যে পাঁচ দশকত এছ এছ বি এম টিয়ে সমগ্ৰ চি এছ আই আৰ পৰীক্ষাগাৰসমূহত ঐক্য আৰু সতীৰ্থতাক শক্তিশালী কৰিছে। বৈজ্ঞানিক উৎকৰ্ষৰ সমান্তৰালভাৱে ক্ৰীড়াৰ গুৰুত্বৰ ওপৰত গুৰুত্ব আৰোপ কৰি তেওঁ উল্লেখ কৰে যে শাৰীৰিক আৰু মানসিক সুস্থতাই এক সজীৱ বৈজ্ঞানিক সম্প্ৰদায়ক লালন-পালন কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। তেওঁ উত্তৰ-পূব অঞ্চলত এই সন্মানীয় প্ৰতিযোগিতাখন আয়োজন কৰাৰ বাবে গৌৰৱ প্ৰকাশ কৰে আৰু আণ্ডাৰলাইন কৰে যে ক্ৰীড়াৰ চিৰস্থায়ী প্ৰভাৱ ফলাফলৰ বহু ওপৰলৈকে গৈছে, "এক চি এছ আই আৰ"ৰ মনোভাৱক শক্তিশালী কৰি তুলিছে। অনুষ্ঠানটোৰ এক আভাস প্ৰদান কৰি আয়োজক সম্পাদক ড° অনিল কুমাৰ সিঙে প্ৰতিযোগিতাখনৰ গাঁথনি, অংশগ্ৰহণকাৰী দল, আৰু প্ৰতিদ্বন্দ্বিবুবুৰিতা কৰা ইনড'ৰ ক্ৰীড়াৰ পৰিসৰৰ সবিশেষ শ্বেয়াৰ কৰে। তেওঁ এছ এছ বি এম টিক ৰাষ্ট্ৰীয় ফাইনেলত শিখৰত উপনীত হোৱা বিভিন্ন জ'নেল প্ৰতিযোগিতাৰ যাত্ৰা বুলি অভিহিত কৰি প্ৰতিভা, ক্ৰীড়াবিদ, আৰু নিষ্ঠা প্ৰদৰ্শনৰ বাবে সকলো খেলুৱৈক কৃতজ্ঞতা প্ৰকাশ কৰে। সভাত ভাষণ দি এছ পি বি পৰ্যবেক্ষক আৰু চি এছ আই আৰ-এছ ই আৰ চিৰ বিজ্ঞানী এফ ড০ লক্ষ্মী কেয়ে চি এছ আই আৰৰ ভিতৰত এছ এছ বি এম টিৰ চহকী উত্তৰাধিকাৰৰ বিষয়ে কয়। প্ৰাক্তন ৰাষ্ট্ৰীয় শ্বুটিং চেম্পিয়ন শ্ৰী জয়দীপ দাসে অনুশাসন, অধ্যৱসায়, সময় ব্যৱস্থাপনা, আৰু ক্ৰীড়াবিদ্যাৰ ওপৰত নিজৰ অন্তৰ্দৃষ্টি ভাগ কৰি খেলুৱৈসকলক অনুপ্ৰাণিত কৰে। তেওঁ অংশগ্ৰহণকাৰীসকলক জয়ৰ অযথা হেঁচা নোহোৱাকৈ খেলসমূহ উপভোগ কৰিবলৈ আৰু দলীয় কাম-কাজ আৰু সহযোগিতাক ক্ৰীড়াৰ স্থায়ী ফলাফল হিচাপে মূল্য দিবলৈ উৎসাহিত কৰে। যোৰহাটৰ মাননিয় সংসদ সদস্য শ্ৰী কামাখ্যা প্ৰসাদ তাছা ডাঙৰীয়াই দেশৰ বিভিন্ন প্ৰান্তৰ খেলুৱৈ সকলে প্ৰতিযোগিতাত অংশগ্ৰহণ কৰা দেখি আনন্দ প্ৰকাশ কৰাৰ লগতে CSIR-NEIST য়ে এই অনুষ্ঠান আয়োজন কৰাৰ বাবে শলাগ লয়। উদ্বোধনী ভাষণত চি এছ আই আৰৰ সঞ্চালক প্ৰধান তথা নতুন দিল্লীৰ ডি এছ আই আৰৰ সম্পাদক ড° এন কলাইচেলভিয়ে আনুষ্ঠানিকভাৱে প্ৰতিযোগিতাখন মুকলি ঘোষণা কৰে। তাই জোৰ দি কয় যে এজন সজীৱ গৱেষকৰ বাবে কেৱল বৈজ্ঞানিক কঠোৰতাই নহয়, মানসিক চঞ্চলতা, মনোনিৱেশ আৰু দলীয় কামৰ প্ৰয়োজন- যিবোৰ গুণ ক্ৰীড়াৰ জৰিয়তে লালন-পালন কৰা হয়। তেওঁ আলোকপাত কৰে যে ক্ৰীড়াই অনুশাসন, স্থিতিস্থাপকতা আৰু সহযোগিতামূলক মনোভাৱক প্ৰসাৰিত কৰি বৈজ্ঞানিক পৰিৱেশ তন্ত্ৰত অপৰিসীম মূল্য যোগ কৰে। সন্মানীয় এছ এছ বি এম টি ইনড'ৰ ফাইনেল সফলতাৰে আয়োজন কৰাৰ বাবে চি এছ আই আৰ-এন ই আই এছক অভিনন্দন জনোৱাৰ লগতে সকলো খেলুৱৈলৈ শুভেচ্ছা জ্ঞাপন কৰে। এই উপলক্ষে ড০ কালাইচেলভিয়ে ৫৩ সংখ্যক এছ এছ বি এম টি ইনড'ৰ ফাইনেল ২০২৬ৰ স্মৃতিগ্ৰন্থ "ক্ৰিডাংগন"ও মুকলি কৰে, যিয়ে প্ৰতিযোগিতাখনৰ সাৰ, উত্তৰাধিকাৰ, আৰু সামূহিক মনোভাৱক ধৰি ৰাখিছে। জয়দীপ দাসৰ নেতৃত্বত অনুষ্ঠিত হোৱা শপত গ্ৰহণ অনুষ্ঠানত অংশগ্ৰহণকাৰীসকলৰ ন্যায্য খেল আৰু সততাৰ প্ৰতি থকা দায়বদ্ধতাক পুনৰ দৃঢ় কৰা হয়। আনুষ্ঠানিক মুকলি অনুষ্ঠানত টৰ্চ জ্বলোৱা আৰু বিশিষ্ট ব্যক্তিসকলে বেলুন মুকলি কৰি উৎসৱমুখৰ আৰু প্ৰেৰণাদায়ক পৰিৱেশৰ সৃষ্টি কৰে। উদ্বোধনী কাৰ্যসূচীৰ সামৰণি পৰে ধন্যবাদ জ্ঞাপনেৰে, তাৰ পিছত ৰাষ্ট্ৰীয় সংগীত, এটা গোটৰ ফটো, আৰু হাই টি। ৫৩ সংখ্যক এছ এছ বি এম টি ইনড'ৰ ফাইনেল ২০২৬ত চি এছ আই আৰ ভ্ৰাতৃত্ববোধৰ ভিতৰত ড° শান্তি স্বৰূপ ভাটনগৰৰ চিৰস্থায়ী উত্তৰাধিকাৰক সন্মান জনোৱাৰ লগতে ক্ৰীড়াবিদ্যা, বন্ধুত্ব, প্ৰতিযোগিতামূলক মনোভাৱৰ এক সজীৱ উদ্‌যাপন অনুষ্ঠিত হ'ব বুলি আশা কৰা হৈছে।

## ৰাষ্ট্ৰীয় শিক্ষক-অধ্যাপকৰ দক্ষতা বিকাশ কাৰ্যসূচীতভকল্যাণী বাল্য ভৱনৰ অংশগ্ৰহণ

**অসম বাৰ্তা, নিমাতীঘাট, ১০ ফেব্ৰুৱাৰী ঃ** গুৱাহাটী বিশ্ববিদ্যালয়ত কালিৰে পৰা আৰম্ভ হোৱা পাঁচ দিনীয়া ৰাষ্ট্ৰীয় শিক্ষক-অধ্যাপকৰ দক্ষতা বিকাশ কাৰ্যসূচীত কল্যাণী বাল্য ভৱন ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ পাঁচ গৰাকী শিক্ষক-শিক্ষয়ত্ৰীৰ এটি দলে অংশগ্ৰহণ কৰিছে। ৰাষ্ট্ৰীয় শিক্ষা নীতি -২০২০ বিষয়ত এ আই, ই - উপাদান, উচ্চ শিক্ষাত উন্নত প্ৰযুক্তি আদি বিষয়ত হোৱা প্ৰশিক্ষণৰ পৃষ্ঠপোষক হৈছে গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° ননীগোপাল মহন্ত, এন আই ই পি এ (NIEPA), নিউ দিল্লীৰ উপাচাৰ্য প্ৰফেছৰ শশীকলা ৱাঞ্জাৰি, সমল ব্যক্তিৰূপে কাৰ্যসূচী সঞ্চালক আই চি টি ৰ প্ৰফেছৰ কে . শ্ৰীনিবাস আৰু নডেল সমন্বয়ক ৰূপে গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰাণী বিজ্ঞান বিভাগৰ অধ্যাপক যোগেন চন্দ্ৰ কলিতাই পৰিচালনা কৰিছে। উল্লেখ্য, এই প্ৰশিক্ষণত অংশ গ্ৰহণ কৰা কল্যাণী বাল্য ভৱন ছিনিয়ৰ ছেকেণ্ডাৰী স্কুল হ'ল অসমৰ একমাত্ৰ বিদ্যালয়।

## মুকালমুৱাত ৰিজাৰ্ভ বেংকৰ বিত্তীয় সাক্ষৰতা সপ্তাহ উদ্‌যাপন

**অসম বাৰ্তা, দৌলাশাল, ১০ ফেব্ৰুৱাৰী ঃ** ভাৰতীয় ৰিজাৰ্ভ বেংকে প্ৰতিবছৰে উদযাপন কৰি অহা বিত্তীয় সাক্ষৰতা সপ্তাহ এইবেলি আজিৰে পৰা ১৩ ফেব্ৰুৱাৰীলৈ অনুষ্ঠিত হৈছে। সমগ্ৰ দেশৰ লগতে অসমৰ নলবাৰী জিলাতো ৰিজাৰ্ভ বেংকৰ বিত্তীয় সাক্ষৰতা সপ্তাহ উদ্‌যাপন কৰা হয়। ক্ৰিছিল ফাউণ্ডেচনৰ সহযোগত নলবাৰী জিলাত উদযাপন কৰা বিত্তীয় সাক্ষৰতা সপ্তাহটো আজি মুকালমুৱাস্থিত ভাৰতীয় ষ্টেট বেংক মুকালমুৱা শাখাৰ প্ৰাংগণত শুভৰাম্ভ কৰা হয়। বিত্তীয় সাক্ষৰতা সপ্তাহৰ ফ্লেগ মাৰ্চ কৰে ষ্টেট বেংক মুকালমুৱা শাখাৰ বেংক বিষয়া হিমাংশু দাসে। ক্ৰিছিল ফাউণ্ডেচনৰ বৰভাগ বিত্তীয় সাক্ষৰতা কেন্দ্ৰ পৰিচালক কুশল চৌধুৰীয়ে আঁত ধৰা ফ্লেগ মাৰ্চ অনুষ্ঠানটোৰ আৰম্ভণিতেই ষ্টেট বেংক মুকালমুৱা শাখাৰ বিষয়া হিমাংশু দাসক এখন ফুলাম গামোচাৰে সম্বৰ্ধনা জনায়। শতাধিক বেংক গ্ৰাহক উপস্থিত থকা ফ্লেগ মাৰ্চ অনুষ্ঠানটোত ক্ৰিছিল ফাউণ্ডেচনৰ সামৰ্থ্য বিকাশ বিষয়া মিণ্টু দাস, ক্ৰিছিল ফাউণ্ডেচনৰ বৰক্ষেত্ৰীৰ ক্ষেত্ৰ বিষয়া গীতামণি কাকতি, ক্ৰিছিল ফাউণ্ডেচনৰ পশ্চিম নলবাৰীৰ ক্ষেত্ৰ বিষয়া ভাস্কৰ তালুকদাৰ, ক্ৰিছিল ফাউণ্ডেচনৰ নলবাৰী বিত্তীয় সাক্ষৰতা কেন্দ্ৰ পৰিচালক বৰ্ণালী ভাগৱতী উপস্থিত থাকে। বিত্তীয় সাক্ষৰতা সপ্তাহ উপলক্ষত ক্ৰিছিল ফাউণ্ডেচনে এখন চাৰিচকীয়া বাহনত ভাৰতীয় ৰিজাৰ্ভ বেংকৰ বিভিন্ন বিজ্ঞাপন, সজাগতামূলক বেনাৰ আঁৰি বাহনখন সমগ্ৰ নলবাৰী জিলাৰ প্ৰতিখন গাঁৱলৈ লৈ যোৱাৰ পৰিকল্পনা কৰি বেংকৰ গ্ৰাহকসকলক বিভিন্ন বিষয়ত সজাগতা সৃষ্টি কৰিব বুলি জানিবলৈ দিয়ে। বিত্তীয় সাক্ষৰতা সপ্তাহৰ জৰিয়তেই গ্ৰাহকসকলক চাইবাৰ অপৰাধৰ পৰা সুৰক্ষিত কৰি ৰখাৰ বাবেও বিশেষভাৱে সজাগতাৰ সৃষ্টি কৰিব।

### অৱসৰপ্ৰাপ্ত আশা কৰ্মীক একঁকালীন সাহায্য প্ৰদান

## নগাঁৱত আশা কৰ্মীৰ বৃহৎ আশা অভিৱৰ্তন



**অসম বাৰ্তা, নগাঁও, ১০ ফেব্ৰুৱাৰী ঃ** নগাঁও জিলা স্বাস্থ্য সমিতিৰ উদ্যোগত আজি নেহৰুবালিৰ বাকৰিত স্বাস্থ্য খণ্ডত অৰিহণা যোগোৱা আশা কৰ্মী সকলক উৎসাহিত কৰাৰ উদ্দেশ্যেৰে "আশা অভিৱৰ্তন ২০২৫-২৬" অনুষ্ঠিত কৰা হয়। নগাঁও জিলাৰ ভিন্ন প্ৰান্তৰ আশা কৰ্মীসকলে অংশগ্ৰহণ কৰা আশা অভিৱৰ্তন খনিত নগাঁও -বটদ্ৰৱা সমষ্টিৰ বিধায়ক ৰূপক শৰ্মা, জিলা আয়ুক্ত দেৱাশিস শৰ্মা উপস্থিত থাকি সকলোকে উৎসাহিত কৰে। উক্ত অনুষ্ঠানত বিধায়ক ৰূপক শৰ্মা, জিলা আয়ুক্ত দেৱাশিস শৰ্মাৰ লগতে জিলা অতিৰিক্ত আয়ুক্ত(স্বাস্থ্য) সুদিপ নাথ, ভাৰপ্ৰাপ্ত জিলা স্বাস্থ্য সঞ্চালক, ডাঃ পঞ্চম কুমাৰ বৰা, নগাঁও চিকিৎসা মহাবিদ্যালয়ৰ অধ্যক্ষ ডাঃ ৰজত দত্তৰয়, মুখ্য স্বাস্থ্য আৰু চিকিৎসা বিষয়া (সংক্ৰামক ৰোগ), ডাঃ পৰশমণি গোস্বামী, অৱসৰপ্ৰাপ্ত জিলা স্বাস্থ্য সঞ্চালক ক্ৰমে ডাঃ অতুল চন্দ্ৰ পাটৰ, ডাঃ তপন কুমাৰ শইকীয়া, জ্যেষ্ঠ চিকিৎসক ডাঃ দিলীপ শৰ্মা, ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান নগাঁৱৰ জিলা আঁচনি প্ৰবন্ধক অৰ্ণিবান বৰঠাকুৰকে ধৰি নগাঁও জিলাৰ স্বাস্থ্য বিষয়াসকল, জিলা প্ৰবন্ধকৰ সমূহ বিষয়ববীয়া, খণ্ড পৰ্য্যায়ৰ বিষয়াসকল আৰু আশা আৰু আশা ছুপাৰভাইজৰসকল উপস্থিত থাকে। উক্ত অনুষ্ঠানৰ লগত সংগতি ৰাখি নগাঁও বটদ্ৰৱা সমষ্টিৰ বিধায়ক ৰূপক শৰ্মাই নগাঁও জিলাৰ অন্তৰ্গত অৱসৰপ্ৰাপ্ত মুঠ ১৩গৰাকী আশাকৰ্মীক মুঠ ২লাখ টকাকৈ এক কালীন সাহায্যৰ চেক প্ৰদান কৰে। লগতে নগাঁও জিলাৰ মুঠ ১০টা খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ অন্তৰ্গত ২০গৰাকী আশাকৰ্মীক এই বৃত্তীয় বৰ্ষৰ শ্ৰেষ্ঠ পাৰদৰ্শিতাৰ বাবে জিলা আয়ুক্ত দেৱাশিস শৰ্মা আৰু জিলা অতিৰিক্ত আয়ুক্ত(স্বাস্থ্য) সুদিপ নাথে ১৫০০ টকাকৈ অৰ্থ সাহায্য, এখন প্ৰমাণ পত্ৰৰ লগতে ট্ৰফী প্ৰদান কৰে। ইয়াৰোপৰি এই আশা অভিৱৰ্তন অনুষ্ঠানতে আশা আৰু আশা ছুপাৰভাইজৰ দ্বাৰা বিভিন্ন ধৰণৰ সাংস্কৃতিক অনুষ্ঠান প্ৰদৰ্শন কৰে।

# গোসাঁইগাঁৱৰ তেলীপাৰা টোল প্লাজাত উত্তপ্ত পৰিস্থিতি

## ট্ৰাক চালকক প্ৰহাৰ কৰাক কেন্দ্ৰ কৰি তীব্ৰ উত্তেজনা; ৰাষ্ট্ৰীয় ঘাইপথ অৱৰোধ কৰি ট্ৰাক চালক-স্থানীয় ৰাইজৰ প্ৰতিবাদ

### উত্তেজিত লোকে ভাঙি চুৰ মাৰ কৰিলে তেলীপাৰা টোল প্লাজা

**অসম বাৰ্তা, গোসাঁইগাঁও, ১০ ফেব্ৰুৱাৰী ঃ** আকৌ এবাৰ উত্তপ্ত হৈ পৰিল কোকৰাঝাৰ জিলাৰ গোসাঁইগাঁও মহকুমাৰ তেলীপাৰাত থকা টোল প্লাজা। টোল প্লাজাত নিৰ্দিষ্ট টোলৰ অতিৰিক্ত ধন দাবী কৰাক কেন্দ্ৰ কৰি টোল প্লাজাৰ কৰ্মচাৰী আৰু ট্ৰাক চালকৰ মাজত সংঘাতৰ সৃষ্টি হয় বুলি ভুক্তভোগী ট্ৰাক চালক সকলৰ অভিযোগ। টোল প্লাজাত টোল আদায়ৰ উপৰি অভাৰলোডৰ জৰিমনা আদায়ৰ নামত ট্ৰাক চালকৰ পৰা অবৈধ ধন সংগ্ৰহ কৰাৰ হয় আৰু দাবী কৰা ধন দিবলৈ অমান্তি হ'লেই ট্ৰাক চালকক হাৰাশাস্তি কৰাৰ উপৰি প্ৰহাৰ কৰা হয় বুলিও অভিযোগ। অতিৰিক্ত ধন বিচৰাক কেন্দ্ৰ কৰি তেলীপাৰা টোল প্লাজাত ইয়াৰ পূৰ্বেও অপ্ৰীতিকৰ পৰিস্থিতিৰ সৃষ্টি হোৱাৰ পাছত আজিও একেধৰণৰ ঘটনা সংঘটিত হোৱাৰ পাছত ট্ৰাক চালক সকল উত্তেজিত হৈ পৰে। আজি পুৱতি নিশাৰ পৰাই উত্তেজিত ট্ৰাক চালক সকলে টোল প্লাজাৰ বিৰুদ্ধে প্ৰতিবাদ জনাই আছিল। এই প্ৰতিবাদ এসময়ত হিংসাত্মক ৰূপ লোৱাত পৰিস্থিতি অধিক উত্তপ্ত হৈ পৰে। জানিব পৰা মতে আজি পুৱতি নিশা বংগ অভিমুখে দুজন ট্ৰাক চালকে দাবী কৰা ধন আদায় নিদিয়াত টোল প্লাজাৰ কৰ্মচাৰী সকলে চালক দুজনক শাৰীৰিকভাৱে আক্ৰমণ কৰে বুলি অভিযোগ গোসাঁইগাঁও মহকুমাৰ ভোমৰাবিল গাঁৱৰ বাসিন্দা তথা এ পি ৩৯ ইউ ইউ-২৯৭৭ নম্বৰৰ ট্ৰাক চালক ৰফিকুল ইছলামৰ। তেওঁৰ অভিযোগ মতে বিহাৰৰ বাসিন্দা ট্ৰাক চালক মহম্মদ শামিমৰ পৰা টোলগেটৰ কৰ্মচাৰীয়ে অভাৰলোডৰ নামত ধন বিচৰাত তেওঁ নিজৰ বাহনৰ পৰা নামি গৈ কিহৰ ধন লাগে বুলি টোল প্লাজাৰ কৰ্মচাৰী সকলক প্ৰশ্ন কৰাত টোলগেটৰ একাংশ কৰ্মচাৰীয়ে শামিম আৰু তেওঁক অশ্লীল ভাষাৰে গালি গালাজ কৰাৰ লগতে শাৰীৰিকভাৱে আক্ৰমণ কৰি আহত কৰে। এই ঘটনাৰ পাছত ৰফিকুলে আন ট্ৰাক চালক সকলক ঘটনাৰ বিষয়ে অৱগত কৰাৰ লগতে তেওঁৰ গাঁৱৰ লোককো অৱগত কৰে। ইয়াৰ পাছতে একাংশ ট্ৰাক চালক তথা টোল প্লাজাৰ কৰ্মকাণ্ডৰ বিৰোধিতা কৰা এদল উত্তেজিত লোকে টোল প্লাজাত উপস্থিত হৈ ট্ৰাক চালকক একগোট কৰি পথ অৱৰোধ কৰি দিয়ে। পুৱা ৮-০০ বজাৰ পৰা ৰাষ্ট্ৰীয় ঘাইপথ অৱৰুদ্ধ হৈ পৰাত তীব্ৰ যানজঁটৰ সৃষ্টি হয়। খবৰ পাই গোসাঁইগাঁও মহকুমা আৰক্ষী বিষয়া মণ্টুৰাম বৰাই গোসাঁইগাঁও থানাৰ অ'চি জয়ন্ত দাসক লগত লৈ ঘটনাস্থলীত উপস্থিত হৈ উত্তেজিত ৰাইজৰ অভিযোগ শুনি অভিযোগৰ ভিত্তিত তদন্ত কৰি দোষীক কঠোৰ শাস্তি প্ৰদান কৰাৰ আশ্বাস প্ৰদান কৰে আৰু পথ অৱৰোধ উঠাই লবলৈ অনুৰোধ জনায়। আৰক্ষীৰ এই আহ্বানক আওকাণ কৰি উত্তেজিত লোকে টোল প্লাজাৰ কাৰ্যালয় আৰু কাউণ্টাৰ সমূহত ভাঙচুৰ কৰিবলৈ ধৰে। আৰক্ষীৰ সন্মুখত আক্ৰমণ চলাই বিভিন্ন সামগ্ৰী ভাঙচুৰ কৰাত মহকুমা আৰক্ষী বিষয়াই এনে কাম নকৰিবলৈ বাৰে বাৰে অনুৰোধ জনোৱাৰ পাছতো উত্তেজিত ৰাইজ ভাঙচুৰ কৰাৰ পৰা বিৰত নোহোৱাত ভাঙচুৰত লিপ্ত এজন যুৱকক বাধা দিবলৈ যাওঁতে আৰক্ষী বিষয়া গৰাকীৰ ওপৰতে একাংশ উদণ্ড যুৱকে জঁপিয়াই পৰে। তেওঁক ঘুচিয়াই লথিয়াই পথত পেলাই দিয়াত আৰক্ষী বিষয়া গৰাকীৰ মুখমণ্ডল তেজত ৰঙালী হৈ পৰে। গুৰুতৰ আহত মণ্টুৰাম বৰাক টোল প্লাজাত থকা এম্বুলেন্সত চিকিৎসালয়ত পঠোৱা হয়। ইপিনে ঘটনাস্থলীত পৰ্যাপ্ত আৰক্ষী নথকাৰ সুযোগ লৈ একাংশ ট্ৰাক চালক আৰু ট্ৰাক চালকৰ সমৰ্থনত আগবাঢ়ি অহা এদল লোকে প্ৰায় চাৰি পাঁচ ঘণ্টা ধৰি এক হুলস্থুলীয়া পৰিৱেশ সৃষ্টি কৰাৰ পাছত বহু পলমকৈ ঘটনাস্থলীত আৰক্ষী, কমাণ্ডো আৰু চি আৰ পি এফৰ আগমনৰ পাছত হে উত্তপ্ত পৰিস্থিতিৰ শাম কাটে। কোকৰাঝাৰ জিলাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক (অপৰাধ শাখা) আজিজা গুলেনুৰ, গোসাঁইগাঁও মহকুমাৰ মহকুমাধিপতিৰ উপস্থিতিত ট্ৰাক চালক সকলৰ প্ৰতিনিধি সকলে উত্তেজিত ট্ৰাক চালক সকলৰ অভিযোগ শুনি বিহিত ব্যৱস্থা গ্ৰহণৰ আশ্বাস দিয়াত ট্ৰাক চালক সকলে অৱৰোধ উঠাই লোৱাৰ পাছত পুৱতি নিশাৰ পৰা উত্তপ্ত হৈ পৰা তেলিপাৰাস্থিত টোল প্লাজাত সৃষ্ট উত্তেজনাপূৰ্ণ পৰিস্থিতি নিয়ন্ত্ৰণ লৈ আহে। ট্ৰাক চালক তিনিজন ক্ৰমে ৰফিকুল ইছলাম, আব্দুল আলিম আৰু মহম্মদ শামিমক আৰক্ষীয়ে সোধাপোছাৰ বাবে আটক কৰিছে। ইপিনে এয়া পৰিকল্পিত আক্ৰমণ বুলি অভিযোগ কৰিছে মহকুমা আৰক্ষী বিষয়া গৰাকীয়ে। তেওঁ কয় "তেলীপাৰা টোল প্লাজা ৰাষ্ট্ৰীয় ঘাই পথ প্ৰাধিকৰণৰ অধীনত নিয়ন্ত্ৰণ হয়। ইয়াত আৰক্ষীৰ কোনো হস্তক্ষেপ নচলে। যদি আইন শৃংখলাজনিত কোনো সমস্যাৰ সৃষ্টি হয় তেতিয়াই আমি আহিব লগা হয়। আজি ৰাতিপুৱাৰ পৰা ২৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথ অৱৰোধ হৈ থকাত আমি ঘটনাস্থলীত উপস্থিত হৈ ট্ৰাক চালক সকলৰ অভিযোগ আন্তৰিকভাৱে শুনিছো আৰু তেওঁলোকৰ অভিযোগৰ ভিত্তিত তদন্ত কৰা হ'ব বুলি নিশ্চিত কৰাৰ পাছতো আৰক্ষীৰ কথাত কোনো গুৰুত্ব নিদি একাংশই টোল প্লাজাত আক্ৰমণ কৰাই নহয় আৰক্ষীৰ ওপৰতো আক্ৰমণ চলালে। ট্ৰাক চালকৰ আঁৰত কোনো তৃতীয় পক্ষৰ উচটনি নাথাকিলে এনেকৈ আৰক্ষীৰ ওপৰত ট্ৰাক চালক সকলে আক্ৰমণ কৰাৰ সাহস নাপালেহেঁতেন। আইন হাতত তুলি লৈ তিনি চাৰি ঘণ্টামান আমাৰ চকুৰ আগতে একাংশই যিধৰণৰ উদ্ভণ্ডালি কৰিলে সেয়া সঠিক হোৱা নাই। আমি ধৈৰ্য্য ধৰি সকলো সহ্য কৰিছো। কিন্তু এই ঘটনাৰ লগত জড়িত সকল আইনৰ আওতাত পৰিব যে সেয়া নিশ্চিত। আৰক্ষীৰ মানৱতাক দুৰ্বলতা বুলি ভাবিব নালাগে। আজিৰ এই ঘটনাৰ আঁৰত থকা সকল ৰেহাই নাপাব। টোল প্লাজাত কোনোবাই যদি অবৈধ কাম কাজ কৰিছে তেওঁলোকেও আইনৰ অধীনত শাস্তি পাব। এইক্ষেত্ৰত আৰক্ষীৰ স্থিতি কঠোৰ বুলিও তেওঁ কয়। ট্ৰাক চালক সকলৰ অভিযোগ আৰু টোল প্লাজা কৰ্তৃপক্ষৰ অভিযোগৰ ভিত্তিত তদন্ত কৰি যথোপযুক্ত পদক্ষেপ লোৱা হ'ব" বুলিও মহকুমা আৰক্ষী বিষয়া মণ্টুৰাম বৰাই সাংবাদিকৰ আগত কয়।

# প্ৰবীন নাট্য শিল্পী 'অৰুণ শৰ্মা'ক অসম একত্ৰিত সংস্থাৰ সম্বৰ্ধনা; মনোজ্ঞ কাব্যানুষ্ঠান সম্পন্ন



**অসম বাৰ্তা, উজনী মাজুলী, ১০ ফেব্ৰুৱাৰী ঃ** কেইবাখনো ভ্ৰাম্যমাণ থিয়েটাৰত পৰিচালক আৰু অভিনয়ৰ যোগেদি দৰ্শক ৰাইজক আকৰ্ষিত কৰিবলৈ সক্ষম হোৱা মাজুলীৰ সু-সন্তান অৰুণ শৰ্মাক ৮ ফেব্ৰুৱাৰী তাৰিখে এটি আড়ম্বৰ পূৰ্ণ অনুষ্ঠানৰ যোগেদি সম্বৰ্ধনা জনায়। ১৯৬৩ চনত লখিমপুৰ জিলাৰ পানীগাঁও প্ৰগতি সংঘৰ দ্বাৰা আয়োজিত "পৰিচয় একাংক নাটক"ত চেনিৰামৰ চৰিত্ৰৰে আত্মপ্ৰকাশ কৰি পুৰস্কাৰ বুতলিবলৈ সক্ষম হোৱা অৰুণ শৰ্মাই দৰং নাট্য জগতৰ পুৰনি পুতলা থিয়েটাৰ, সম্ৰাট থিয়েটাৰকে ধৰি কেইবাখনো ভ্ৰাম্যমাণ থিয়েটাৰত অভিনয় গীত আৰু নৃত্য পৰিচালনাৰ দায়িত্বৰে নাট্য ক্ষেত্ৰখনি আগুৱাই নিছিল। পৰৱৰ্তী সময়ত জন্ম স্থান মাজুলীৰ কেইবাটাও নাট্য মঞ্চত অভিনয় গীত নৃত্যৰ পৰিচালক হিচাপে নিজকে নিয়োজিত কৰি ৮৭ বছৰ বয়সতো নাট্য প্ৰেম এৰি নিদিয়া প্ৰবীন শিল্পী জনাক মধ্য মাজুলীস্থিত মোহনপুৰ গাৱঁৰ নিজা বাসভৱনত অসম একত্ৰিত সংস্থা নামৰ সংগঠনটিয়ে এক বিশেষ অনুষ্ঠানৰ যোগেদি শৰ্মাৰ ত্যাগৰ স্বীকৃতি প্ৰদান কৰে। সংস্থাটিৰ তিনিগৰাকী নাট্য শিল্পী তথা সদস্যই মাজুলীত উপস্থিত হৈ মানপত্ৰ জাপি শৰাই অংগবস্ত্ৰ আদিয়ে সম্বৰ্ধনা জ্ঞাপন কৰে। মাজুলীৰ বিশিষ্ট কবি জয়ন্ত হাজৰিকাৰ সঞ্চালনাত অনুষ্ঠিত সম্বৰ্ধনা সভাখনি সপ্তৰ্ষি গুৰুকুল বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলে পৰিবেশন কৰা গীতি নৃত্যৰ এটি অনুষ্ঠানেৰে আৰম্ভ কৰা সভাখনি উদ্বোধন কৰে নাট্যকৰ্মী কবি থানুকৃষ্ণ দত্তই। অসম একত্ৰিত সংস্থাৰ বিষয়ববীয়া শিল্পী ক্ৰমে কুলেন্দু ৰায়চৌধুৰী, পৰাণ কমল বৰা আৰু মুনমুন দাসে সম্বৰ্ধিত ব্যক্তি অৰুণ শৰ্মাক সম্বৰ্ধনা জ্ঞাপন কৰাৰ লগতে প্ৰবীন শিল্পী গৰাকীৰ সাধনা প্ৰসংগত ব্যখ্যা দাঙি ধৰে। অৰুণ শৰ্মাৰ পুত্ৰ লক্ষ্মী নন্দন শৰ্মাই আটঁধৰা অনুষ্ঠানটিৰ লগত সংগতি ৰাখি এলানি কবিতাৰ অনুষ্ঠান সম্পন্ন কৰে। সভাখনিত ন-পুৰণি কবি ক্ৰমে চিমেন চাপৰি মহাবিদ্যালয়ৰ অধ্যাপক ডণ্গোপাল তামূলী ডিম্বেশ্বৰ ভূএগ, মাজুলী কবি সন্মিলনৰ সম্পাদক শ্যামন্ত পায়ং, সভাপতি যুগল হাজৰিকা, সপ্তৰ্ষি গুৰুকুল বিদ্যালয়ৰ অধ্যক্ষ দিগন্ত শইকীয়া, কবি তথা শিয়িত্ৰী পম্পী হাজৰিকা, ইন্দুলেখা হাজৰিকা প্ৰমুখ্যে ৩০ গৰাকী কবিয়ে স্বৰচিত কবিতাৰে অনুষ্ঠানটি জীপাল কৰি তোলে। অনাতাৰ শিল্পী বিষ্ণু দাসে পৰিবেশন কৰা লোকগীতৰ উপৰিও সপ্তৰ্ষি গুৰুকুল বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলে কেইবাটাও গীত নৃত্য পৰিৱেশন কৰে। সম্বৰ্ধিত ব্যক্তি অৰুণ শৰ্মাই বঁটা গ্ৰহণ কৰি আনন্দৰ অশ্ৰু নিগৰাই নিজা অনুভৱ প্ৰকাশ কৰি নব প্ৰজন্মক শিল্প সাধনাৰ যোগেদি আগুৱাই যোৱাৰ পৰামৰ্শ প্ৰদান কৰে। অনুষ্ঠানটিত শিল্পী সমৰজিৎ চেন, মাজুলী জিলা সাংবাদিক সন্থাৰ সম্পাদক ডিম্বেশ্বৰ দত্ত, শিল্পী অনিল শইকীয়া প্ৰমুখ্যে ভালেসংখ্যক ব্যক্তিয়ে অংশগ্ৰহণ কৰি অৰুণ শৰ্মাৰ দৰে বৰ্তমান লুকাই থকা শিল্পী কলাকুশলীক সন্মান প্ৰদৰ্শন কৰা সংস্থাটিক ধন্যবাদ জনায়।

# আন্তঃমহাবিদ্যালয় ভলীবল প্ৰতিযোগিতাত সৰুপথাৰ মহাবিদ্যালয় চূড়ান্ত বিজয়ী



**অসম বাৰ্তা, সৰুপথাৰ, ১০ ফেব্ৰুৱাৰী ঃ** গোলাঘাট জিলাৰ খুমটাইত অৱস্থিত জয়া গগৈ মহাবিদ্যালয়ত ৯ ফেব্ৰুৱাৰী তাৰিখে অনুষ্ঠিত হৈছিল অসম কলেজ শিক্ষক সংস্থা গোলাঘাট মণ্ডলৰ শিক্ষক-কৰ্মচাৰী আন্তঃমহাবিদ্যালয় ভলীবল প্ৰতিযোগিতা। অসম কলেজ শিক্ষক সংস্থা গোলাঘাট মণ্ডলৰ শিক্ষক-কৰ্মচাৰী আন্তঃমহাবিদ্যালয় ভলীবল প্ৰতিযোগিতাত সৰুপথাৰ মহাবিদ্যালয় চূড়ান্ত বিজয়ী হয়। গোলাঘাট কমাৰ্চ কলেজৰ আৰু সৰুপথাৰ মহাবিদ্যালয়ৰ মাজত অনুষ্ঠিত হোৱা চূড়ান্ত প্ৰতিযোগিতাখনত দুয়োটা দলে সুন্দৰ খেল প্ৰদৰ্শন কৰে। প্ৰতিযোগিতাখনত সৰুপথাৰ মহাবিদ্যালয়ে চূড়ান্ত বিজয় অৰ্জন কৰি একেৰাহে দ্বিতীয়বাৰৰ বাবে জয় লাভ কৰে। প্ৰতিযোগিতাত সৰুপথাৰ মহাবিদ্যালয়ৰ ড° ৰিদিপ খনিকৰে শ্ৰেষ্ঠ খেলুৱৈৰ সন্মান লাভ কৰাৰ লগতে ড° প্ৰেমকান্ত বৰাই শ্ৰেষ্ঠ লিফটাৰ বঁটা লাভ কৰে। প্ৰতিযোগিতাত চূড়ান্ত বিজয়ী খিতাপ অৰ্জন কৰি মহাবিদ্যালয়লৈ গৌৰৱ কঢ়িয়াই অনা প্ৰশান্ত পোদ্দাৰ নেতৃত্বাধীন দলটিক মহাবিদ্যালয়ৰ অধ্যক্ষ ড° প্ৰাপ্তি ঠাকুৰে আজি আনুষ্ঠানিক সম্বৰ্ধনা জনায়। দলটিত থকা খেলুৱৈসকল ক্ৰমে- প্ৰশান্ত পোদ্দাৰ (কেপ্তেইন), সত্যব্ৰত দত্ত, ড° প্ৰেমকান্ত বৰা, ড° ৰিদিপ খনিকৰ, হেমন্ত গগৈ, পৰাগ ভূএগ, ড° সন্ধান হাজৰিকা আৰু কাৰ্যালয় সহায়ক উৎপল সন্দিকৈ।

# অত্যধিক ধাৰৰ বোজা সহিব নোৱাৰি আত্মগোপন নেকি?

# ঘৰত তলা লগাই দুই কন্যাসহ নিৰুদ্দেশ সত্ৰাপাৰাৰ স্বামী-স্ত্ৰী

### উভতি আহিবলৈ অনুৰোধ পৰিয়ালৰ লোকৰ

**অসম বাৰ্তা, ছয়গাঁও, ১০ ফেব্ৰুৱাৰী ঃ** দক্ষিণ কামৰূপৰ পলাশবাৰী ৰাজহ চক্ৰৰ অন্তৰ্গত সত্ৰাপাৰা হাজৰিকাপাৰাৰ পৰা এটা পৰিয়াল সম্পূৰ্ণৰূপে যোৱা ৬ ফেব্ৰুৱাৰী নিশাৰ পৰা নিৰুদ্দেশ হৈ থকা ঘটনাই অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি কৰিছে। উল্লেখযোগ্য যে পলাশবাৰী আৰক্ষী থানাৰ অন্তৰ্গত বিজয়নগৰ পহৰা চকীৰ অধীনস্থ সত্ৰাপাৰা হাজৰিকাপাৰাৰ মনেশ্বৰ হাজৰিকা (পাপু) (৪২), তেওঁৰ পত্নী ৰঞ্জিতা হাজৰিকা (৩৭), ১৪ বছৰীয়া কন্যা বৰ্ণালী হাজৰিকা আৰু ৯ বছৰীয়া কন্যা ভাৰ্গৱী হাজৰিকা(টিকলি) নিশা প্ৰায় ১১ বজাৰ পৰা নিৰুদ্দেশ হৈ আছে। ঘটনা সন্দৰ্ভত স্থানীয় গাঁও প্ৰধানে বিজয়নগৰ আৰক্ষী চকীত বিষয়টো অৱগত কৰিছিল যদিও এই মুহূৰ্তলৈকে ঘটনা সন্দৰ্ভত কোনে লোকে এজাহাৰ দাখিল কৰা নাই। অৱশ্যে বিজয়নগৰ আৰক্ষী মনেশ্বৰ হাজৰিকাৰ ঘৰলৈ আহি বিষয়টো চোৱা-চিতা কৰে যদিও এতিয়ালৈকে বিশেষ ব্যৱস্থা লোৱা দেখা নাই। এটা ইমান সুন্দৰ পৰিয়াল হঠাতে কলৈ গ'ল তাক লৈ অঞ্চলটোত বিভিন্ন বু-বা আৰম্ভ হৈছে। পৰিয়ালৰ লোকে ইতিমধ্যে তেওঁলোকৰ আত্মীয় কুতুম্ব সকলোৰে ঘৰলৈ গৈ বিচাৰ-খোঁচাৰ চলাই যদিও চাৰিজনীয়া পৰিয়ালটোৰ এতিয়ালৈকে সন্ধান উলিয়াবলৈ সক্ষম হোৱা নাই। ঘৰত তলা লগাই কলৈ গ'ল পৰিয়ালটো। স্থানীয় একাংশ লোকৰ মতে যুৱকজনে বহু টকা ধাৰৰ সন্মুখীন হয়। অঞ্চলটোৰ বিভিন্ন লোকৰ পৰা সূতীয়াকৈ টকা ধাৰ লোৱাৰ ফলত সেই সূতে চক্ৰবৃদ্ধি সূত হৈ অত্যধিক ধাৰৰ বোজা সহিবলগীয়া হৈছে। অৱশেষত ধাৰৰ উপদ্ৰৱ আৰু একাংশ সূতত টকা ধাৰ দিয়া লোকৰ ভয়ত শুক্ৰবাৰে নিশা প্ৰায় ১১ বজাত ঘৰটোত তলা লগাই পৰিয়ালটোৱে অন্তৰ্ধান হয়। পৰিয়ালৰ লোকে মনেশ্বৰ হাজৰিকাক য'তেই আছে সোনকালে উভতি আহিবলৈ অনুৰোধ কৰে। বিশেষকৈ কণমানি কন্যা দুগৰাকীৰ স্বাৰ্থত দুই স্বামী স্ত্ৰী যাতে কোনো ভয়াবহ সিদ্ধান্ত নলয় তাৰ বাবে অনুৰোধ কৰে।

# দুই শতাধিক কংগ্ৰেছ কৰ্মীৰ বিজেপিত যোগদান

# মাৰ্ঘেৰিটা কংগ্ৰেছত মোক্ষম আঘাত

**অসম বাৰ্তা, মাৰ্ঘেৰিটা, ১০ ফেব্ৰুৱাৰী ঃ** ২০২৬ৰ বিধানসভা নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে ৰাজনৈতিক দলৰ একাংশ কৰ্মীৰ নিজৰ দল ত্যাগ কৰি আন এটা দলত যোগদান কৰাৰ তৎপৰতা বৃদ্ধি পোৱা পৰিলক্ষিত হৈছে। ব্যক্তিক্ৰম নহয় মাৰ্ঘেৰিটাও। আজি মাৰ্ঘেৰিটাত অনুষ্ঠিত হয় বিজেপি দলৰ এক বৃহৎ যোগদান কাৰ্যসূচী। মাৰ্ঘেৰিটাৰ নিউ কলনীস্থিত অটল বিহাৰী বাজপেয়ী ভৱনত অনুষ্ঠিত হয় এই যোগদান কাৰ্যসূচী। অনুষ্ঠানত দুই শতাধিক কংগ্ৰেছ কৰ্মীয়ে কংগ্ৰেছ দল ত্যাগ কৰি বিজেপি দলত আনুষ্ঠানিকভাৱে যোগদান কৰে। কংগ্ৰেছ দলৰ দুই শতাধিক দলীয় কৰ্মীয়ে নিৰ্বাচনৰ প্ৰাকমুহূৰ্তত এইদৰে দল ত্যাগ কৰাটো মাৰ্ঘেৰিটা কংগ্ৰেছৰ বাবে অশুভ আৰু কংগ্ৰেছ দলত যে মোক্ষম আঘাত হানিছেই নিশ্চিত। আজি যোগদান কৰা সকলৰ ভিতৰত অসম প্ৰদেশ মহিলা কংগ্ৰেছ কমিটীৰ প্ৰাক্তন সম্পাদিকা অঞ্জুমা আহমেদ, অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ প্ৰাক্তন সম্পাদক ৰুবুল গগৈ, জাগুন মণ্ডল কংগ্ৰেছৰ প্ৰাক্তন কাৰ্যকৰী সভাপতি ৰাজু হাজৰিকা অন্যতম। উল্লেখ্য যে, প্ৰাক্তন কংগ্ৰেছী মন্ত্ৰী প্ৰদ্যুৎ বৰদলৈৰ পৰিয়ালকেন্দ্ৰিক ৰাজনীতি আৰু দলীয় কৰ্মীক অৱমাননা কৰাৰ পৰিপ্ৰেক্ষিতত কংগ্ৰেছ দল ত্যাগ কৰি বিজেপিত যোগদান কৰিছে বুলি অসম প্ৰদেশ মহিলা কংগ্ৰেছ কমিটীৰ প্ৰাক্তন সম্পাদিকা অঞ্জুমা আহমেদ আৰু অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ প্ৰাক্তন সম্পাদক ৰুবুল গগৈয়ে সংবাদ মাধ্যমৰ আগত মন্তব্যত প্ৰকাশ কৰে। আজিৰ এই যোগদান কাৰ্যসূচীত আদৰণি ভাষণ প্ৰদান কৰে টাউন মণ্ডলৰ সভাপতি সুখদেৱ শৰ্মাই। বুধ প্ৰকাশ উপাধ্যায়ে আঁত ধৰা অনুষ্ঠানত বিধায়ক ভাস্কৰ শৰ্মাই দললৈ নতুনকৈ অহাসকলক আদৰণি জনায়। এই যোগদান কাৰ্যসূচীত ব্লক মণ্ডলৰ সভাপতি নৱ দত্ত, জ্যেষ্ঠ নেতা ভীম কৰ্মকাৰ, তাৰা প্ৰসাদ দিহিঙ্গীয়া, সীমান্ত মাধৱ কটকী, হৰিনন্দ গড়, ধীৰাজ সোণোৱাল, মাৰ্ঘেৰিটা বিধানসভা সমষ্টিৰ প্ৰভাৰী সঞ্জয় সিঙ আদি উপস্থিত থাকে।

# আৰক্ষীৰ ভেৰোনীয়া গুণ্ডাবাহিনীৰ আক্ৰমণত ২ গৰাকী অধিবক্তা আহত

# শ্ৰীৰামপুৰত অধিবক্তাৰ ওপৰত আৰক্ষীৰ আতিশয্য

**অসম বাৰ্তা, গোসাঁইগাঁও, ১০ ফেব্ৰুৱাৰী ঃ** কোকৰাঝাৰ জিলাৰ গোসাঁইগাঁও মহকুমাৰ অসম-বংগ সীমান্তৰ শ্ৰীৰামপুৰত যোৱা নিশা প্ৰায় ৯-৩০ বজাত আৰক্ষী আৰু অধিবক্তাৰ মাজত সংঘটিত এক অনাকাংক্ষিত ঘটনাই সচেতন মহলক হতচকিত কৰি তুলিছে। গোসাঁইগাঁও মহকুমা উকীল সন্থাই উত্থাপন কৰা অভিযোগ অনুসৰি যোৱা কালি গোসাঁইগাঁও উকীল সন্থাৰ উদ্যোগত চুবুৰীয়া ৰাজ্য পশ্চিম বংগত বনভোজলৈ যোৱা গোসাঁইগাঁও উকীল সন্থাৰ ষাঠি/পয়ষষ্ঠি জনীয়া দলটোৱে নিশা গোসাঁইগাঁৱলৈ আহি থকা সময়তে শ্ৰীৰামপুৰত থকা আৰক্ষীৰ নাকাত কৰ্তব্যৰত আৰক্ষীৰ লগত সামান্য কথা কটাকটি হয়। অধিবক্তা আৰু আৰক্ষীৰ মাজত কথাৰ অৱতাৰণা এসময়ত তৰ্কযুদ্ধত পৰিণত হয়। আৰক্ষী আৰু অধিবক্তাৰ মাজত তৰ্কযুদ্ধ এসময়ত মাৰপিটলৈ পৰ্যবসিত হোৱাত তাত থকা আৰক্ষীৰ ভেৰোনীয়া গুণ্ডাবাহিনীৰ আক্ৰমণৰ বলি হ'বলগীয়া হয় দুই গৰাকী অধিবক্তাৰ। অধিবক্তা সকলৰ অভিযোগ মতে অসম-বংগ সীমান্তৰ শ্ৰীৰামপুৰ এলেকাত সন্ধিয়াৰ ভাগত আৰক্ষীয়ে তালাচীৰ নামত সৃষ্টি কৰা তীব্ৰ যানজঁটৰ কাৰণে এম্বুলেন্সৰ পৰা আৰম্ভ কৰি আৱদ্ধ হৈ পৰে শ-শ মালবাহী ট্ৰাক। কালি যেতিয়া ভোনভোজ খাই অধিবক্তাৰ দলটোৱে শ্ৰীৰামপুৰত আহি পায় তেতিয়া তেওঁলোকৰ দুটা বাছ যানজঁটৰ ফলত আবদ্ধ হৈ পৰে। ঘণ্টাৰ পাছত ঘণ্টা আৱদ্ধ হৈ থকা অধিবক্তাৰ দলটোৰ পৰা একাংশই বিকল্প এটা পথ মুকলি কৰি দিবলৈ আৰক্ষীক খাটনি ধৰাত খৰ্গহস্ত হৈ আৰক্ষী সহ আৰক্ষীৰ ভেৰোণীয়া গুণ্ডা বাহিনীৰ দলটোৱে অধিবক্তা সকলৰ ওপৰত আক্ৰমণ চলায়। এনেকি এই ঘটনাৰ সময়ত আৰক্ষীৰ একাংশ পোহনীয়া গুণ্ডা বাহিনীৰ লোকে আৰক্ষীৰ সৈতে সহযোগ কৰি দুইজন অধিবক্তাক গুৰুলাগুৰুলকৈ প্ৰহাৰ কৰি আহত কৰে। অভিযোগ মতে এই নিৰ্মম ঘটনা সংঘটিত হোৱাৰ পাছতে অধিবক্তা সকলে ৰাষ্ট্ৰীয় ঘাইপথত অৱস্থান কৰি প্ৰতিবাদ সাব্যস্ত কৰাত ৰাষ্ট্ৰীয় ঘাই পথেৰে যানবাহনৰ চলাচল স্তব্ধ হৈ পৰে। নিশা বহুপৰলৈকে চলি থকা প্ৰতিবাদৰ সময়ত একাংশ দল সংগঠনৰ প্ৰতিনিধিয়ে শ্ৰীৰামপুৰত উপস্থিত হৈ আৰক্ষী আৰু আৰক্ষীৰ দ্বাৰা লালিতপালিত ভেৰোণীয়া গুণ্ডা বাহিনীৰ শাস্তিৰ দাবীত উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। আনহাতে অধিবক্তাৰ ওপৰত আৰক্ষী আৰু গুণ্ডাবাহিনীৰ দলবদ্ধ আক্ৰমণৰ পাছতে ৰাষ্ট্ৰীয় ঘাইপথ অৱৰোধ কৰা ঘটনাৰ বাতৰি সংগ্ৰহ কৰিবলৈ শ্ৰীৰামপুৰত উপস্থিত হোৱা সাংবাদিকক গুলিয়াই মাৰিবলৈ ভাবুকি দিয়াত পৰিস্থিতি আৰু অধিক উত্তপ্ত হৈ পৰে। এই ঘটনা সংঘটিত কৰা আৰক্ষী জোৱানজনে নিজৰ কৃতকৰ্মৰ বাবে লগে লগে ক্ষমা খোজাত পৰিস্থিতি স্বাভাৱিক হয়। ইপিনে মহকুমা আৰক্ষী বিষয়াই তৎক্ষনাত উদ্যোগ লৈ অধিবক্তা সকলৰ মাজত আলোচনা মৰ্মে কেবাটাও চৰ্ত সাপেক্ষে অধিবক্তা সকলৰ মনত সৃষ্টি হোৱা ক্ষোভৰ প্ৰশমন কৰিবলৈ সক্ষম হয়। আৰক্ষী বিষয়া গৰাকীৰ আশ্বাসত আস্থা প্ৰকাশ কৰি অধিবক্তাৰ দলটোৱে প্ৰতিবাদী কাৰ্যসূচী প্ৰত্যাহাৰ কৰে। আইনজীৱী আৰু আইন ৰক্ষকৰ মাজত সংঘটিত এই কাণ্ডই সকলোকে হতচকিত কৰি তুলিছে। শ্ৰীৰামপুৰত উক্ত ঘটনা সংঘটিত হোৱাৰ পাছত এই ঘটনাৰ প্ৰতিবাদ জনাবলৈ নিশাতে আমছু, এবিএমছু, নেমছু আৰু বিপিএফৰ স্থানীয় নেতা সকল ঘটনাস্থলীত উপস্থিত হৈ উক্ত ঘটনাৰ প্ৰতিবাদত সৰব হৈ পৰে। আৰক্ষীয়ে অধিবক্তাৰ ওপৰত চলোৱা আক্ৰমণৰ লগত জড়িত দোষী আৰক্ষী আৰু সহযোগী গুণ্ডাবাহিনীৰ দলটোক কৰায়ত্ব কৰি কঠোৰ শাস্তি দিবলৈ সংগঠন কেইটাই দাবী জনাইছে।

# ৫৪ নং মৰিগাঁও বিধানসভা সমষ্টিৰ প্ৰাৰ্থীত্ব দৌৰত যুৱ নেতা মৃদুল সৌৰভ নাথ

**অসম বাৰ্তা, মৰিগাঁও, ১০ ফেব্ৰুৱাৰী ঃ** আগন্তুক বিধানসভা নিৰ্বাচনক কেন্দ্ৰ কৰি ৫৪ নং মৰিগাঁও বিধানসভা সমষ্টিত ৰাজনৈতিক তৎপৰতা দিনে দিনে বৃদ্ধি পাইছে। এই পৰিস্থিতিত সমষ্টিটোৰ প্ৰাৰ্থীত্ব দৌৰত যুৱ নেতা মৃদুল সৌৰভ নাথৰ নাম বিশেষভাৱে চৰ্চালৈ আহিছে। দলীয় সূত্ৰ অনুসৰি, এইবাৰ দলটোৱে মৃদুল সৌৰভ নাথক টিকট প্ৰদান কৰিব বুলি আশাবাদী তেওঁ অনুগামী সকল। দীৰ্ঘদিন ধৰি সামাজিক আৰু ৰাজনৈতিক ক্ষেত্ৰত সক্ৰিয় ভূমিকা লৈ অহা মৃদুল সৌৰভ নাথ যুৱ সমাজৰ মাজত এজন জনপ্ৰিয় মুখ হিচাপে পৰিচিত। ছাত্ৰজীৱনৰে পৰা সমাজসেৱাৰ সৈতে জড়িত নাথ বিভিন্ন সামাজিক কৰ্মত বিশেষকৈ শিক্ষাৰ উন্নয়ন, নিবনুৱা সমস্যা, কৃষকৰ স্বাৰ্থ সংৰক্ষণ আৰু যুৱ শক্তিক সংগঠিত কৰাৰ ক্ষেত্ৰত উল্লেখযোগ্য অৱদান আগবঢ়াই আহিছে। সমষ্টিটোৰ ভিতৰুৱা গাঁওসমূহত নিয়মিত যোগাযোগ ৰাখি তেওঁ সাধাৰণ ৰাইজৰ সমস্যা প্ৰত্যক্ষভাৱে শুনি সমাধানৰ চেষ্টা চলাই অহাটো স্থানীয় ৰাইজে ইতিবাচকভাৱে গ্ৰহণ কৰিছে। দলীয় সূত্ৰই জানিবলৈ দিয়া মতে, যুৱ নেতৃত্বক আগবঢ়াই নিবলৈ দলটোৱে এইবাৰ নতুন মুখক সুযোগ দিবলৈ আগ্ৰহী। সেই দৃষ্টিকোণৰ পৰা মৃদুল সৌৰভ নাথ এজন শক্তিশালী প্ৰাৰ্থী হিচাপে বিবেচিত হৈছে। সংগঠনক মজবুত কৰা, বুথ পৰ্যায়ত দলীয় কাম-কাজ সক্ৰিয় কৰা আৰু সাধাৰণ ভোটাৰৰ সৈতে সম্পৰ্ক স্থাপন কৰাত নাথৰ ভূমিকা দলৰ ভিতৰতে প্ৰশংসিত হৈছে। স্থানীয় দলীয় কৰ্মী সকলৰ মতে, মৰিগাঁও সমষ্টিত এইবাৰ যুৱ ভোটাৰৰ সংখ্যা উল্লেখযোগ্য হোৱাত যুৱ নেতাৰ প্ৰাৰ্থীত্ব দলে লাভজনক বুলি গণ্য কৰিব পাৰে। মৃদুল সৌৰভ নাথে যুৱ সমাজৰ আশা-আকাংক্ষা বুজি লৈ উন্নয়নমুখী আৰু স্বচ্ছ ৰাজনীতিত বিশ্বাসী বুলি ইতিমধ্যে নিজকে প্ৰমাণ কৰিছে। সেয়েহে তেওঁৰ প্ৰাৰ্থীত্বই সমষ্টিটোত নতুন ৰাজনৈতিক সমীকৰণ গঢ়ি তুলিব পাৰে বুলি মত প্ৰকাশ কৰিছে বহুতে। এই সন্দৰ্ভত যুৱ নেতা মৃদুল সৌৰভ নাথে সংবাদ মাধ্যমৰ আগত কয় যে, দল যদি তেওঁক দায়িত্ব দিয়ে তেন্তে তেওঁ সমষ্টিটোৰ সামগ্ৰিক উন্নয়ন, স্বচ্ছ শাসন ব্যৱস্থা আৰু জনসাধাৰণৰ কল্যাণৰ বাবে নিষ্ঠাৰে কাম কৰিব। বৰ্তমান দলীয় সিদ্ধান্তৰ অপেক্ষাত থাকিলেও তেওঁৰ অনুগামীসকল আৰু দলীয় কৰ্মীসকলৰ মাজত উৎসাহ-উদ্দীপনা স্পষ্টভাৱে পৰিলক্ষিত হৈছে। ৫৪ নং মৰিগাঁও বিধানসভা সমষ্টিৰ ৰাজনৈতিক পৰিৱেশত যুৱ নেতা মৃদুল সৌৰভ নাথৰ প্ৰাৰ্থীত্বই ইতিমধ্যে এক বিশেষ চৰ্চা সৃষ্টি কৰিছে।

# মাজুলীত দুদিনতে ৫২ গৰাকী কংগ্ৰেছ কৰ্মীৰ বিজেপিত যোগদান

**অসম বাৰ্তা, উজনী মাজুলী, ১০ ফেব্ৰুৱাৰী ঃ** মাজুলীত কংগ্ৰেছ দলৰ পৰা ভাৰতীয় জনতা পাৰ্টীত কৰ্মীৰ যোগদান প্ৰক্ৰিয়া অব্যাহত আছে। কালি গৌৰৱ গগৈৰ বিৰুদ্ধে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই পাকিস্তানৰে সংযোগৰ অভিযোগেৰে সংবাদমেল সম্বোধন কৰাৰ দিনটোতে লুইত খাবলু অঞ্চলৰ ৩০ গৰাকী কংগ্ৰেছ কৰ্মীয়ে ভাৰতীয় জনতা পাৰ্টীত যোগদান কৰাৰ সমান্তৰালভাৱে আজিও মাজুলীৰ ২২ গৰাকী কংগ্ৰেছ কৰ্মীয়ে আনুষ্ঠানিকভাৱে ভাৰতীয় জনতা পাৰ্টীত যোগদান কৰে। আজি ভাৰতীয় জনতা পাৰ্টীৰ মাজুলী জিলাৰ কাৰ্যালয়ত বিধায়ক ভুৱন গাম, জিলা বিজেপিৰ সভাপতি দীপক গোস্বামী আৰু প্ৰাক্তন সভাপতি বীৰেণ শইকীয়াৰ উপস্থিতিত ক্ৰমে লোহিত গাঁও পঞ্চায়তৰ অন্তৰ্গত ৮৭ নং বুথৰ ১২ গৰাকী কংগ্ৰেছ কৰ্মী আৰু ফুলনি গাঁও পঞ্চায়তৰ ৭ নং ৱাৰ্ডৰ ১০ গৰাকীয়ে ভাৰতীয় জনতা পাৰ্টীত যোগদান কৰে। জিলা বিজেপিৰ সভাপতি দীপক গোস্বামী, বিধায়ক ভুৱন গামে দলীয় টুপী, দলীয় প্ৰতীক সম্বলিত বস্ত্ৰৰে কৰ্মী সকলক দলটোলৈ আদৰণি জনায়।

# খনামুখত হাইস্কুল শিক্ষান্ত পৰীক্ষাকেন্দ্ৰৰ শুভ উদ্বোধন

**অসম বাৰ্তা, জাঁজী, ১০ ফেব্ৰুৱাৰী ঃ** খনামুখ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত প্ৰথমবাৰৰ বাবে আজিৰে পৰা অনুষ্ঠিত হাইস্কুল শিক্ষান্ত পৰীক্ষা কেন্দ্ৰটোৰ শুভ উদ্বোধন কৰে প্ৰতিষ্ঠা কালৰ প্ৰধান শিক্ষক, বিশিষ্ট শিক্ষাবিদ ৰূপন চন্দ্ৰ গগৈ আৰু পূৰ্ণানন্দ লাহনে। খনামুখৰ ব্যৱসায়ী সন্থাই নিৰ্মাণ কৰি উলিওৱা অস্থায়ী আদৰণি তোৰণৰ সন্মুখত বন্তি প্ৰজ্বলনেৰে শুভ উদ্বোধন কৰা পৰীক্ষা কেন্দ্ৰৰ শুভ উদ্বোধনী অনুষ্ঠানত কেন্দ্ৰ পৰিচালনা সমিতিৰ সভাপতি ৰবীন চন্দ্ৰ হাজৰিকা আৰু বিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ আনন্দ চন্দ্ৰ বড়াই ৰাইজক উদ্দেশ্যি শুভেচ্ছা মুলক বক্তব্য প্ৰদান কৰে। ১৯৫৭ চনতে প্ৰতিষ্ঠিত বিদ্যালয় খনত শিক্ষা বিভাগে প্ৰথম বাৰৰ বাবে পৰীক্ষাকেন্দ্ৰ অনুষ্ঠিত কৰাৰ বাবে অনুমতি প্ৰদান কৰাত ৰাইজে সন্তুষ্টি প্ৰকাশ কৰিছে। কেন্দ্ৰটোৰ পৰা ৫৭ গৰাকী ছাত্ৰ আৰু ৫২ গৰাকী ছাত্ৰীকে ধৰি সৰ্বমুঠ ১০৯ গৰাকী পৰিক্ষাৰ্থী অৱতীৰ্ণ হৈছে। উল্লেখ্য যে আজিৰ প্ৰথম পৰীক্ষাৰ দিনটো সুচাৰু ৰূপে অনুষ্ঠিত হয়।

অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত
বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com
ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২
যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ'ব
Asom Barta is an Assamese newspaper published by Asom Barta Private Limited
Website : www.asombarta.in • Facebook : \asombarta • Instagram : \asom_barta
সম্পাদক ঃ তনয় বৰা
মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন